# Assam
# Legislative Assembly
# Debates

## OFFICIAL REPORT

**FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## BUDGET SESSION

## VOL. I

## No. 16

**The 31st May 1978**

**1981**
PRINTED AT THE ASSAM GOVERNMENT PRESS,
**GAUHATI**

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1978

(Budget Session)

Volume 1

No.16

Dated the 31st May, 1978

---

CONTENTS



| | Page |
|---|---|
| 1. Questions ... ... ... .. ... | 755–775 |
| 2. Calling Attention .. .. ... ... | 776—777 |
| 3. General Discussion on the Budget .. ... | 778–810 |
| 4. Adjournment ... ... ... ... .. | 810 |

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur. Gauhati on Wednesday, the 31st May, 1978 with the Hon. Speaker in the Chair, 12 (Twelve) Minister, 4 (four) Ministers of State, 4 (four) Parliamentary Secretaries and 96 (ninety six) Members present.

QUESTIONS

Shri ALTAF HOSSAIN MAZUMDER asked :

*50. Will the Minister, Supply be pleased to state—

(a) Whether Government is aware of the fact that STATFED sustained havy losses in entering into wheat market before decontrol ?

(b) If so, the total amount of loss sustained by STATFED (figures to be shown year-wise) ?

(c) The reasons of such huge loss ?

(d) Who authorised the STATFED to enter into the wheat market ?

(e) Whether it is a fact that the Finance Department enquired into the matter to ascertain the causes of such huge loss sustained by the STATFED in wheat deals ?

(f) If so, what are the findings thereof and the actions suggested by the Finance Department ?

Shri DULAL CHANDRA BARUAH (Minister, Supply) replied :

50. (a) Yes, We are aware.

(b) There was a single transaction in which STAFED sustained a loss of Rs. 36, 23,148·02.

(c) The quantity of wheat which could not be disposed of by STATFED had to be carried over for considerable pariod for which the incidental charges like bank interest, godown rent, storage loss and expenditure on pesticides, etc. went up. As a result of this incidential charges the STATFED incurred the loss.

(d)—STATFED entered in wheat deal as authorised by the previous Government.

(e) & (f)—As it was decided to place the matter. before the Cabinet for a decision on the question of payment of subsidy to STATFED a Cabinet memorandum was prepared by Suply Department accordingly and referred the matter to Finance Department for their views on it. Finance Department thereafter wanted certain information for offering their views on the proposal and those are being collected by Supply Department.

Shri ALTAF HUSSAIN MAJUMDAR :—Mr. Speaker, Sir, in answer to (d) of this question, the hon. Minister has said that the statefed entered into wheat deal as authorised by the previous Government. May I know who was the officer responsible for authorising and was there any necessity of authorising the Statefed to come into the wheat deal because the FCI was already doing this business.

Shri DULAL CHANDRA BARUA (Minister) :—It was the decision of the then Cabinet.

Shri ALTAF HUSSAIN MAJUMDAR :—Was the FCI not capable of doing it ?

Shri DULAL CHANDRA BARUA (Minister) :—Sir, then Government decided to do somthing. Therefore, now, on their behalf, I cannot answer to this question.

Shri ALTAF HUSSAIN MAJUMDAR :—Will the hon. Minister be pleased to find out the officer who advised the Governmet for that ?

Shri DULAL CHANDRA BARUA (Minister) :—We will definitely enquire into this and take necessary action. In addition to that, for the information of the House, I would like to inform that the Government is now to pay more than 50 lakhs of rupees to the Statefed, and that payment has not yet been made.

Shri ALTAF HUSSAIN MAJUMDAR :—Sir, who is the General Manager of this Statefed ?

Shri DULAL CHANDRA BARUA (Minister) :—He is one Mr. Ghose.

Shri ALTAF HUSSAIN MAJUMDAR :—What was his special qualification to be-come the General Manager of that organisation ?

Shri DULAL CHANDRA BARUA (Minister) :—He is of the rank of Dy. Secretary.

Shri ALTAF HUSSAIN MAJUMDAR :—It appears a junior officer has been placed in charge of Mg. Director ?

Shri DULAL CHANDRA BARUA (Minister) :—The post of the Mg. Director is quite different; we have got a Mg. Director in addition to General Manager.

Shri ALTAF HUSSAIN MAJUMDER :—How a junior officer could be placed there as General Manager, will the hon. Minister look into this ?

Shri DULAL CHANDRA BARUA (Minister) :—Definitely, I will look into this.

Shri SHANTI RANJAN DASGUPTA—Sir, the preservation of the huge stock for a long period of time has not been properly explained; I would like to know as to what was the reason for preservation of such a stock for such a long time ?

Shri DULAL CHANDRA BARUA (Minister) :—At that time, i.e , during 1974, when the Government of India reduce the quota of wheat, as there was a starvation deaths in the district of Goalpara, just to meet the requirements, the Government was compelled to bring wheat directly from Punjab and Haryana: but the requirement was over-estimated. So, after distribution or meeting the requirments of this affected areas this stock remained undisposed.

শ্ৰীমুকুত শৰ্ম্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, যিটো অনুষ্ঠানৰ দ্বাৰা এই ‘হুইট ডিল’ কৰাৰ ফলত বহুলাখ টকাৰ লোকচান ভবিবলগীয়া হল সেই অনুষ্ঠানটোকেই আকৌ খাদ্য বস্তুৰ যোগান ধৰিবলৈ কিয় দিয়া হৈছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— সেইটো এটা বেলেগ প্ৰশ্ন যদিও কওঁ যে, এই অনুষ্ঠানটোৰ গাত দোষ নাই। আগতে এই অনুষ্ঠানটো চৰকাৰী অনুষ্ঠান আছিল আৰু চৰকাৰে এই অনুষ্ঠানটোক বহু টকা দিবলৈ বাকী আছে। হিচাব পত্ৰ কৰি দেখা গল যে, যোৱা কংগ্ৰেছ চেছনৰ সময়ত এই অনুষ্ঠানটোৰ যোগেদি যি বিলাক বস্তু অনা হৈছিল তাৰ পেমেন্ট এতিয়াও কৰা হোৱা নাই। এইটোও এটা প্ৰধান কাৰণ।

Shri ALTAF HUSSAIN MAJUMDAR :—The FCI was don the wheat deals as they had all the arrangements for it, and as they were in the field, why they were not asked to deal with that; instead, why the Statefed was asked to come into that deal without proper arrange ment for this ?

Shri DULAL GHANDRA BARUA (Minister) :—That was the decision of the then Cabinet, and when that decision was taken the officers in the organisation had to carry out that. Therefore, on behalf of that former Cabinet, I cannot give reply. Of course, for the information of the House, I would like to say that we have now reorganised everything and the FCI is full control for storage of these commodities.

Shri RANENDRA NARAYAN BASUMATARY : Now, what the Government propose to do with this undisposed commodity ?

Shri DULAL CHANDRA BHRUA ( Minister ) : This has become unfit for human consumption and will have to be disposed of accordingly.

শ্ৰীআব্দুল মোক্তাদিৰ চোধুৰী ঃ— মাননীয় অধ্যক্ষ মহোদয়, কিমান পাবলৈ বাকী আছে ?

Shri DULAL CHANDRA BARUA ( Minister ) : It will come to nearabout 2,34,000.

শ্ৰীনগেন বৰুৱা ঃ— জৱাহৰ নগৰ অধিবেশনৰ সময়ত কি কি বস্তু আৰু কিমান টকাৰ বস্তু যোগান ধৰা হৈছিল ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত এটা বেলেগ প্ৰশ্ন দিলে ভাল হয়। চাউলৰ পৰা আৰম্ভ কৰিসকলো বিলাক খাদ্য সম্ভাৱেই দিয়া হৈছিল। যিহেতু এই কথা বিলাক বিচাৰাধীন হৈ আছে গতিকেই সদনক এইটো জনাব নোখোজোঁ। সম্পূৰ্ণ কথা অনুসন্ধান কৰিহে জনাব পৰা যাব।

শ্ৰীছামছুল হুদা :— মাননীয় অধ্যক্ষ মহোদয়, যিজন বিষয়াৰ দায়িত্বত দীৰ্ঘদিন ধৰি এই হুইট বিলাক নষ্ট হৈছিল তেওঁক বিপ্লেছ কৰাৰ পৰামৰ্শ দিয়া হৈছিল। তাৰ কাৰণে এই বিষয়াজনক প্ৰশ্ন কৰা হৈছিলনেকি।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— তেনেকুৱা কোনো ৰেকৰ্ড নাই। ৰাজ্যিক চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰি দিয়া নিৰ্দ্দেশ অনুসৰিয়েই সেই অনুষ্ঠানটোৱে বস্তু বাহানি আনিবলৈ বাধ্য হৈছিল। যিহেতু বস্তু বেছি অনাৰ কাৰণে চাহিদা পূৰণৰ পিছত বস্তু থাকি গল তাৰ পিছত কোনো নিৰ্দ্দেশ নাই। যদি ষ্টেট ফেডে জনাইছিল চৰকাৰে কি কৰে কি নকৰে তাৰ একো কথা জনোৱা নাছিল, তাৰ ফলতেই এইটো হবলৈ পালে।

শ্ৰীনগেন শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, "সুজলা" নামৰ তেলৰ সম্পৰ্কত কিমান টকাৰ লোকচান ভৰিলে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এইটো এটা বেলেগ প্ৰশ্ন দিলে ভাল হব।

Shri PREMADHAR BORA : Sir, in reply to question (b)., the Minister has said only a single transaction was made by the Statfed and may I know what were the commodities in that single deal ?

Shri DULAL CHANDRA BARUA ( Minister ) : Mostly, wheat, Sir.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মণ্টলি হুইট আৰু নিমখৰ কাববাব কৰিছিল নেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এটা সময়ত কৰিছিল।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— এসময়ত কৰিছিল। তাৰ পিছত এমাহ মান কৰাৰ পিছত শ্ৰীমালচান্দ মতিলাল কোঠাৰী নামৰ এজনক কৰিবলৈ দিয়ে। এই কথাটো জানেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—এই বিষয়ে এই বিধানসভাত বহুত বিলাক আলোচনা আদি হৈ গৈছে। কালিলৈ হবলগীয়া বাজেট বক্তৃতাত হোৱা বিতৰ্কৰ উত্তৰত জনোৱা হব। তথাপিও মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে জনাব খুজিছোঁ যে, এইটো এটা চৰকাৰী অনুষ্ঠান। সেই হিচাবে চৰকাৰৰ নিৰ্দ্দেশ অনুসৰিয়েই এই অনুষ্ঠানে কাম কৰি থাকে। যিহেতু ষ্টেটফেডে এইটো চলাই আছিল তেতিয়ালৈকে এইটো ভালেই আছিল কিন্তু হঠাৎ ষ্টেটফেডে কৰা কথাটো নাকচ কৰি ব্যক্তিগত ব্যৱসায়ীক কৰিবলৈ দিয়া হৈছে। এই ব্যক্তিগত ব্যৱসায়ীৰ সম্পৰ্কত বিবেচনা কৰিসিদ্ধান্ত গ্ৰহণ কৰিছে আৰু এই বিষয়ে অহা কালিলৈ জনোৱা হব।

শ্ৰীএ, এন, আক্ৰাম হোছেইন :— মাননীয় অধ্যক্ষ মহোদয়, ষ্টেটফেডৰ জড়িয়ত থকা শ্ৰীমতিলাল কোঠাৰী নামৰ লোকজনক আতৰাই দিয়া হবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই বিষয়ে এই চৰকাৰক সন্দেহ নকৰাই ভাল। কালিলৈ এই সম্পৰ্কত এটা বিবৃতি দিম বুলিকৈছোৱেই।

শ্ৰীখগেন বৰবৰুৱা :— অধ্যক্ষ মহোদয়, এইটো কথা সচাঁনেকি যে খাদ্যৰ অনুপযোগী হুইট নতুন হুইটৰ লগত মিলাই বিক্ৰি কৰিবলৈ স্থিৰ কৰিছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— সেইটো নাই কৰা।

শ্ৰীযোগেন গগৈ :— অধ্যক্ষ মহোদয়, চৰকাৰে বিভিন্ন দলৰ প্ৰতিনিধি লৈ পুনৰ্লাৰ চুপাৰভেশনৰ ব্যৱস্থা লৈছে নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— হয়,তেতিয়া আছিল।

বিঃ তেজপুৰ ঈদগাহ্

শ্ৰীএ, এন অক্ৰাম হুছেইনে সুধিছে :

* ৫১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মুছলমান সকলৰ ধৰ্ম্মীয় বিশ্বাসত আঘাট হব পৰা কোনো কাৰ্য্যৰ কাৰ্য্যসূচী থকা কোনো অনুষ্ঠানক স্বীকৃতি নিদিবলৈ দৰং জিলাৰ উপায়ুক্তক অসম চৰকাৰে কিবা নিৰ্দ্দেশ দিছেনে আৰু যদি দিছে, ইয়াৰ প্ৰতিলিপি সদনত দিবনে ?

(খ) উক্ত নিৰ্দ্দেশ উলংঘা কৰি দৰং জিলাৰ উপায়ুক্তই তেজপুৰৰ মুছলমান ৰাইজ আৰু ঈদগাহ কমিটিৰ লিখিত আপত্তি সত্বেও নৃত্য-গীত ঈদগাহত পাতিবলৈ অনুমতি দিয়া সত্যনে ?

(গ) ঈদগাহ নৃত্য-গীত অনুষ্ঠান পাতিবলৈ দৰং জিলাৰ উপায়ুক্তই দিয়া অনুমতিৰ বিৰুদ্ধে তেজপুৰৰ ঈদগাহ কমিতিয়ে অসম চৰকাৰৰ ওচৰত কোনো স্মাৰক পত্ৰ বা দৰখাস্ত দিছেনে আৰু যদি দিছে, চৰকাৰে ইয়াৰ ওপৰত কি ব্যৱস্হা গ্ৰহণ কৰিছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫১। (ক)—তেনে কোনো নিৰ্দ্দেশ দিয়া হোৱা নাই, অৱশ্যে তেজপুৰৰ ঈদগাহ পথাৰৰ ক্ষেত্ৰত অন্য দিশৰ পৰা কিছু নিৰ্দ্দেশ দিয়া হৈছিল। এই নিৰ্দ্দেশৰ প্ৰতিলিপিখন সদনৰ মেজত ৰখা হৈছে।

(খ)—এই কথাটো সত্য নহয়, ঈদগাহ কমিটি, বিহু কমিটি আৰু অন্যান্য সংশ্লিষ্ট ব্যক্তিৰ সৈতে আলোচনাক্ৰমে অন্য বছৰৰ দৰে এই বছৰো উক্ত ঈদগাহ পথাৰত বিহু সন্মিলন পাতিবলৈ সিদ্ধান্ত লৈছিল আৰু সেই দৰেই বিহু সন্মিলনো শান্তিপূৰ্ণ ভাৱে সমাধা হৈ গল।

(গ)—হয়, দিছে। ভৱিষ্যতে বিহু মঞ্চ ঈদগাহ পথাৰৰ ওচৰা ওচৰিকৈ(adjecent) (কিন্তু ভিতৰত নহয়) নিৰ্ম্মাণ কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। দৰ্শক মণ্ডলীয়ে ঈদগাহ পথাৰৰ ভিতৰৰ পৰাই নৃত্য-গীত দেখা ও শুনাৰ সুবিধা পাব।

শ্ৰীএ, এন, আক্ৰাম হুচেইন ঃ— মুখ্যমন্ত্ৰী ডাঙৰীয়াই (ক) প্ৰশ্নৰ উত্তৰত কৈছে যে কোনো নিৰ্দ্দেশ দিয়া হোৱা নাই। মই সুধিব খোজো যে, ৯।৫।৭৫ তাৰিখৰ ৰাজহ বিভাগৰ ১১৪।৭১।৬৮ নং চিঠি যোগে ডি, চি,ক কোৱা হৈছিল যে, "no function can be held in the Tezpur Idgah; may hurt the religions sentiments of the muslims." -এই নিৰ্দ্দেশপাইছে নে নাই ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— সেইটো আমাৰ দৃষ্টিগোচৰ হোৱা নাই।

শ্ৰীএ, এন, আক্ৰাম হুচেইন ঃ— অসম চৰকাৰে তেনেকুৱা নিৰ্দ্দেশ নাই দিয়া বুলি কৈছে। এতেকে সেই বিষয়ে অনুসন্ধান কৰি আমাক জনাবনে ?

শ্ৰী গোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— এই বিষয়ে অনুসন্ধান কৰি জনোৱা হব।

Shri ALTAF HUSSAIN MAZUMDAR : Mr. Speaker, Sir, does the Hon'ble Chief Minister know that this Idgah land was earmarked as back as 1910 on land record and secondly this was for further purpose of Id prayers of the muslims. Does the Chief Minister further know that even all religious functions of muslims can not take place in on Idgah other than Id prayers and on the last occassion arrangement for one years time left. Will the Chief minister see that Bihu takes place some where else and the Idgah is allowed to be used for the purpose of prayers by the muslims only ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এই বিষয়ে এইবাৰ বিহুৰ কেইদিনমান আগতে ঈদগাহ কমিটিৰ পৰা আমালৈ আপত্তি আহিছিল আৰু বিধান সভাৰ কেইজনমান সদস্যইও এই কথা দাঙি ধৰিছিল। আমি সেইটো তৎক্ষনাত তদন্ত কৰিছো। তাৰ পিচত উৰ্জান অসমৰ আয়ুক্ত আৰু পশ্চিম অসমৰ পুলিচ বিষয়া মিঃ গিলক তালৈ পঠোৱা হল যাতে সংখ্যালঘু সম্প্ৰদায়ে কোনো ধৰণৰ মনত দুখ পোৱা কথা হবলৈ নেপায় তাৰ ব্যৱস্থা কৰিবলৈ আৰু তেওঁলোকে সকলো সম্পিলণ্ট সম্প্ৰদায়ৰ লগত আলোচনা কৰি এই বাবলৈ ঈদগাহ পথাৰৰ কাষতে বিহু পাতিবলৈ স্হিৰ কৰে যাতে ঈদগাহ পথাৰৰ পৰাও দৰ্শকে নৃত্য-গীত চাব পাবে আৰু সংখ্যালঘু সম্প্ৰদায়ৰ মনতো যাতে দুখ নালাগে তাৰ ব্যৱস্হা কৰা হয়।

Shri ALTAF HUSSAIN MAZUMDAR : Mr: Speaker, Sir, I would like to place before the Hon'ble Chief Minister that there may be possibility of irritation between the two communities over it and some may act. responsibly. And nowhere in India such a practice is prevalent. Of course I am thankful to Chief Minister for what he has tried to do within the short time. Will he see that Idd prayers take place on Idgah ground and other functions like Bihu take place some where else as there is enough of place in Tezpur ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :—এই বিষয়ে আমি পৰীক্ষা কৰি চাম।

শ্ৰীৰনেন্দ্ৰ নাৰায়ন বসুমতাৰী :— মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰো নে যে কোন বিশেষ বিহু সন্মিলনক তাত বিহু পাতিবলৈ দিয়া হৈছিল ? তাৰ ডি, চি, য়ে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল নে নাই আৰু তাৰ কি ব্যৱস্হা গ্ৰহণ কৰিছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— মধ্য তেজপুৰৰ বিহু সন্মিলনে তাত বিহু পাতি-ছিল। সেই অনুষ্ঠানে আগতেও সেইদৰেই বিহু পাতিছিল। এতিয়া যিহেতু আপত্তি হৈছে সেই কাৰণে সংশ্লিষ্ট সকলোৰে লগত আলোচনা কৰি ব্যৱস্হা কৰা হব।

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— কেইবাৰ বিহুসন্মিলন হৈছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— সদায় হৈ আহিছে।

শ্ৰীপ্ৰেমধৰ বৰা :— অধ্যক্ষ মহোদয়, এই বিলাক হৈছে সামাজিক বাতাবৰণৰ কথা। আজি কিছু উৎসৱ সকলো সম্প্ৰদায়ৰ সহযোগত জাতীয় উৎসৱ হিচাবে পালন কৰা হৈছে সেইদৰে মছজিদতো যদি কোনো প্ৰাৰ্থনা হয় সেটো আমাৰ আপত্তি থকাৰ কোনো কাৰণ নাই। এই সামাজিক কাম বিলাকত চৰকাৰে কোনো ধৰণৰ কঠোৰ ব্যৱস্হা নলৈ সেই বিশেষ অঞ্চলৰ লোকৰ সহযোগত সোহাৰ্দ্যপূৰ্ণ ভাৱে পালন কৰিবলৈ হলেই ভাল নহয় জানো ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— আমিও সেইটোৱেই কৰিবলৈ চেষ্টা কৰিছো আৰু এইবাৰ এনে ব্যৱস্হা কৰা হৈছে।

শ্ৰীমতী আনোৱাৰা টাইমুৰ :— মুখ্যমন্ত্ৰীয়ে জনাইছে যে আগতেও বিহু সন্মিলন অনুষ্ঠিত হৈছিল। মই জানিব বিচাৰিছো ঈদগাহৰ কাৰণে আচটীয়াকৈ বখাৰ পিচত হৈছিল নে আগত হৈছিল ? মই মুখ্যমন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছো যাতে কোনো সম্প্ৰদায়ৰ ধৰ্ম্মৰ বিশ্বাসত আঘাট নকৰে তাৰ ব্যৱস্হা কৰিব নে ?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— যিটো কৰা হল তাত ইদ্‌গাহ কমিটি, বিহু কমিটি আৰু অন্যান্য সম্প্ৰদায়ৰ মুখিয়াল লোক সকলৰ লগত আলোচনা কৰি সন্মতি সাপেক্ষে এই সন্মিলন পতা হৈছিল। চৰকাৰেও ইয়াৰ দ্বাৰা কোনো সম্প্ৰদায়ৰ মনত আঘাট কৰা নাই আৰু নকৰেও।

বি ঃ নিমখ

শ্রীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে ঃ

* ৫২। মাননীয় যোগান বিভাগৰ মন্ত্ৰীমহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নিমখৰ কাৰখানা মূল্য কিমান (টন হিচাবত)?

(খ) কাৰখানাৰ পৰা অসমলৈ নিমখ আনোতে ৰেল ভাৰা বা পৰিবহন ভাৰা কিমান পৰে? (টন হিচাবত বা ওৱাগন হিচাবত দেখুৱাব)

(গ) ব্যৱসায়ী সকলক শতকৰা কেইগুণ লাভ দিয়া হয়?

(ঘ) এই কথা সচাঁনে অসমলৈ অনা নিমখৰ দাম প্ৰতি কেজিত ৩৫ পইচাকৈ নিৰ্দ্ধাৰণ কৰিলেও ব্যৱসায়ী সকলে প্ৰায় শতকৰা ১৫ গুণ লাভ পায়?

(ঙ) যদি সচাঁ হয়, তেনেহলে নিমখৰ দাম নিৰ্দ্ধাৰণ কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে?

শ্রীদুলাল চন্দ্ৰ বৰুৱা (যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫২। (ক)—ৰেলেৰে পৰিবহন কৰা নিমখৰ কাৰখানা পৰ্য্যায়ত কোনো নিৰ্দ্ধাৰিত মূল্য নাই।

(খ)—পশ্চিম উপকূলৰ পৰা অসমলৈ অনা নিমখৰ ৰেল ভাৰা প্ৰতি টনত প্ৰায় ১০৯.৬০ টকা মানকৈ পৰে।

(গ)—আমদানিকাৰী আৰু পাইকাৰী ব্যৱসায়ী সকলক প্ৰতি ৭৫ কেজি বেগত .৫০ পইচাকৈ আৰু খুচুৰা ব্যৱসায়ীক প্ৰতি বেগত ১.০০ টকাকৈ লাভ দিয়া হয়।

(ঘ)—এই কথা সচাঁ নহয়।

(ঙ)—চৰকাৰে নিমখৰ পাইকাৰী আৰু খুচুৰা মূল্য ধাৰ্য্য কৰি সকলো উপায়ুক্ত আৰু মহকুমাধিপতিক এক কাৰ্য্যকৰী নিৰ্দ্দেশ জাৰি কৰিছে যাতে বজাৰত নিমখৰ দাম নিৰ্দ্ধাৰিত মূল্যতকৈ বেছি নহয়।

শ্রীহৰেন্দ্ৰ গোস্বামী ঃ— এতিয়া নিমখৰ দাম কিমানত ধাৰ্য্য কৰা হৈছে?

শ্রীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— প্ৰতি কেজিত ৩৫ পইচাকৈ।

শ্ৰীহৰেন্দ্ৰ গোস্বামী :— তেতিয়াহলে এই নিমখৰ বেপাৰী সকলৰ লোকচান হৈছে বুলি ধৰিব লাগিব।

শ্ৰী এ, এন, আক্ৰাম হোচেইন :— এতিয়া মংগ্ত বজাৰত নিমখৰ দাম কিমান ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— বহু ধৰণৰ দাম বিভিন্ন ঠাইত চলি আছে কোনো কোনো ঠাইত ৫০ পইচা আৰু কোনো কোনো ঠাইত ৩০ পইচা আকৌ কৰবাত এটকা-কৈয়ো চলি আছে কিন্তু খাতাং যিটো চৰকাৰৰ নিৰ্দ্ধাৰিত অনুসৰি , বজাৰত নিমখৰ দাম নিৰ্দ্ধাৰিত হোৱা নাই। সেইটো আমি নিৰ্দ্ধাৰণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছোঁ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—চাপলাই দিপাৰ্টমেণ্টৰ No. DS. 25/78/31, dated 25-1-78 তাৰিখৰ চিঠিৰ জৰীয়তে ১৬৫ বেগ নিমখ আনিবৰ কাৰণে কেইজনমান ব্যৱসায়ীক কতৃত্ব দিয়া হৈছিল এই কথা সচাঁনে ? চাপলাই দিপাৰ্টমেণ্টে তেওঁলোকক নিমখৰ দাম বান্ধি দিয়া কথাটো সচাঁনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এনেধৰণৰ চাৰ্কুলাৰ দিয়া কথাটো সচাঁ। নিমখৰ ক্ষেত্ৰত এই গোটেই বিলাক কথা নীতি সঙ্গত ভাবে বিবেচনা কৰিবলৈ ব্যৱস্থা হাতত লোৱা হৈছে।

শ্ৰী এ, এন, আক্ৰাম হোচেইন :— অধ্যক্ষ মহোদয় মই এটা কথা জানিব বিচাৰিছো যে এই যে মাল চান্দ মতিলাল কোঠাৰী নামৰ এজন বেপাৰীয়ে কিছুমান ভূয়া লাইচেন্স লৈ বাংলাদেশৰ ওচৰত নিমখৰ বিবাট ষ্টক কৰিছে অ.ৰু সেই নিমখ বাংলাদেশলৈ চালান দিয়াৰ কাৰণে ব্যৱস্থা কৰিছে সেই বিষয়ে মন্ত্ৰী ডাঙৰীয়াই জানেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই সম্পৰ্কত চৰকাৰে নীতিগত ভাবে সিদ্ধান্ত গ্ৰহণ কৰিছে, সেইবিলাক কথা-বতৰা ইতিমধ্যে আলোচনা হৈ গৈছে আৰু তাৰ ওপৰত অনুসন্ধান কৰিবৰ কাৰণে কিছুমান প্ৰিলিমিনাৰী আলোচনা হৈ গৈছে আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই এই সমগ্ৰ কথা বিলাকৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ কাৰণে অনুসন্ধানৰ দৰকাৰ হব আৰু সেই মতে চৰকাৰে নীতি গত ভাবে কোনো বেপাৰীৰ ওপৰত যেনে দৰে ব্যৱস্থা লব লাগে সেই ব্যৱস্থা লবলৈ আমি পিচনোহোকো ।

শ্ৰীচামচুল হুদা :— এতিয়া কথা হ'ল এই যে নিমখৰ বেপাৰী আমাৰ ইয়াত মাত্ৰ এই কেইজনহে আছে নেকি কিয়নো আজি নগাঁওত, মৰিগাঁওতত আন এখন ঠাইৰ পৰা যেনে ধুবুৰী ব্যৱসায়ী এজনে কৰে থিক সেইদৰে বঙ্গিয়াৰ আন এজনে বেলেগ ঠাইত ব্যৱসায়ী কৰে। গতিকেই সেই ঠাইৰ বেপাৰীয়ে সেই ঠাইতেই নিমখৰ ব্যৱসায় কৰিব নোৱাৰে নেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— সেইটো ব্যৱস্থা বোধ কৰা হৈছে ।

শ্ৰীনগেন বৰুৱা :— ২৫।৮।৭৮ তাৰিখে ১৬৫ বেক নিমখ অনাৰ কাৰণে এই ব্যৱসায়ী সকলৰ দ্বাৰা কি কাৰণে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— সেই বিষয়ে প্ৰশ্নকৰ্ত্তাই মোতকৈ ভালকৈ জানে। এই বিষয়ে পৰীক্ষা নিৰিক্ষা চলি আছে, ৰাজনৈতিক কাৰণত এইটো কৰা হৈছে আৰু নথী পত্ৰত সেইটো প্ৰমাণিত হৈছে ।

শ্রীএ, এন, আক্রাম হোচেইন ঃ— অসমৰ ৰাইজে যাতে নিমখ পাই সেই বিষয়ে যোগান মন্ত্ৰীয়ে বিশেষ যত্ন লবনে ?

শ্রীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰ) ঃ— ইতিমধ্যে সেইটো কৰা হৈছে।

শ্রীৰনেন্দ্ৰ নাৰায়ন বসুমতাৰী ঃ— এই যে ৩৫ পইচাকৈ নিমখৰ দাম ধাৰ্য্য কৰা হৈছে সেইটো যাতে আমাৰ দুখীয়া গৰীব খেতিয়ক সকলে ঠিক মতে পাই সেই বিষয়ে কটকটীয়া ব্যৱস্থা লবনে ?

শ্রীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— এতিয়াৰ পৰা এই এচেনচিয়েল কমৰ্'দিটি যিবিলাক আছে বিশেষকৈ নিমখ ইত্যাদি চৰকাৰৰ হাতলৈ পোনপটিয়াকৈ অনা হব আৰু চৰকাৰৰ হাতত সেই বিলাকৰ দায়িত্ব থাকিব তেনে ক্ষেত্ৰত মই আশা কৰিছো ৩৫ পইচা কিয় পাৰিলে আৰু দাম কমাবলৈ আমি চেষ্টা কৰিম।

শ্রীঅতুল চন্দ্ৰ গোস্বামী ঃ— এই যে যি সকল পাইকাৰী ব্যৱসায়ী আছে তেওঁলোকক দাইৰেক্ট অৰডাৰ নিদি দি, চিৰ জৰীয়তে দিব নোৱাৰিনে কিয়নো বহুতো বেপাৰীয়ে এই আৰ, আৰ বাহিৰত আনক বেচি দামত বিক্ৰী কৰি দিয়ে।

শ্রীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— আগতে তেনে ধৰণৰ পন্থা থকাৰ কাৰণেই আজি এই বিলাক খেলিমেলি হৈছে এই সকলোবিলাক কাম যাতে দি, চি,ৰ জৰীয়তে কৰা হয় সেই বিষয় কেনে ধৰণৰ বিহীত ব্যৱস্থা লোৱা হব সেই বিষয়ে পৰীক্ষা-নিৰীক্ষা কৰি থকা হৈছে।

শ্রীমতী চৈয়দা আনোৱাৰা টাইমুৰ ঃ—আমাৰ দুখীয়া লোক সকলে নিমখ ভাত খায়েই জীৱন কটাই তেনেস্হলত আজি নিমখৰ দাম ইমান বৃদ্ধি হোৱাত তেওঁলোকৰ অত্যন্ত অসুবিধা হৈছিল মাননীয় সদস্য সকলে যোৱা কালি গণতন্ত্ৰ সমাজবাদৰ নামত প্ৰস্তাৱ গ্ৰহণ কৰিছিল।

Shri NOORUL HUDA : It does not behave in the mouths of congressman especially those led by Smti. Indira Gandhi to shed crocodile tears for the poor.

(Interruptions)

Mr. SPEAKER : Order, Order.

শ্রীমতী চৈয়দা আনোৱাৰা টাইমুৰ ঃ—অধ্যক্ষ মহোদয় আপোনাৰ পৰা আমি প্ৰতেকচন বিছাৰো। অসমত আজি বিভিন্ন ঠাইত নিমখৰ দাম বেলেগ বেলেগ ভাবে নিৰ্দ্ধাৰিত হৈছে। সকলোতে এটা দামত নিমখ নিৰ্দ্ধাৰিত কৰিব নোৱাৰি নেকি ? কেৱল আগৰ চৰকাৰক দোষাৰূপ কৰি থাকিলেই জানো কাম হব ?

শ্রীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— আমি এতিয়া ব্যৱস্হা গ্ৰহণ কৰিছো। কিন্তু আগৰ চৰকাৰে লোৱা নীতি বিলাকত লৈ উন্নতি হৈ যোৱা কাৰণে আজি আমাৰ এই অবস্থা। এতিয়া আমি এই নিমখৰ দাম নিৰ্দ্ধাৰণ কৰিবৰ কাৰণে ব্যৱস্হা গ্ৰহণ কৰিছো।

শ্রীভবেনেশ্বৰ বৰমণ ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, বাহিৰৰ পৰা যিবিলাক নিমখ অনা হয়, সেই বিলাক আনোতে ব্যৱসায়ী সকলে আৰ, আৰ দিব লগা হয় আৰু তেনেকৈ নিমখৰ দাম বাঢ়ি গৈ থাকে। সেই কাৰণে আমাৰ চিঠিৰ জৰীয়তে অনাৰ ব্যৱস্থা কৰিব নোৱাৰিনে ?

শ্ৰীপ্ৰেম বৰা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিছাৰিছো যে অসম চৰকাৰৰ হাতত পৰিসংখ্যা আছে নে নাই ? নিমখৰ চাহিদা কিমান ? দুখীয়া মানুহ বিলাকক নিমখ দিয়াৰ কি ব্যৱস্হা কৰিছে ? আগৰ লাইচেন্সচেই আছে নে, নতুনকৈ কিবা ব্যৱস্হা লৈছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— মাননীয় সদস্য গৰাকী ইমান উৎতেজিত নহলেও হব।মই কৈছোয়েই ——

শ্ৰীপ্ৰেম বৰা ঃ— নিমখ কিমান দিছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— মই কৈছোৱেই যে নিমখৰ সকলো ব্যৱস্হা চৰকাৰে হাতত লৈছে।

শ্ৰীপ্ৰেম বৰা ঃ— মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো, আগৰ ব্যৱস্থাই আছে নে নতুন কিবা ব্যৱস্থা লৈছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— আগৰ যি ব্যৱসায়ী সকল আছিল, আমি নিজে তালৈ গৈ নিমখৰ ব্যৱস্হা কৰিছো। আৰু আজিৰ তাৰিখত আমাৰ হাতলৈ আহিছে।

শ্ৰীপ্ৰেম বৰা ঃ— চৰকাৰৰ এই ব্যৱস্হাত সকলোৱে নিমখ পাইছেনে নাই ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— মানননীয়, সদস্য গৰাকী ইমান অধৰ্য্য হলে নহয়-

শ্ৰীপ্ৰেম বৰা ঃ— পাইছে নে নাই ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— মাননীয় সদস্য গৰাকীয়ে যিখন ঠাইত জন্ম গ্ৰহণ কৰিছে, তেখেতে নিশ্চয় জানে যে, ইয়াত যাতায়তৰ কিমান অসুবিধা। গতিকে ইমান অধৰ্য্য হোৱাৰ কোনো কাৰণ নাই। ৰাইজৰ সুবিধাৰ অৰ্থেই আমি এজন ট্ৰেড এডভাইচাৰ, ওৱেণ্ট কোণ্টতৰ পৰা নিমখ ৰেলেৰে পঠিয়াইছে আৰু নিমখ ৰেলেৰে আহি আছে।

শ্ৰীচামছুল হুদা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, এই নিমখৰ চৰকাৰে বান্ধি দিয়া দামৰ ওপৰত যদি বেচি দামত বিক্ৰি কৰে তেনেহলে তাৰ সাস্তিমূলক কিবা ব্যৱস্থা আছে নেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— এচেনচিয়াল কোমোদিটি এক্ট মতে যিটো আছে কেন্দ্ৰিয় চৰকাৰে যিটো নিৰ্দ্দেশনা দিছে সেই মতে আমি কৰিব লাগিব। কিন্তু এই ব্যৱসায়ী সকলক সাস্তিমূলক ব্যৱস্হা লবৰ কাৰণে ই আইনত কোনো ধাৰা নাই। নিমখৰ ক্ষেত্ৰত যিটো অৰ্ডাৰ দিছে সেইটোৰ ব্যৱস্হা দি, চিয়েলৈছে। আৰু সাস্তিমূলক যিটো ব্যৱস্হা সেইটো আমি ইতিমধ্যে কেন্দ্ৰিয় চৰকাৰৰ লগত লিখা-লিখি কৰি আছো। আৰু আইন পৰিবৰ্ত্তন কৰি হলেও ৰাইজক সুবিধা দিবপৰাকৈ ব্যৱস্হা গ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰিছো।

Starred Question No. 53 was not put, the member being absent.

Re : **Black-topping of Kokrajhar-Karigaon Road**

Shri RANENDRA NARAYAN BASUMATARI asked :

*54. Will the Minister, P.W.D be pleased to state—

Whether Government will take action to black-top the Kokrrjhar-Karigaon Road soon ?

Shri DULAL CHANDRA BARUAH (Minister P.W.D.) replied :

54.—At present Government has no proposal in hand during 1978-79 for black-topping any portion of the road from Kokrajhar to Karigaon.

Re : **Procurement of wheat by F.C.I.**

Shri ALTAF HOSSIAN MAZUMDER asked :

*55. Will the Minister, Supply be pleased to state—

Whether it is a fact that the F.C.I. was entrusted to procure and distribute wheat products in the State before decontrol ?

Shri DULAL CHANDRA BARUAH (Minister, Supply) replied :

55—The F.C.I. is maintaining the stock of wheat of Central Pool and also procure locally produced wheat which is not much in quantity. The F.C I. is not distributing wheat and weat products in the State. They are only maintaining the stock of wheat and release the same to the allottees as per distribution made by State Government.

Shri ALTAF HUSSAIN MAZUMDAR : Then is it a fact that the F. C. I. was capable to deal in the wheat requirement of the State ?

Shri DULAL CHANDRA BARUA ( Minister ) : Yes.

Shri ALTAF HUSSAIN MAZUMDAR : What was the necessity to entrust the Statefed when the F, C. I. was capable to do it ?

Shri DULAL CHANDRA BARUA ( Minister ) : It was done by the previous Government. The decision was taken at the highest level.

Shri ALTAF HUSSAIN MAZUMDAR ; What was the consideration for giving this responsibility to the Statfed ?

Shri DULAL CHANDRA BARUA ( Minister ) : There is no visible consideration ; there might be some invisible consideration.

Shri ALTAF HUSSAIN MAZUMDAR : Who decided it ?

Shri DULAL CHANDRA BARUA ( Minister ) : It was decided by the Cabinet.

Shri ALTAF HUSSAIN MAZUMDAR : It may be on the advice of some officer, and if so, who advised the Cabinet ?

Shri DULAL CHANDRA BARUA ( Minister ) : It might be by some officers.

Shri ALTAF HUSSAIN MAZUMDAR : The Minister need not reply off hand. Will he consult the file and tell us on what consideration and reason such advice was tendered to the Cabinet ?

Shri DULAL CHANDRA BARUA ( Minister ): It was processed by the Supply and the Finance Department and accordingly the decision was taken by the Cabinet.

বি ঃ নগাঁও জিলাৰ বিজ্ঞান কলেজ

শ্ৰীমনকুট শৰ্ম্মাই সুধিছে ঃ

*৫৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নগাঁও জিলাৰ বিজ্ঞান শিক্ষাৰ কাৰণে কেইখন কলিজ আছে ?

(খ) বৰ্ত্তমান ছাত্ৰৰ মাজত বিজ্ঞান শিক্ষাৰ কাৰণে যি ধাউতি বাঢ়িছে তাৰ কাৰণে বৰ্ত্তমান থকা কলেজ কেইখন যথেষ্ট নহয় এই কথা চৰকাৰে জানেনে ?

(গ) যদি জানে, নগাঁৱত আৰু বিজ্ঞান কলেজ খুলিবৰ কাৰণে চৰকাৰে কিবা আঁচনি গ্ৰহণ কৰিছে নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫৬। (ক)—এখন।

(খ)—এই বিষয়ে পৰামৰ্শ দিয়াৰ কাৰণে এখন উচ্চ শিক্ষা সমিতি গঠন কৰা হৈছিল আৰু অলপতে পোৱা এই সমিতিৰ পৰামৰ্শ বৰ্ত্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(গ)—প্ৰশ্ন নুঠে।

শ্ৰীমনকুট শৰ্ম্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে নগাওঁ জিলাৰ ভিতৰতে মাত্ৰ এখন বিজ্ঞান কলেজ আছে। আৰু এখন কলেজ কৰাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) ঃ— অলপতে এ, ডি, পি কলেজত বিজ্ঞান খুলিবলৈ অনুমতি দিছে। এই বিষয়ে কলেজ আৰু ইউনিভাৰ্চিটি কতৃপক্ষলৈ লিখা হৈছে।

শ্ৰীমনকুট শৰ্ম্মা ঃ— নগাওঁ বিজ্ঞান কলেজ আন আন বিষয়ৰ লগত এনথোপলজি আৰু জিওলজি বিষয় কেইটা আছেনে নাই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) ঃ— তাৰ কাৰণে আন এটা প্ৰশ্ন দিলে ভাল হয়।

শ্ৰীমনকুট শৰ্ম্মা ঃ—নগাওঁত থকা একমাত্ৰ কলেজখনত বিজ্ঞান শাখাৰ এনথ্ৰপল'জি জিঅ'লজি আদি বিষয়সমূহ নাই নেকি মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) ঃ— তাৰ কাৰণে বেলেগে প্ৰশ্ন দিলে দিব পৰাহব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— নতুন চৰকাৰে গাঁওবিলাকত, যথা কলিয়াবৰত গাঁৱৰ ল'ৰাকো বিজ্ঞান শিক্ষা দিয়াৰ কাৰণে তেনেকুৱা ব্যৱস্হা কৰাৰ কথা চৰকাৰে চিন্তা কৰিছেনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— বৰ্ত্তমান চৰকাৰে গাওঁ আৰু চহৰৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কোনো পাৰ্থক্য ৰখা নাই। গাওঁতো কলেজ আছে কিন্তু লাইট জলে, গাওঁ বুলিব নোৱাৰি।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— গাঁৱত থকা কলেজ এখনৰ নাম কব পাৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— বিশ্বনাথ চাৰিআলি কলেজ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— বজালী আৰু বিশ্বনাথ গাওঁহে থকা নাই। চহৰ হৈছে। টাউন কমিটিও হৈছে। গতিকে গাঁৱত কৰিবলৈ চেষ্টা কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— এইবাৰ বিজ্ঞান আৰু টেকন'লজিৰ ওপৰত বেচি গুৰুত্ব দি কেন্দ্ৰীয় চৰকাৰৰ পৰা ধনৰ কাৰণে লিখা হৈছে যদি সমুদায় পোৱা হয় তেতিয়াহলে বিজ্ঞানৰ ক্ষেত্ৰত আন্দোলন হব বুলি ভবা হৈছে।

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী :— বিজ্ঞান শিক্ষাৰ ওপৰত গুৰুত্ব দি সেইমতে প্ৰত্যেক মহকুমাতে বিজ্ঞানৰ কলেজ খোলাৰ কথা অসম চৰকাৰে চিন্তা কৰিছে নেকি?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— বিজ্ঞান শাখাৰ কলেজ নতুনকৈ খোলাৰ সলনি ইতিমধ্যে থকা কলেজত বিজ্ঞানৰ শাখা দিয়া হলে প্ৰচলন আৰু সুবিধা বেছি হব বুলি ভবা হৈছে।

শ্ৰীযোগেন গগৈ : বেকওৱাৰ্ড পকেট বিলাকত সংবিধান মতে যদিও কলেজ খোলাত বাধা আছে সেই ক্ষেত্ৰত সংবিধান সংশোধন কৰি হলেও কলেজ খোলাৰ কথা চিন্তা কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— বিজ্ঞান শাখাৰ কাৰণে আৰু কলেজীয়া শিক্ষা সম্প্ৰসাৰণৰ কাৰণে চেষ্টা কৰা হৈছে।

মোঃ চামছুল হুদা :—বিজ্ঞানৰ ক্ষেত্ৰত আন্দোলন হৈ যাব বুলি মন্ত্ৰী মহোদয়ে কৈছে সেই দৃষ্টিভঙ্গীলৈ গাওঁ অঞ্চলত থকা হাইয়াৰ চেকেণ্ডাৰি স্কুল আদিতো বিজ্ঞান শাখা খোলাৰ অনুমতি দিয়াৰ কথা চিন্তা কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— সম্প্ৰসাৰণ বুলিলে সকলো দিশেই ইয়াৰ ভিতৰত পৰিব।

শ্ৰীকালীৰাম ডেকাৰজা :— মৰিগাঁৱত থকা একমাত্ৰ কলেজখনত বিজ্ঞান শাখা খোলাৰ কিবা ব্যৱস্হা কৰিছে নেকি?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— মই আগৰ প্ৰশ্নৰ উত্তৰত কৈছোঁৱেই যে সেই সম্প্ৰৰ্কত গঠন কৰি দিয়া শিক্ষা কমিটিয়ে এই মাহৰ উনৈশ তাৰিখে প্ৰতিবেদন দাখিল কৰিছে আৰু সেই প্ৰতিবেদন বৰ্ত্তমান বিবেচনাধীন অৱস্হাত আছে। বিজ্ঞান শিক্ষাৰ কাৰণে চৰকাৰৰ আগ্ৰহ আছে আৰু যি ভাৱে প্ৰচলন হয় সেইটো চিন্তা কৰা হব।

শ্ৰীদেবানন্দ বৰা ঃ— এতিয়ালৈকে অসমত কিমানখন বিজ্ঞান কলেজ খোলা হৈছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) ঃ— সদনত মেজত থব পাৰো আৰু যদি লাগে বুলি কয় পঢ়িও দিব পাৰো

মাননীয় অধ্যক্ষ ঃ— মেজত থলেই হব। পঢ়ি দিব নালাগে ।

শ্ৰীমুকুট শৰ্ম্মা ঃ— শিক্ষা কমিটিৰ প্ৰতিবেদন চৰকাৰৰ বিবেচনাধীন হৈ আছে সেইখন সদনত দাখিল কৰিব নে আৰু দ্বিতীয় কথা হ'ল স্ত্ৰীশিক্ষাত জোৰ দিয়া এই সময়ত নগাঁওত থকা একমাত্ৰ ছোৱালী কলেজখনত বিজ্ঞান শাখাৰ সুবিধা কৰি দিয়া হবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) ঃ— বোধকৰো নগাঁও চহৰৰ এ-ডি-পি কলেজত বিজ্ঞান শাখা খুলিলেই গোটেই চহৰখনৰেই চাহিদা পুৰণ হব। গতিকে অন্য ঠাইতো প্ৰয়োজন হলে দিয়া হব ।

শ্ৰীবীৰেণ মিশ্ৰ ঃ— লামডিং নামৰ গাঁওত নন্‌মিউনিচিপেলিটি এৰিয়াত থকা কলেজখনত বিজ্ঞান শাখা আছে নেকি, মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) ঃ— লামডিঙত নাই ।

শ্ৰীবীৰেশ মিশ্ৰ ঃ ব্যৱস্হা কৰিব নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) ঃ— বিবেচনা কৰা হব ।

শ্ৰীযোগেন গগৈ ঃ— অসমৰ পিচপৰা ঠাই বিলাকত কলেজৰ প্ৰয়োজনীয়তালৈ লক্ষ্য কৰি কলেজ খোলাৰ অনুমতি দি বিজ্ঞান শাখাৰ কলেজ খোলাৰ ব্যৱস্হা কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) ঃ— য'ত প্ৰয়োজনীয় হয় চৰকাৰে বিবেচনা কৰি চাব পাৰে ।

Mr. SPEAKER : The Minister Education has just mentioned that he would be laying the statement on the table of the House. Will he do it ?

Shri LAKHYADHAR CHOUDHURY (Minister) : Yes Sir, I will please it.

**Re : Report of the Kohli Commission**

Shri ABDUL MUQTADIR CHOUDHURY asked :

*57. Will the Chief Minister be pleased to state—

How many Subdivisions have been recommended by the Kohli Commission for conversion into District in the State ? (Name of the Subdivision to be mentioned)

Shri GOLAP BORBORA (Chief Minister) replied :

—57 The report of the Committee is still under consideration.

Shri ABDUL MUQTADIR CHOUDHURY : Sir, may I know from the Hon'ble Chief Minister when this report was submitted to the Government ?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্রী) :— এই কমিচনে ১৯৭৫ চনত ৰিপোর্ট দাখিল কৰে আৰু সেই ৰিপোর্ট আকৌ এডমিনিষ্ট্রেটিভ কো-অৰডিনেচন কমিটিয়ে বিবেচনা কৰিবলৈ পঠিওৱা হয়, এডমিনিষ্ট্রেটিভ কো-অৰডিনেচন কমিটিয়ে বিবেচনা কৰাৰ পিচত আকৌ আগৰ কেবিনেট চাব কমিটিলৈ যায় আৰু তাৰ পিচত আৰু চিনিয়ৰ এডমিনিষ্ট্রেটিভ কো-অৰডিনেচন কমিটিলৈ বিবেচনাৰ কাৰণে যায়। সেই ৰিপোর্ট আমাৰ হাতত আহি পৰা নাই। ৰিপোর্ট আহি পালেহে কি ব্যৱস্থা কৰিব পৰা হয় বিবেচনা কৰিব পৰা হব ।

Shri ABDUL MUQTADIR CHOUDHURY : May I know how long it will take to receive the final report ?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্রী) :— ৰিপোর্টটো আহি পোৱা নাই ।

Shri ABDUL MUQTADIR CHOUDHURY : Sir, my question is very clear. The question is how many Subdivisions have been recommended by the Kohli Commission for conversion into district in the State ? As I know the report has been submitted to the Government long back.

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্র) :— কমিটিৰ ৰিপোর্টটো নোপোৱা পর্য্যন্ত বিতং কব পৰা নাযায় ।

শ্রীনৰেন্দ্র নাথ দত্ত :— এই ৰিপোর্টত নলবাৰী মহকুমাৰ নামো আছে নেকি ?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্রী) :— এই কথাটো পৰিস্কাৰকৈ কব নোৱাৰিম ।

Shri ABDUL MUQTADIR CHOUDHURY : Sir, may I know whethers that report has been pleased before the Cabinet earlier ?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্রী) :— মই আগেয়ে কৈছো এইটো কেবিনেটত দাখিল কৰা হৈছিল তাৰ পিচত সেই কথাটো আকৌ বেলেগ এটা কমিটিত দিয়া হয়। সেই কমিটিৰ ৰিপোর্ট পাবই লাগিব তেতিয়াহে এই বিষয়ে কব পাৰিম ।

Shri ABDUL MUQTADIR CHOUDHURY : Sir, whether this a delaying tactics ?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্রী) :— এইটো দিলেয়িং টেক্‌টিচৰ কথা নহয়। ১৯৭৫ চনতে আগৰ চৰকাৰে ৰিপোর্ট পাইছিল আৰু আমি বিষয়টো পাইছো যোৱা ফেব্রুৱাৰী মাহৰ পৰা আৰু তেখেত সকলেই পাতি দিয়া কমিটিৰ ৰিপোর্ট আমি আজিও পোৱা নাই। গতিকে দিলেয়িং টেক্‌টিচ ক'ত হৈছে মাননীয় সদস্য গৰাকীয়ে উত্তৰ দিয়ক ।

Shri RANENDRA NARAYAN BASUMATARI : In view of the fact that this particular matter has been agitating the minds of the honourable members of this August House, will the Hon'ble Chief Minister clearly state how long this matter will take to take a decision and at what stage it is now lying ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এই বিষয়ে মই আগতে কৈছো ।

শ্ৰীপ্ৰেম বৰা :— এই কহলি কমিচন ১৯৭২ চনতে হ'ল আৰু ১৯৭৫ চনতে ৰিপোৰ্ট দিলে কিন্তু আজিলৈ তাৰ একো সমাধান নহ'ল। গতিকে পৰিবৰ্ত্তিত সমস্যালৈ চাই এই কমিচনৰ ৰিপোৰ্ট বাদ দি নতুনকৈ কিবা কৰা কথা চৰকাৰে ভাবিছে নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— সেইটো কৰিবলৈ গলে আৰু দেৰী হব। পৰ্য্যালোচনা কমিটিৰ ভিত্তিত কিবা এটা কৰিব লাগিব ।

শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত :— মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাব নে এইযে কেবিনেট চাব কমিটিয়ে যে অনুমোদন দিলে তাৰ পিচত যেতিয়া সেইটো আকৌ চিনিয়ৰ এড-মিনিষ্ট্ৰেটিভ কমিটিলৈ পঠিয়ালে, গতিকে কেবিনেট চাব কমিটি ডাঙৰ নে এই কমিটি ডাঙৰ ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— যিহেতু আমাৰ কেবিনেটে কৰা নাই গতিকে মই ভাবো উত্তৰটো মই নিদিলেও হব।

Shri FAQRUL ISLAM : Whether any fixed time was given to his Committee to submit the report to the Government ?

Shri GOLAP BORBORA ( Chief Mintster ) : No.

শ্ৰীমোজাম্মিল আলী চৌধুৰী :— এই যে মহকুমা বিলাক জিলালৈ ৰূপান্তৰিত কৰিব বিচাৰিছে সেইটো কি ভিত্তিত কৰিব বিচাৰিছে জনসংখ্যাৰ ভিত্তিত নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এইটোৰ এটা বেলেগে প্ৰশ্ন লাগিব।

শ্ৰীযোগেন গগৈ :— শিৱসাগৰ মহকুমাক জিলালৈ ৰূপান্তৰিত কৰিবৰ বাবে কহলি কমিচনে ৰিপোৰ্ট দিছে বুলি আমি গম পাইছো। এই সম্পৰ্কে পলম হোৱাতে নহয় শিব-সাগৰীয় জনসাধাৰণে গোটেইখন বাইজৰ জনমত সহ মুখ্যমন্ত্ৰী মহোদয়ক স্মাৰকপত্ৰ দিছে সেই কথা মন্ত্ৰী মহোদয়ে জানে নে, যদি জানে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— শিৱসাগৰ বাইজৰ তৰফৰ পৰা আমি স্মাৰকপত্ৰ পাইছো আৰু গোটেই অসমৰ কথাটো যেতিয়া বিবেচনা কৰা হব তেতিয়া এই কথাটোও লোৱা হব।

শ্ৰীভুবনেশ্বৰ বৰ্ম্মণ :— মই মুখ্য মন্ত্ৰীৰ পৰা এটা কথা জানিব বিচাৰিছো যোৱা সাধাৰণ নিৰ্ব্বাচনৰ আগতে কহলি কমিচনে বৰপেটাক জিলা হিচাবে প্ৰকাশ কৰা বুলি আৰু বজালীকি এটা মহকুমা কৰিবলৈ কোৱা বুলি এগৰাকী মন্ত্ৰী মহোদয়ে সেই সং-ক্ৰান্তীয় ফাইল লগত লৈ গৈ জনসাধাৰণৰ পৰা ভোট বিচাৰিছিল এই কথা মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— কব নোৱাৰিম।

শ্ৰীখগেন বৰবৰুৱা :— কহলি কমিচনৰ আমি ভিতৰচৰা জানিব বিচৰা নাই কিন্তু কহলি কমিচনে কেইটা জিলা আৰু কেইটা মহকুমা কৰিব বিচাৰিছে সেইটো নিশ্চয় কৈছে, সেই নাম কেইটা কৈ দিলেই দেখোন হয়, আমক তামক আৰু কিয় বগাব লাগে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— মোৰ কবলগীয়াখিনি আগতে কৈছো।

শ্ৰীখগেন বৰবৰুৱা :— কমিচনে নামবিলাকতো দিছে সেই কেইটা কলেই হ'ল। বিভিন্ন বিষয়া সকলে নিশ্চয় দায়ীত্ব পালনকৰা নাই। তাৰ কাৰণে মুখ্যমন্ত্ৰীৰ গাত দোষ নাই।

Mr. SPEAKER : The Chief Minister has already replied.

শ্ৰীশান্তিৰঞ্জন দাস গুপ্ত :— এই বিষয়ে বৰ্ত্তমান চৰকাৰে কিমান দিনৰ ভিতৰত এই ৰিপোৰ্টৰ ওপৰত তেওঁলোকৰ মতামত দাঙি ধৰিব পাৰিব মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— যিমান সোনকালে পৰা যায় সিমান সোনকালে দাঙি ধৰিম।

Mr. SPEAKER : Next question. Question No. 58.

বিঃ মিৰিকা মাজুলি গড়কাপ্তানী ৰাস্তা

শ্ৰীকুল বাহাদুৰ ছেত্ৰীয়ে সুধিছে :

*৫৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এই কথা চৰকাৰে জানেনে যে মাৰ্ঘেৰিটা মিৰিকা মাজুলি গড়কাপ্তানী ৰাস্তাত বাৰিষা হলেই বোকা হয়?

(খ) যদি জানে, তেন্তে এই ৰাস্তাটোৰ উন্নতি সাধনৰ কিবা জৰুৰী ব্যৱস্থা লোৱা হৈছেনে?

(গ) এই ৰাস্তাৰ পাৰৰ নদীৰ কাঠৰ দলংখন ভাঙিবলৈ উপক্ৰম কৰাৰ কথা চৰকাৰে জানেনে?

(ঘ) যদি জানে, তেন্তে কৰ্ত্তৃপক্ষই এই বিষয়ে কি খৰতকীয়া ব্যৱস্থা হাতত লৈছে জনাবনে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫৮। (ক)—যোৱা বছৰ পুঁজিৰ অভাৱত ৰাস্তাত পিস দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰা হেতুকে ৰাস্তাত বোকা হোৱা কথাটো হয়।

(খ)—এই বাৰিষা কালত যাতায়তৰ অসুবিধা দূৰ কৰিবলৈ বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা অঞ্চলত শিলগুটি দিয়াৰ বাবে নিবিদা আহবান কৰা হৈছে।

(গ আৰু ঘ)—কাঠৰ দলংখন বেয়া হৈছে সচাঁ আৰু দলংখন মেৰামতিৰ কাৰণে ইতিমধ্যে নিবিদা আহবান কৰা হৈছে।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :— এই ১৪ কিলোমিটাৰ ৰাষ্টাত আৰম্ভনিৰে পৰা শিলগুটি দিয়া নাই এই কথা মন্ত্ৰী মহোদয়ে জানে নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— ৰাষ্টাটোৰ অৱস্থা বেয়া বুলি জানো কিন্তু আৰম্ভনিৰে পৰা শিলগুটি দিছে নে নাই কব নোৱাৰো।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :— এই ৰাষ্টাটোত আৰম্ভনিৰ পৰাই শিলগুটি দিয়া নাই আৰু এই কথা কেবা বাৰো জনোৱা হৈছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— ৰাষ্টাটোৰ বেয়া অৱস্থালৈ চাই ইতিমধ্যে ভাল কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— ১৯৬২ চনতে যিবিলাক ৰাষ্টা বন্ধা হৈছিল সেই ৰাষ্টা বিলাকত যোৱা ৫ বছৰত শিলগুটি দিয়া মাত্ৰ যোৱা মাৰ্চ মাহৰ শেষৰ ফালে নিবিদা আহ্বান কৰি কৰবাত কৰবাত শিল দমাইছে তাকো ২৮-২৯ মাৰ্চত। এই বিষয়ে মন্ত্ৰী মহোদয়ে খবৰ লব নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— নিশ্চয় লোৱা হব।

শ্ৰীকালিৰাম ডেকাৰজা :— এই প্ৰশ্নটো কব হৈছিল মাৰ্ঘেৰিটা মিৰিকা মাজুলি গড়কাপ্তানী ৰাস্তাত বাৰিষা হলেই বোকা হয় নেকি ? কিন্তু এনেকুৱা দুৰৱস্থাৰ ৰাষ্টা অসমত চাৰিও ফালে আছে, এই কথা মন্ত্ৰী মহোদয়ে জানে নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— অসমৰ ৰাষ্টা প্ৰায়বিলাকেই যোৱা ৩১ বছৰে তেনেধৰণে আছে।

**Re : Allotment of land to S.C. families**

Shri KHOGEN BARBARUAH asked :

*59. Will the Minister, Revenue be pleased to state—

(a) Whether it is a fact that vide letter No. RSG. 21/76/37, dated Gauhati—781006, the 4th March, 1978, 640 bighas of land were allotted to the Scheduled Caste families ?

(b) If so, whether possessions were given to the allottees ?

(c) If not, whether Government propose to give possession to the allottees immediately before the rainy season starts ?

Shri LAKHESWAR GOHAIN (Minister Revenue) replied :

(ক)—হয়।

(খ)—দখল বৰ্তমানলৈকে চমজাই দিয়া হোৱা নাই।

(গ)—আবণ্টনৰ হুকুম বৰ্তমান স্থগিত ৰখা হৈছে।

শ্ৰীখগেন বৰবৰুৱা :— মন্ত্ৰী মহোদয়ে জনাব নে কিয় স্থগিত ৰখা হ'ল ? এই ৬৪০ জন অনুসূচিত জাতিৰ দুৰ্ভগীয়া লোক সকলক মাটি দিলে কিন্তু তেওঁলোকে এতিয়াও পোৱা নাই কোন দিনাৰ পৰা পাব আছে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (ৰাজহ মন্ত্ৰী) :—১৯৭৭ চনৰ মাৰ্চ মাহতে তেওঁলোকক দিয়া হৈছিল কিন্তু তাৰ ওচৰৰে জেৰেঙাপথাৰৰ ৬০টা পৰিয়ালে আপত্তি কৰা কাৰণে ৯।৫।৭৭ তাৰিখে সেই হুকুম স্থগিত কৰা হয়।

শ্ৰীইব্ৰাহিম আলী :— যি সকলে তাত দখল কৰি আছে তেওঁলোক ভূমিহীন মানুহ হয় নে নহয় ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— ভূমিহীন মানুহো আছে।

শ্ৰীইব্ৰাহিম আলী :— মাটি থকা লোক সকলক উচ্ছেদ কৰা হব নে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— ৩৫০টা পৰিয়ালে আগৰ পৰা মাটি পাবলৈ বাকী আছে। মাটি থকা সকলক নিশ্চয় উচ্ছেদ কৰা হব।

শ্ৰীযোগেন গগৈ :— অনুসূচিত কিমান পৰিয়ালে এতিয়ালৈকে মাটি পাবলৈ বাকী আছে বা শতকৰা কিমান পাইছে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— এইটোৰ কাৰণে বেলেগে প্ৰশ্ন লাগিব।

শ্ৰীমুকুট শৰ্ম্মা :— তেখেত সকলে অনুসূচিত জাতিৰ মাটিহীন লোক বুলিয়ে মাটি দিয়া হৈছিল কিন্তু কিয় চমজাই দিব পৰা নাই ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (ৰাজহ মন্ত্ৰী) :—সেই মাটি ১৯৭৭ চনতে দিয়া হৈছিল কিন্তু জেৰেঙাপথাৰৰে কিছুমান মানুহে তাত আগৰপৰাই দখল কৰি থকা মানুহে বাধা দিয়াত এই লোক সকলক মাটি চমজাই দিব পৰা নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— এই অনুসূচিত জাতিৰ বা পিচপৰা সম্প্ৰদায়ৰ যিমান মানুহক মাটি দিয়া হৈছে তেওঁলোকক কাগজে-পত্ৰই দিয়া হৈছে। তেওঁলোক প্ৰায়বিলাকেই দখল চমজি লব পৰা নাই কাৰণ যেতিয়া দখল কৰি থকা মানুহবিলাকক উচ্ছেদ কৰাৰ প্ৰশ্ন আহে তেতিয়াই কেইজনমান মানুহ ইয়ালৈ আহিলে মন্ত্ৰী মহোদয়ে অৰ্ডাৰ ষ্টে কৰি দিয়ে এইফালে মণ্ডল কাননগো লৈ মাটি চমজাই দিবলৈ যায় আৰু আনফালে ষ্টে অৰ্ডাৰ পায় — — — — — — —

Mr. SPEAKER : The question hour is over. I come to the next item.

Shri KHAGENDRA NATH BORBARUA : Mr. Speaker Sir, the question ( Starred ) No. 59 may kindly be kept pending for tomorrow.

( No reply from the Chair )

UNDISPOSED STARRTED QUESTIONS
Dated 31st April, 1978

Re: **Black-topping of Gossaigaon-Kokrajhar Road**

**Shri RANENDRA NARAYAN BASUMATARI** asked :
*60. Will the Minister, P. W. D. be pleased to state—

(a) Whether Government is aware that Kokrajhar is the only Subdivisional headquarter in Assam which has not yet been connected with the black topped Roads.

(b) If so, whether Government consider it expedient to take urgent steps for connecting the Kokrajhar Subdivisional Town with the black topped Roads ?

(c) Whether Government is aware that the Gossaigaon-Korajhar road via Sapatgram is one of the most vital road links in the Sub-division ?

(d) If so, whether the Government propose to take early action to black-top this vital road connecting the Subdivisional Headquarter Town Kokrajhar on a most priority basis ?

Shri DULAL CHANDRA BARUAH (Minister, P.W.D.) repiled :

60.(a)—No. Besides Kokrajahar, Morigaon, the Subpivisional head-quarter of Morigaon Civil Subdivision in the Plain District is also not yet connected by surfaced Road.

(b)—However, Government has taken up phase-wise Black-topping of Phutkibari-Kokrajhar Road in order to connect Kokrajhar Town.

(c)—Yes, it is one of the important road linkes of the Subdivision.

(d)—It is proposed to take up the remaining portion of 2.50 Km. of Phutkibari-Kokrajhar road during 1979 80 provided fund parmits. But Government has no proposal to black-top Gossaigaon-Fakiragram portion of Gossaigaon-Kokrajhar Road.

UNSTARRTED QUESTIONS AND ANSWERS
Dated 31st May 1978

Re : **payment of compensation for acquisition land for construction of road from Sapatgram to Gossaigaon**

Shri RANENDRA NARAYAN BASUMATARI asked :

11. Will the Minister, Revenue be pleased to state—

(a) How many land holders were affected for acquisition of of land in construction of the road from Sapatgram to Gossaigaon via Balapara ?

(b) Who are they ?

(c) Whether the Government will expedite sanction and payment of the land compensation to those affected persons ?

Shri LAKHESWAR GOHAIN (Minister, Revenue) replied :

(ক)—মঠ ৫৭ জন ।

(খ)—তেওঁলোক ৩০ খন খতিয়ানভুক্ত মাটিৰ গৰাকী (তেওঁলোকৰ নামৰ তালিকা এখন সদনৰ মেজত ৰখা হ'ল)

(গ)—মাটি অধিগ্ৰহণ খৰছৰ প্ৰাক্কলন গড়কাপ্তানী বিভাগৰ দ্বাৰা মঞ্জুৰ হৈছে। কলেক্টৰে যিমান সোনকালে পৰা যায় ক্ষতিপূৰণৰ টকা দিবলৈ ব্যৱস্থা লব ।

Re : **Maternity Centre in Bongaigaon P. H. C.**

Shri MATHURA MOHAN SINHA asked :

12. Will the Minister, Health be pleased to state –

(a) Whether Government is aware that one Shri Shew Bhagawan Harlaka had donated a building for starting a maternity Centre therein Bongaigaon Public Health Centre ?

(b) If so, whether Government had started the Cenre ?

(c) If not, the reasons thereof ?

(d) How the bulding has been utilised now ?

Dr. KOSHESWAR BORA (Minister of State, Health replied :

12. (a)—Yes.

(b)—Yes.

(c)—Does not arise.

(d)—Part of the building is used for O. P. D. but Maternity Ward is running in Primary Health Centre building.

Shri KHAGEN BARBARUAH: Mr. Speaker, Sir, I call the attention of the Minister, Forests under Rule 54 of the Rules of Procedure and Conduct of Busine s in Assam Legislative Assembly to the news item appearing in the Daintk Ahom, dated 29th April,, 1978 under the caption "বনাঞ্চলত পহৰাদাৰীৰ মৃত্যু"।

*Shri SAMAR BRAHMA CHOUDHURY ( Minister, Forests ): Mr. Speaker : Sir, the attention of the Government has been drawn to the news item published in the Dainik Asom, dated 29th April 1978 under the caption "বনাঞ্চলত পহৰাদাৰীৰ মৃত্যু"।

Sir, the matter is as follows :—

1. On 11th April 1978 in the evening, the three Home Guard Personnel Sarvasri Abdul Borik, Abdul Kuddus and Chittarajan Konwar stationed at Derapathar Camp, under Kaki Forest Beat by this Department, received an information to the effect that two poachers with a gun came to Panijuri area for poaching in Kaki Reserve Forest during the night. The Forest Officer posted at Derapathar was out of station on that day. The three Home guard personnel took a local man Shri Jagabandhu Sing of Derapathar village as their helper and went out for patrolling in Panijuri area and found the two poachers there at a place inside a thatched hut (Chali) while they were preparing their evening meals. The patrolling party (three Home Guard personnel) caught hoid of the two poaches along with a muzzle gun and brought them to their Derapathar Camp. They wanted to keep the poachers for the night in camp with the idea to forward them to the Forest Beat Officer at Kaki next morning for taking necessary action. This was during the nigth on 11th April 1978. At about 1 A. M., when the three Home Guard personnel & their helper, Sri Jagabandhu Sing were taking food, some people suddenly came with deadly weapons (Daos, lathis) and entered into the camp breaking the doors of the camp-house and attacked the four persons. They were severely beaten and given blows and thus badly injured. The miscreants then rescued the two poachers and setting fire to the clothes of the inmates, fled awaya from the place along with the muzzle Gun of the poachers and the rfles with ammunitions of the two Home Guard personnel. All the four persons (three Home Guard personnel and Sri J. Sing) got severely injured. Next morning Sri Jagabandhu Sing) somehow managed to go to his house and informed the local people about the incident. On receipt of the information, the Beat Officer of Kaki and the Forest Officer of the Derapathar Camp along with other local staff and the local Police of Nakhuti Police out Post arranged to send the injured persons to Lanka Civil Hospital on 12th April 1978 and subsequently to Nowgong Civil Hospital for treatment on 13th April 1978. The Home Guard Shri Abdul Kuddus succumbed to his injuries on 15th April 1978. Ejahar was lodged O/C. Lumding P. S. on 12th April 1978. A search party was eagaged after the incident to search out the rifles in the nearby areas, but, could not succeed.

---

*Speech not corrected

2. It appears that the miscreants are from Karbi Anglong side. Police investigation is however in progress. No arrest has yet been made. Recovery of the two rifles with the ammunitions are not yet made. The other two Home Guard personnel Sri Abdul Barik and Sri Chittarajan Konwar and the outsider Sri Jagabandhu Sing (who were seriously injured) have since been discharged from the Civil Hospital, Nowgong, after recovery.

*Shri KHAGEN BARBARUA : Whether Government is making any attempt to recover the lost properties ?

*Shri SAMAR BRAHMA CHOUDHURY ( Minister ) : Yes. Sir.

*Shri RANENDRA NARAYAN BASUMATARI : Sir, as we knowe that these forest officials engaged on vigilance duty are supplied with wireless sets, whether those forest officials injured could get the oppertunity to send communication to their base ?

*Shri SAMAR BRAHMA CHOUDHURY (Minister) : Sir, that kind of equipment is supplied only to those people who are engaged in observation duty in the sanctuories and not to ordinary forest personnel.

*শ্ৰীচামচন্দ্ৰ হন্দা :—অধ্যক্ষ মহোদয়, যি সকলে ইয়াত গাৰ্ড দিয়া অৱস্থাতেই মৃত্যু বৰণ কৰিলে সেই সকলৰ পৰিয়াল বৰ্গক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিছেনে ?

*শ্ৰীচমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— এই হোমগাৰ্ড জনক বনাঞ্চলত নিয়োগ কৰা হৈছিল অৰণ ভাৰাত নিয়া হৈছিল। এইটো ফৰেষ্ট ডিপাৰ্টমেণ্টে নিদিয়ে। অৱশ্যে ইয়াৰ আগতে তেনেকৈ দিয়া হৈছিল যদি ফৰেষ্ট ডিপাৰ্টমেণ্টৰ মানুহ হয়। তথাপি যদি হোমগাৰ্ডত নিদিয়ে তেতিয়াহলে ফৰেষ্ট ডিপাৰ্টমেণ্টে বিবেচনা কৰি চোৱা হব।

*Shri SANTI RANJAN DASGUPTA : Sir, on a point of clarification. In view of the difficult terrain in the Darapathar area, whether the Minister Forests, would consider setting up a Police Station at the Darapathar area so that forest property can be protected from the hands of poachers and other interested and motivated persons ?

*Shri SAMAR BRAHMA CHOUDHURY (Minister) : This question does not relate to this Department. However, we will examine this.

*Shri BANESWAR SAIKIA : Since the guards were killed while discharging their duties under the Forest Department, should it not be the duty of the Forest Department to compensate the loss ocurred during the encounter with the poachers ?

*MR. SEPAKER : You can only ask for clarification. Now I come to the general discussion on the budget. Many parties have very little time. That will be considered later. I now come to the Janata Party. Shri Nagen Sarma, absent, Shri Patgiri, absent Shri Hemen Das,

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, মই বাজেটৰ বিষয়ে কবলৈ যোৱাৰ আগতে বৰ্ত্তমান দেশৰ পৰিস্থিতিৰ ওপৰত চকু দিবলৈ বাধ্য হৈছো আৰু দেশৰ পৰিস্থিতিলৈ চাই ১৮৪৮ চনৰ ফৰাচী বিপ্লৱৰ ইতিহাসৰ কথা মনত পৰিছে। ১৮৪৮ চনত ফৰাচী দেশৰ ৰাজতন্ত্ৰ আঁতৰাবলৈ প্ৰজাৰ সংগ্ৰামত সকলোৱে জঁপিয়াই পৰিছিল। সেই সময়ত বুৰ্জোৱাৰ লগতে আছিল সেই দেশৰ শ্ৰমজীৱি জনসাধাৰণে সেই সময়ৰ ফৰাচী দেশৰ ৰজাক গুচাই দিবলৈ সম্ভৱপৰ হৈছিল। যি সকল লোকে গণতন্ত্ৰৰ বিৰুদ্ধে সংগ্ৰাম কৰিছিল তেওঁলোকৰ ভিতৰত যিটো শ্ৰেণীয়ে আটাইতকৈ বেছি সংগ্ৰাম কৰিছিল—সেইটো হল শ্ৰমিক শ্ৰেণী।

এই বিপ্লৱত কোন শ্ৰেণীৰ মানুহে আটাইতকৈ বেছি কষ্ট কৰিছিল, পিচত সেই কথা বিবেচনা কৰা নহল। কিন্তু সুবিধা দিয়াৰ বেলা তেওঁলোকৰ কথা কোনেও ভৰা নাছিল। আজি ইয়াৰ পুনৰ পুনৰাবৃত্তি হৈছে। এইটো শুনল, ১৮৫১ চনত নেপোলিয়নৰ নাতিয়েকে পুনৰ ৰাজপাটত বহিল আৰু নাম ললে তৃতীয় নেপোলিয়ন। আজি ভাৰতবৰ্ষতো এনে এটা অৱস্থাৰে সৃষ্টি হৈছে। ১৯৭৭ চনত সমগ্ৰ ভাৰতবৰ্ষৰ এক শ্ৰেণীৰ পুঁজিপতি সহ ভাৰতৰ অগনন জনসাধাৰণে স্বৰ তন্ত্ৰৰ বিৰুদ্ধে সংগ্ৰাম কৰিলে। এই স্বৰ তন্ত্ৰক পৰাভুতকৰোতে অকল ভাৰতৰ উদাৰনীতিয়েই ধনিক শ্ৰেণীয়েই নহয়, শ্ৰমিক শ্ৰেণীৰ অৱদানো কোনোগুনে কম নাছিল। ১৯৭৭ চনৰ পৰৱৰ্ত্তী কালত স্বৰ তন্ত্ৰৰ বিৰুদ্ধে সংগ্ৰাম বিয়পি গল। ভাৰতবৰ্ষৰ জনসাধাৰণে স্বৰতন্ত্ৰ পৰিত্যাগ কৰি নতুন চৰকাৰ প্ৰতিষ্ঠা কৰে। এই নতুন চৰকাৰ ফৰাছী দেশৰ ঘটনাৰ লগত মিলি গল। কাৰণ এই চৰকাৰেও শ্ৰমিক শ্ৰেণীক আক্ৰমণ কৰিলে। উত্তৰ প্ৰদেশত শ্ৰমিক শ্ৰেণীৰ ওপৰত ৩৯ বাৰ গুলি চলাইছিল। অসমত যদিও শ্ৰমিকৰ ওপৰত গুলি চলোৱা নাই, তথাপি আমি ভাবিছিলো যে, উত্তৰ প্ৰদেশৰ জনতা চৰকাৰ আৰু অসমৰ জনতা চৰকাৰৰ নেতিত্বত চৰিত্ৰৰ বহুতো পাৰ্থক্য থাকিব। কিন্তু কাৰ্য্যত তেনে দেখা পোৱা নাই। ইয়াত জনতা চৰকাৰৰ গঠন হোৱাৰ পিচত শ্ৰমিকৰ ওপৰত নিৰ্য্যাতন কৰা হৈছে। যি সকল শ্ৰমিকে এই গুৱাহাটীতে আন্দোলন কৰিছিল, স্বৈৰতন্ত্ৰৰ বিৰুদ্ধে সংগ্ৰামত অংশ গ্ৰহণ কৰিছিল তেওঁলোকক প্ৰথম আঘাট কৰি ১৪ জন কৰ্ম্মচাৰী কামৰ পৰা খেদাইছিল। আৰু এইটো কৰিছিল মালিক পক্ষই। এই আন্দোলনত প্ৰথমে ৬।৫।৭৮ তাৰিখে গ্ৰেপ্তাৰ কৰিলে ৪ জনক, ১৭।৫।৭৮ গ্ৰেপ্তাৰ কৰিলে ৪৩ জনক আৰু ১৮।৫।৭৮ তাৰিখে গ্ৰেপ্তাৰ কৰিলে ১৬ জনক। ইয়াৰোপৰি বিভিন্ন চাহ বাগান সমূহত শ্ৰমিক শ্ৰেণীৰ ওপৰত অত্যাচাৰ চলিছে তেওঁলোকক দিচমিচ কৰিছে আৰু কামৰ পৰা বৰ্খাস্ত কৰিছে। জনতা চৰকাৰে শ্ৰমিকক কৈছিল, আমি শ্ৰমিকৰ কল্যাণ সাধন কৰিম। আৰু আজি এই জনতা চৰকাৰে গুৱাহাটীতে ৪০ জন শ্ৰমিকক চাটাইৰ নিৰ্দ্দেশ দিলে। আমাৰ এই জনতা চৰকাৰে শৈলতন্ত্ৰী ইন্দিৰাৰ, সঞ্জয়ৰ ৫ দফীয়া আঁচনি, যি আঁচনিৰ দ্বাৰা অসমৰ বনাঞ্চলৰ পৰ কৃষকক উচ্ছেদ কৰাৰ নিৰ্দ্দেশ দিছিল, আজি আমাৰ জনতা চৰকাৰে সঞ্জয় গান্ধীৰ বিৰোধীতা নকৰি বনাঞ্চলত উচ্ছেদ কৰা কৃষক সকলৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা নাই। আজি আমাৰ এই চৰকাৰ শ্ৰমিকৰ বিৰুদ্ধে গল, কৃষকৰ বিৰুদ্ধে গল। জনতা চৰকাৰৰ দিনত বস্তুৰ মূল্য বৃদ্ধি হৈছে নিমখৰ দাম বঢ়াইছে এইধৰণে জনসাধাৰণৰ ওপৰত অত্যাচাৰ চলোৱা হৈছে।

উপাধ্যক্ষ মহোদয় আজিৰ এই পৰিস্থিতি মই বাজেটৰ বিষয়ে অলপমান কম। পোন প্ৰথম বাৰৰ বাবে অসমত অতি দুখীয়া জনসাধাৰণৰ ১০ বিঘা কম মাটি থকা লোক সকল খাজনা ৰেহাই দি প্ৰায় ৭০ লাখ টকা পাটি স্বীকাৰ কৰাত ধন্যবাদ জনাইছো। এই দৰিদ্ৰ জনসাধাৰণৰ কাৰণে ৩০ বছৰ জুৰি কংগ্ৰেছ চৰকাৰে চিন্তা কৰা নাছিল। আজি আমাৰ জনতা চৰকাৰে চিন্তা কৰি ৭০ লাখ টকা ৰেহাই দিছে। আৰু ২ কোটি ৪৭ লাখ টকাৰ চাৰ্জ্জ চিট ৰেহাই দিয়া হৈছে। এইটো কৰাৰ কাৰণে ১০ বিঘাৰ ওপৰৰ লোক সকলেও ৰাজহৰ পৰা ৰেহাই পাইছে আৰু তুলসীৰ লগতে কলপটুৱাৰ মুক্তি হৈছে। কাৰণ তেওঁলোকৰ চিলিং আইনৰ সীমা নোপোৱাৰ কাৰণেই চাৰ্জ্জ আদায় কৰা বন্ধ কৰিছে।

অসমত জমিদাৰ শব্দ্য হোৱা নাই। চিলিং আইন আপোনালোকে কৰি আছে। এতিয়া ফলত ১০ বিঘা মাটি থকা মানুহও ৰেহাই পাইছে ১২ বিঘাইও পাইছে, গতিকে এইদৰে বহুত মাটি থকা মালিককো সমানে সুবিধা দিয়া হৈছে। আজি শ্ৰমিক, কৰ্মচাৰী সকলেও ইনকাম টেক্স আৰু হাইস্কুল, প্ৰাইমেৰী স্কুলৰ শিক্ষক আৰু কৰ্মচাৰী সকলেও টেক্স দিব লগা হৈছে। কিন্তু বাজেটত দেখুৱা হৈছে যে, টেক্স আদায় কমি গৈছে।

"The revenue receipts have been steadily increasing. The total receipt in 1978-79 (Budget Estimate) stands at Rs. 284.4 crores as against Rs. 115.5 crores in 1973-74. The proportion of tax revenue to total net revenue comes down from 52 per cent in 1973-74 to 42 per cent in 1978-79. The proportionate share of Grants-in-aid from Government of India has risen only marginally. The share of Central taxes which represented 44 per cent of total tax revenue in 1973-74 has decreased to 42 per cent in 1978-79."

মই আন এঠাইত পাইছো, কত পাইছোএতিয়া নকও—

"The tax revenues of the Government of India, according to the 1977-78 Budget Estimates, amounted to Rs. 9.021 crores, out of which Rs, 1.102 crores were to be available to the States in terms of the award of the last Finance Commission; this comes to only about 20 per cent. Out of the total revenue receipts of Rs. 11,356 crores of the Central Government, only Rs. 3,643 crores or barely one-third were to be transferred to the States in the shape of the States share of Central tax revenue, grants-in-aid to States and Central assistance for Plan and other Schemes. Out of the total receipts of Central Government amounting to Rs. 17.298 crores (both revenue and capital receipts), the next transfer to States according to the Budget Estimates of 1977-78 would be of the order of Rs. 4,482 crores only, i.e. 25 per cent." কাৰ হাত শক্তিশালী হৈছে এইটো বিচাৰ কৰি চাওক। এই বাজেটত কৰ কমি আহিছে শতকৰা ১০ ভাগ। কিন্তু কৰ্মচাৰীৰ কাৰণে কমা নাই।

অসমৰ কথা সৰ্বকিয়া, দিল্লীৰ বাদচাহ সকলে কেতিয়াও অসমৰ কথা চিন্তা নকৰে বা কৰিব নোৱাৰে। অসমৰ মানুহেই অসমৰঅৱস্হা উন্নত কৰিবৰ কাৰণে চিন্তা কৰিব। কিন্তু চৰকাৰে কি কৰিছে? আজি জনতা চৰকাৰে কৈছে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰ সমূহক বহুতো উন্নত পথত আগবঢ়াই লৈ গৈছে। কেনেকৈ লৈ গৈছে? কেন্দ্ৰই বছৰি বছৰি কৰ কমাই কমাই আছে। আমাৰ পক্ষৰ পৰা কৈছো যে কৰৰ ক্ষেত্ৰত যি বৈষম্য ঘটিছে সেইটোৰ ক্ষেত্ৰত আমাৰ চৰকাৰে দাবী জনাব লাগে। কৰৰ ব্যৱস্থা পুণৰ সংস্কাৰৰ কাৰণে দাবী জনাব লাগে। আজি জনতা চৰকাৰ কেন্দ্ৰীয় চৰকাৰৰ বহতীয়াহৈ নাথাকি অসমৰ জনসাধাৰণৰ স্বাৰ্থ কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিগোচৰ কৰিবলৈ বাধ্য কৰাওক যাতে কৰৰ নীতি পৰিবৰ্ত্তন কৰি ৰাজ্য সমূহলৈ প্ৰত্যেক বছৰে কৰৰ অংশ কমকৈ দিয়াৰ কাৰ্য্যবিলাক বন্ধ কৰে। আমি পোৱা কৰৰ দুটা ভাগ কৰি তাকৰ কৰি ৰাখিছে — এটা হৈছে কৰপোৰেচন টেক্স, চাৰচাৰ্জ। ইয়াৰ অংশ আমি নাপাওঁ। ৰেল ভাৰাৰ ক্ষেত্ৰত কি হৈছে? ৰাজ্যবিলাকৰ ক্ষেত্ৰত কৰৰ নীতি কি চাওক কেন্দ্ৰই আমাক শতকৰা ২৫ ভাগ মাত্ৰ কৰ দিছে। আমাক মানে ৰাজ্য সমূহক। এনেকৈ দিয়াৰ ফলত ৰাজ্য সমূহত জনমূৰিখৰচ কিমান? চাওক এতিয়া। For development it is 84 in Assam and for non-development, it is 44. কিন্তু অসমতকৈ বহুগুণে উন্নত মহাৰাষ্ট্ৰত চাওক In maharashtra for development it is 129. and for non-development, it is 80. In Bengal for development, it is 84 মই কৈছো ৰাজ্যসমূহক শক্তিশালী কৰিব লাগে। সমগ্ৰ ভাৰতবৰ্ষৰ উন্নতিৰ কথা আমি কওঁ। কিন্তু কাৰ্য্য ক্ষেত্ৰত আমি পাওঁ কিমান। অসমত যিদৰে দিছে পশ্চিমবঙ্গতো ঠিক একেই একেই দিছে ৮৪, কিন্তু মহাৰাষ্ট্ৰ উন্নত দেশ, দিছে ১২৯। এই বৈষম্য বিলাক আহিছে। ইয়াৰ বিৰোধে আজি আমি কৈছো যে এই কৰ নীতি পৰিবৰ্ত্তন কৰিব লাগিব আৰু জনমূৰি আয় — — — — — — — —

মিঃ স্পীকাৰ ঃ— (সময়ৰ সংকেট) আপোনালোকৰ পাৰ্টিৰ কাৰণে ১৫ মিনিট বেছিকৈ দিয়া হৈছে।

শ্ৰীহেমেন দাস ঃ— চৰকাৰক নকৈ কৈছো কিছুমান সমস্যা যেনে নিবনুৱা সমস্যা সমাধান কৰাৰ ব্যৱস্থা লব লাগে। কৃষকক ন্যায্য মূল্য দিয়াব ব্যৱস্থা কৰিব লাগে। Per capta Revenue receipt in Assam 155·7 আৰু ৰেভিনিউ এক্সপেন্দিচাৰ হৈছে ১৩৬.৭। চৰকাৰে মুখত কৈছে জনসাধাৰণৰ অৱস্থা উন্নত কৰিব লাগে, বাজেটত দেখুৱাইছে জনমুৰি খৰচ কমাই দিয়া হৈছে। জনমুৰি খৰচ কমাই দেশৰ উন্নতি কেনেকৈ কৰিব খুজিছে আমি বুজি পোৱা নাই। আমাৰ বাজেটত ঘাটি দেখুৱা হৈছে, মই ভাবোঁ ঘাটি নহব বাহিহে হব। ইয়াৰ পৰা যি আয় আৰু ব্যয় হৈছে তাৰ পৰা অনুমান কৰিব পাৰি যে আয় বাঢ়ি গৈছে ১৯৭৩-৭৪ চনত ৰেভিনিউ আয় আছিল ১১৪২৪.৭১ আৰু ব্যয় আছিল ১৫১৫৯·৩৩। তাৰ পিচত ১৯৭৪-৭৫ চনত আয় আছিল—১৬৯৬৯·৫১ আৰু ব্যয় আছিল—১৫৬৪৪·৯৮ আৰু সেইদৰে ১৯৭৫-৭৬ চনত আয় আছিল ২০২০০.৭৭ আৰু ব্যয় আছিল—১৭৯৩২·৯৫, ১৯৭৬-৭৭ চনত আয় আছিল ২০৫৮৩.৩৭ আৰু ব্যয় আছিল—১৯৯৪৪·৫১ (২১৬৮৪.২৬) (১৯২৪৬·২৪), ১৯৭৭-৭৮ ত আয় আছিল ২৩২৫১.১২ আৰু ব্যয় আছিল ২১১৪৭.৪১ (২৩৮৮৬·৯০), (২৯৩৪১·৪৯) আয় আৰু ব্যয় হিচাব কৰি দেখা গৈছে প্ৰত্যেক বাৰ আয় বাঢ়ি গৈছে কিন্তু বাজেটত দেখুৱাইছে ঘাটি, তাৰ অৰ্থ কি? ফলত শ্ৰমিক সকলে আন্দোলন কৰিব যেতিয়া তেতিয়া কব টকা নাই। এইটো দেখুৱাবৰ কাৰণে আগৰে পৰা কৌশল কৰি আছিছে, ইয়াৰ অৰ্থ কি? ইয়াৰ অৰ্থ হৈছে জনসাধাৰণক ঠগা, যাতে আমাৰ হাতত টকা নাই বুলি কব পাৰে। আমি আশা কৰোঁ চৰকাৰে এইবিলাক ব্যৱস্থা দূৰ কৰি আগবাঢ়ি আহিব আৰু জনসাধাৰণক ভয় নকৰিবাজেটৰ প্ৰকৃত অৱস্থাটো দাঙি ধৰিব।

*Shri BILTON G. MOMIN—Mr Speaker, Sir. I would like to congratulate the Finance Minister for the Budget introduced in this aug House, for 1978-79 and would like to participate in the discussion, particularly in relation to the Hills District, Sixth Schedule Part I Areas.

It is a matter of pride that 1st Non-Congress Government which was set up by the people, removing the 30 years of monopoly Congress rule in the State of Assam, had taken up various policies in the light of the policies of the Janata Party Government in the Centre...

It is stated in the Budget that Integrated Develoment Programmes are being taken up in the Karbi Anglong District during 1978-79. Under these schemes, I believe, agriculture should play a vital role in Karbi Anglong District. Since inception of the District many forms of Agricultural schemes were taken up in the District but now time has come to recollect those, whether the quantum of money spent during last 25 years had actually come for the benefits of the Hill people. Many composite schemes were taken up in different parts of the District since last 3 years, spending crores of money, but it is a matter of great regret that while those Composite schemes were taken up, proper survey was not done, As a result most of these schemes had completely failed for want of some basic needs, like irrigation facilities

*Speech not corrected

and communications. These schemes are now abandoned without producing any economic regeneration. Sir, the reason was best known to the previous Government as well as District Council authority who was primarily responsible for haphazard implementation. Lakhs of rupees were spent for reclamation of land, providing agricultural inputs, but no follow up action was taken up by the then authority concerned to make the scheme success. The expenditure of money (Hon. Speakar left the chamber and the Dy. Speaker occupied the chair) shown for reclamation of land was Rs. 1500.00 or more per bigha, where if properly and sincerely executed it could have been done with the less expenditure of Rs. 500.00 only per bigha. As for instance, at Bijuli Composite Scheme, where lakhs of rupees was spent without beneficial to the poor tribal people who are passing their hard days with half-bread. Tribal people living in interior parts of Karbi Anglong District need proper motivational works for participation with different developmental agencies. So I believe, that the new Janata Government will put serious thinking as to how motivational works could be taken up to make the integrated scheme a success.

As regards Agricultural schemes, I would like to point out some problems so far food production programme Karbi Anglong District is concerned. Needless to mention, Sir, that the land of Karbi Anglong District is very fertile than other places. As such, schemes are to be taken up in such a manner as these can bring enthusism among cultivators. The cultivators doing cultivation need sufficient and effective irrigation facilities, timely supply of seeds and timely assured plant protection measures with effective extension services. The irrigation facilities provided for the cultivators in Karbi Anglong District are very negligible. So, I would urge the present Government to provide better irrigation facilities, as there are ample scopes for minor irrigation, medium irrigation and power lift irrigation projects. The high yielding veriety programme as being practised should be implemented in an extensive manner involving more participation and to make all schemes realistic with the local circumstances.

It is very sad to mention that Kharoni mechanised Farm being the largest Farm in the State spending lakhs of rupees becoms nothing but a show room. The District Council authority has allotted enough plot of land as desired by the Department and at the same time, the Government has spent lakhs of rupees for more food production to improve the economic condition of the Tribal people of the District and State of Assam. I regret to say that the outturn of the Farm is always zero. I would like to suggest that Farm should be placed in charge of a responsible higher officer and step should also be taken up to make it more productive Farm. The advisory Committee should be made more effective to make the Farm profit earning organisation. Sir, it is also stated in the Budget that number of new schemes of Veterinary Animal Husbandry will be taken up for Hills Districts. Karbi Anglong is very much protential for Animal Husbandry programme. So far the Veterinary programmes are concerned, taken up by the previous Government I would say that entire programmes were failed and lakhs of public money spent against those programmes were simply westage. One instance, Sir, Diphu Sheep Farm, which was established before 15 years ago, as being the largest sheep farms in the State involving lakhs of rupees, has completely failed, without producing any

sheep or earning any profit out of the farm. So I would like to suggest and urge the present Government to re-organise and also enquire into the affairs of the Farm and district as a whole.

Sir, the supply of drinking water is also a major problem in the Karbi Anglong District. Since 2nd Five year Plan, the Public Health Engineering Department has undertaken schemes for supply of drinking water both in the urban and rural areas, but no successful result is found till today. Not to speak of rural areas, even Diphu Water Supply cannot yet give successful water supply. Sir, as I have said once in the last Governor's Address that 3 ring-wells were allotted to a particular village in my Bokajan Constituency, which even after 3 years those 3 ring-wells have not yet been completed till today. Complaints have been made hundred times but no action was taken to complete those ring-wells. I believe, the bills have been paid to the contractor. Such many cases will be found in Karbi Anglong District, if sincerely enquired into. So, I take this opportunity once again to urge the present Goverment to take up the whole schemes and bring effective results so that the simple poor population of the District will not be deprived of getting pure and hygenic drinking water.

Sir, education was very late in its entrance into this district. During British rule, practically there was no school except negligible very few L. P. Schools. So. the light of literacy was in the caves of ignorance. However, it is very easy to blame about the steps taken in pre independence days. But time has also come to recount as to how far the previous Government for the last 30 years could improve the problems of education in the Hill Districts. It is the common feeling of the people that due to negligent and unfarsighted policy of the previous Government the education could not be spread out to the rural masses. As a result, literary rate of Karbi Anglong. District is 19.17% only which is the lowest in the State or say in the whole North Eastern Region. Primary education is the basic need of the District but the go-slow policy of the previous Government could not bring a sense of participation among the rural masses for education. There are natural handicaps which are to be removed. Financial Grant should be adequately provided, basic amenities with better facilities should also be provided to the poor tribal children and the teachers serving in the interior places. The problems of financial dues of the teachers and Re service security are left unsolved by the provious Government, as a result, the Primary teachers of Karbi Anglong district have given an ultimatum to start agitation and strike from 15th June 1978 onwards till their legitimate demands are fulfilled. So, I would urge the present Government that these unsolved matters are immediately settled up for the justice of their demands and good atmosphere in the district. There are few Government and Government Aided ME and H. E Schools in Karbi Anglong district but the performances of these schools are very poor. Those schools are running without proper school buildings. The financial grants to those schools are too poor to meet the basic needs and other amenities of the School managements. There is only one Government Arts College at Diphu running without College building and Hostels for both girls and boys since the inception of the College, and there is no science classes though this is only the Government college in the district.

Sir, the Karbi Anglong district has long suffered due to the absence of proper medical facilities and health services. The problem was much more acute in rural hill areas where the incidence of veri ous diseases including leprosy has been quite high. The Karbi Anglong district is the highest rates of leprosy victime in the whole country. I regret to say that the Government has so long neglected to improve the condition of the leprosy-sufferers in Karbi Anglong district during the last 30 years. So I would urge the Government to open more leprosy hospitals and centres at different areas to remove the unfortunate leprosy diseases from the Karbi Anglong district. There are few State Public Health Centres in the District but those centres are not well maintained. There is no doctor in some interior centres and no medicines in all the centres including Diphu Civil Hospital except giving prescription, beyond the purchasing capacity of the poor people. Sir, in my speech on this budget discussion, I would like to add that the problems of the Karbi Anglong district are human problems. So new devices should be adopted to motived people for all devolopmental schemes, engaging some dedicated and missionary like spirited officials who would look into follow-up action of verious schemes implemented. Such approach only would help in educating the people for all productive purposes and thus inferiority feellings of the tribal people in the Hills wou'd be removed, so that the sense of national equality would march along with the rest of the State in particular and country in general.

উপাধ্যক্ষ মহোদয়, যোৱা ২৪ তাৰিখে মাননীয় সদস্য শ্ৰীবংপী ডাঙৰীয়াই যি বক্তৃতা দিছিল সেই সম্পৰ্কত দুষাৰ মান কবলৈ আগবাঢ়িছো। মাননীয় সদস্য শ্ৰীবংপী ডাঙৰীয়াই এটা কথা কৈছিল যে কাৰ্বি আংলংত কংগ্ৰেছ আৰু জনতা কুকুৰ গাহৰিৰ নিৰ্চিনা। মই নিজে কাৰ্বি আংলংত কংগ্ৰেছক গাহৰিৰ নিৰ্চিনা বুলি কোৱা কথাটো স্বীকাৰ নকৰে। জনতা পাৰ্টিৰ কুকুৰ নিৰ্চিনা নাম লব খোজা নাই যিটো শ্ৰীবংপী ডাঙৰীয়াই কৈছিল। কাৰ্বিআংলং জিলাত কোন কোন ক্ষেত্ৰত উন্নতি সাধন হৈছে তাৰ দুটা উদাহৰণ দিব খুজিছো। যোৱা বাৰ হৰিয়াজানত কম্পজিত স্কিম লৈছিল আৰু শ্ৰীশৰত সিংহ ডাঙৰীয়াই তাত খানাও খালে। অতি দুখৰ বিষয় তাত টিলা এটাও আজিলৈকে কটা নাই। কোনোবা মাননীয় সদস্য মোৰ লগত ওলালে তাৰ কি অৱস্থা হৈছে দেখুৱাই দিব পাৰো। লক্ষীজান প্ৰজেক্টত ৪৬ লাখ টকা খৰচ কৰিছে। তাত জংঘলকে কটা নাই। কুকুৰ এটা লৰি ফৰিবৰ জাগা নাই। শ্ৰীবংপী ডাঙৰীয়াই কোৱাৰ দৰে মই কুকুৰ নাম লব খোজা কেনেকৈ জনসংখ্যা বাঢ়িছে তাৰ বাবে শ্ৰীবংপী ডাঙৰীয়া নিজে দায়ী।

উপাধ্যক্ষ মহোদয়, মোক অলপ সময় দিলে ভাল হয়। এটা কথা কৈছে যে বাহিৰৰ পৰা মানুহ অহাৰ কাৰণে কাৰ্বিআংলঙে পৃথক ৰাজ্যৰ দাবী কৰাৰ চেষ্টা কৰিছে। মই এই কথাটোত একমত নহয়। ১৯৭৫ চনত কাৰ্বিআংলংত জনসংখ্যা এক লাখ ৭৫ হাজাৰ আছিল। ট্ৰাইবেল মানুহৰ জন্মৰ হাৰ বেচি নহয়। এই জন্মৰ হাৰ বেচি নোহোৱাৰ কাৰণে পৰিয়াল কল্যাণ কেন্দ্ৰটো মঙ্গলদৈলৈ উঠাই লৈ গৈছে। ১৯৭৮ চনত জনসংখ্যা হৈছে মাত্ৰ চাৰি লাখ। শ্ৰীবংপী ডাঙৰীয়া ১১ বছৰ চি, ই, এম হৈ আছিল, তেখেত নিজে কেনেকৈ জনসংখ্যা বাঢ়িছে। তাৰ বাবে শ্ৰীবংপী ডাঙৰীয়া নিজে দায়ী

১৯৬২ চনৰ পৰা ১৯৭৩ চনলৈকে শ্ৰীবংপী ডাঙৰীয়া চি, ই, এম হৈ আছিল। ডিষ্ট্ৰিক কাউন্সিলৰ লেণ্ড পলিচি আছে। তাৰ পিচত ট্ৰাইবেল সকলৰ ৰক্ষণাবেক্ষণৰ কাৰণে ৬ষ্ঠ অনুচ্ছেদ আছে। নেতা বিলাকৰ কাৰণে তাত জনসংখ্যা বাঢ়িছে। ৬ষ্ঠ অনুচ্ছেদত হিলচ

ট্ৰাইবেলৰ লিষ্ট আছে। কাৰ্বিআংলংত ডিমাচা আছে, গাৰো আছে, নগা আছে, কুকী আছে। ৰাতি আঠ বজাত দৰ্খাস্ত কৰিলে ৰাতিপুৱা আঠ বজাত পট্টা পায়। কিন্তু ডিমাচা কছাৰীয়ে এখনো পট্টা পোৱা নাই। গাৰো, কুকীয়ে পট্টা পোৱা নাই। আনকি আমাৰ শ্ৰীটিমং ডাঙৰীয়াক এডিকচন নটিচ দিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি মানুহে ৮ বিঘা আৰু ১০ বিঘা কৰি মাটি পাইছে কিন্তু মোৰ ঘৰৰ ওচৰতে দিমাছা কছাৰী বিলাকে এজনেও পট্টা পোৱা নাই। গাৰো বিলাকে কুকি বিলাকে কোনেও মাটিৰ পট্টা পোৱা নাই। আমাৰ মন্ত্ৰী মহোদয় টিমুং ডাঙৰীয়াইও মাটিৰ পট্টা পোৱা নাই। উপাধ্যক্ষ মহোদয়, তাত বিৰলা কোম্পানীৰ মেনেজাৰ এজনে এক সপ্তাহত ৮ বিঘা মাটি পালে আৰু পিচৰ সপ্তাহত ৫ বিঘা মাটিৰ চেটেলমেন্ত পালে। মুঠতে দুই সপ্তাহৰ ভিতৰত ১৩ বিঘা মাটিৰ চেটেলমেণ্ট পালে। ডাইৰেক্টৰৰ বিৰলা কোম্পানীৰ দিল্লীত থাকে মাত্ৰ এবাৰ আমাৰ তালৈ চাবলৈ আহিছিল। আৰু চিফ মিনিণ্টাৰৰ ওচৰত গৈ মাটি বিচাৰি ৫ বিঘা মাটি পাইছে। তেওঁ থাকে দিল্লীত অথচ তেওঁ ইয়াতে মাটি লৈছে। ১৯৫১ চনৰ পৰাই এইদৰে মাটি পাই আছে। আমাৰ ট্ৰাইবেল পপুলেচন বঢ়া নাই। আমি জন্মও দিয়া নাই। এই কাৰণেই আমি নকও যে, আমাৰ আউট চাইদাৰৰ পৰা পপুলেচন বাঢ়ি গৈছে। আজি আমাৰ চিক্স চিদিউল হৈছে। আমাৰ চেফ গাৰ্দৰ কাৰণেই এইটো কৰা হৈছে। আজি ট্ৰাইবেলক মাটি দিয়াৰ সলনি আন মানুহকহে মাটি দিয়া হৈছে। মইও এজন নিৰ্ব্বাচিত জনতা পাৰ্টিৰ সদস্য। আমাৰ প্ৰধান মন্ত্ৰী অলপতে যেতিয়া শিলঙলৈ আহিছিল, তেতিয়া তেখেতে কৈছিল যে, I feet that the political aspiration of the tribal peaple

এইটো কাৰণেই আজি মেঘালয় বেলেগ হল,অৰুনাচল বেলেগ হল, মণিপুৰ বেলেগ হল, ত্ৰিপুৰাও বেলেগ হল, মিজোৰামো আমাৰ পৰা আঁতৰি গল, আমি আগৰ পৰাই অসমৰ লগতে থাকিম বুলি কৈ আহিছো। আমাৰ আগৰ কংগ্ৰেছ চৰকাৰ থাকোতেও মুখ্যমন্ত্ৰী শৰত সিংহ ডাঙৰীয়াৰ পৰা বহুতো সুবিধা পাইছিলো। আমাৰ উন্নতিৰ কাৰণে বহুতো সহায় কৰিছিল। আমাক সকলো সুবিধা দিয়াৰ কথা কৈছিল, ৰাজনৈতিক সুবিধাও দিয়াৰ কথা কৈছিল। উন্নয়নৰ কাৰণে টকা দিম আদি না না কথা কৈছিল। সেইকাৰণেই আমি অসমৰ লগতে আছো। এতিয়া আমাৰ জনতা চৰকাৰ হৈছে আমি আগতে পোৱা সুবিধাও নোপোৱা হলো। লাহে লাহে আমাক নেগলেক্ট কৰিব ধৰিছে। আমাৰ দিষ্টিকটত সেই ভাবেই ৰাইজৰ মনলৈ আহিছে। আমাৰ লৰা ছোৱালী বিলাকে আজি পৰ্য্যন্ত স্কুলাৰচিপ পোৱা নাই। ষ্টাইপেন্দ বন্ধ হৈ আছে। আনহাতে মিজোৰাম, অৰুনাচল,মেঘালয় আদিৰ লৰা ছোৱালীয়ে সেই টকা পালে। আমাৰ বিলাকে পোৱা নাই। মোলৈ কেইজনমান লৰাই চিঠি লিখিছে যে, কিয় তেওঁৰ লোকে এই ষ্টাইপেন্দৰ টকা পোৱা নাই। কাৰণ এই ষ্টাই-পেন্দৰ টকা এটা ইন্টলমেন্ট পায়, ডিচেম্বৰ মাহত আৰু আনটো পায়, ১ মাৰ্চত। এইটো কেন্দ্ৰীয় চৰকাৰৰ টকা। কিন্তু এই টকা বিলাক কিয় আটাইবিলাক ৰাজ্যই একে সময়তে কিয় পোৱা নাই। ? এই সকলো টকা ৩১ মাৰ্চ মাহতে দ্ৰ কৰে। তাৰ পিচত এই টকা কলৈ যায়, কি কৰে ? আমিও ইকুৱেল নেচনেলিটি হিচাবে আছো। গতিকে সকলো ক্ষেত্ৰতে আমাক সমানে ব্যৱহাৰ কৰিব লাগে। আমাৰ মানুহবিলাক অতি পিচপৰা। ৰাস্তা দেখা নাই, গাড়ী দেখা নাই। গাড়ী গলে মানুহ বিলাক জংঘলত পলায়। টাউনলৈ আহিব নিবি-চাৰে। গতিকে আমাক নিজৰ ভাইৰ দৰে ব্যৱহাৰ কৰিব লাগে। একেটা পৰিয়ালত যদি তিনিটা ককাই ভাই থাকে আৰু যদি তাৰ ভিতৰত দুজন শিক্ষাৰ ফালৰ পৰা আৰু সকলো ফালৰ পৰা উন্নত হয়, আনজন যদি পিচপৰা হয়, তেতিয়া হলে তেওঁক ভাল ধৰণে চাব লাগে। গতিকে আমাক সকলো ফালৰ পৰা সমানে ব্যৱহাৰ কৰিব লাগে। আমাক নিজৰ ভাই ককাইৰ নিচিনা ভাবি আমাক অসম চৰকাৰে মৰমৰ চকুৰে চাব লাগে।

শ্ৰীনগেন শৰ্ম্মা :— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ নতুন চৰকাৰৰ বিত্তমন্ত্ৰী শ্ৰীকেশৱ গগৈ ডাঙৰীয়াই সদনত যি বাজেট উত্থাপন কৰিছে সেই বাজেটৰ বাবে তেখেতক মই ধন্যবাদ জনাইছো। আৰু এই বাজেটৰ সমৰ্থনত মই মোৰ কথাৰে অংশ গ্ৰহণ কৰিব খুজিছো। এই সম্পৰ্কে বহুতো আলোচনা ইতিমধ্যে হৈ গৈছে। বিশেষকৈ আমাৰ বিত্তমন্ত্ৰী মহোদয়ে লিখিছে যে, আমি সময় নোপোৱাৰ বাবে আমাৰ জনতা পাৰ্টিৰ যি কাৰ্যসূচী আছিল, জনতা পাৰ্টিৰ যি আদৰ্শ আছিল, সেই অনুযায়ী বাজেটখন আমি গঢ় দিব নোৱাৰিলো। আৰু আমি আশা কৰিছো যে, ভৱিষ্যতে গঢ় দিব পাৰিম। কিন্তু এইটো কথা ঠিক সচাঁ নহয় যে, এই বাজেট আমাৰ জনতা চৰকাৰৰ যি আদৰ্শ সি একেবাৰে প্ৰতিফলিত হোৱা নাই।

অৱশ্যে মই এই ক্ষেত্ৰত আমাৰ বিৰোধী দলৰ সদস্যই আগবঢ়োৱা কথাহে উনুকিয়াব খুজিছো। মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই ৰাজ্যখনত কৰ আদায়ৰ কামৰ কথা কৈছে যে, সেই কৰ যিমান পাবলগীয়া আছিল সেইটো সেইপৰিমাণে আদায় কৰিব পৰা নাই। তেখেতৰ কথাৰ লগত মইও একমত আৰু এইটো কথাও থিক যে, আগৰ চৰকাৰে কৰদাতা সকলক বিভিন্ন ধৰণে প্ৰশ্ৰয় দিছিল আৰু সেইবাবেই কৰ আদায়ৰ পৰিমাণো কমি গৈছে। আমি এই কথাটো সকলোৱে জানো যে, ভাৰতবৰ্ষৰ ভিতৰতে অসম এখন পুঁজিবাদী সকলৰ উপনিবেশ। তেখেত সকলৰ পৰা যি বোৰ কৰ কাটল আমি পাবলাগে সেইবোৰ নেপাও। বিভিন্ন ভাৱে সেইসকল লোকে কৰ ফাঁকি দি আহিছে। এইটো বৰ্ত্তমান চৰকাৰৰ দিনতো হৈয়েই আছে। ইতিমধ্যেই আমাৰ মানুহৰ মাজত সৰ্ব্বজনবিদিত হৈ আছে যে, এই ব্যৱসায়ী বিলাকে এক নম্বৰ, দুই নম্বৰ, তিনি নম্বৰৰ খাটা আদি মেইনটেইন কৰি থাকে আৰু তাৰ জৰিয়তে কৰ ফাঁকি দি থাকে। গতিকেই মই এই ক্ষেত্ৰতে আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াৰ লগতে আমাৰ মাননীয় বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ জনাব খুজিছোঁ যে, ব্যৱসায়ী সকলৰ পৰা যাতে এই অনাদায়ী কৰ বিলাক আদায় কৰিবৰ কাৰণে চেষ্টা কৰে। পূৰ্ব্বৰ কেইবাজনো মাননীয় সদস্যই তেখেত সকলৰ বক্তৃতাত বিভিন্ন কোম্পানীয়ে কেনেকৈ লোকচান কৰিছে সেই বিষয়ে কৈছে মাননীয় সদস্য শ্ৰীবেজবৰুৱা ডাঙৰীয়াইও এই সম্পৰ্কত কৈছে। চাহশিল্পৰ পৰা যিমান খিনি কৰ পাবলগীয়া সেই খিনিও আমি নেপাঁও। অসমত যিমান চাহ উৎপন্ন হয় তাৰ শতকৰা ৩০ ভাগ অসমৰ বজাৰত নিলামত নামে, কুৰি ভাগ শিলিগুৰিলৈ যায় আৰু শতকৰা পঞ্চাছ ভাগ কলিকতালৈ যায়। আশাকৰিছো, অসমৰ এই চাহশিল্পৰ পৰাও যাতে পাবলগীয়া খিনি পাই এই ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়ণ সাধিব পৰা যায় তাৰ কাৰণে চৰকাৰে দিহা কৰিব। এই সম্পৰ্কত মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই যি উক্তি কৰিছে তাৰ কাৰণে তেখেতক মই ধন্যবাদ জনাইছোঁ। কিন্তু এই খিনিতেই মই কওঁ যে, তেখেতে জনতা চৰকাৰৰ দিনত শ্ৰমিক বিৰোধী নীতি লোৱা বুলি যিটো কথা কৈছে, সেইটোৰ লগতহে মই একমত হব নোৱাৰিলোঁ। এইটো কথা সচাঁ যে, জনতা চৰকাৰৰ দিনত কম দিনৰ ভিতৰতে যদি শ্ৰমিক সংগঠনটো যদি ভালদৰে কৰিব পৰা যায় তেতিয়া হলে, এই ক্ষেত্ৰত থকা অসুবিধা বিলাক আঁতৰ কৰিব পৰা যাব। কিন্তু এইটোও থিক যে, পশ্চিমবঙ্গতো ধৰ্ম্মঘট আদি চলি আছিল। ধৰ্ম্মঘটকাৰী মজদুৰৰ ওপৰত লাঠিচাৰ্জ হৈছে। জনতা দলৰ এম,এল,এও তাত গ্ৰেপ্তাৰ হৈছে। শ্ৰমিক চাতাই হোৱাৰ কাৰণেও বিক্ষোভৰ সৃষ্টি হৈছে। হয়তো বাধ্যতামূলক ভাৱে চৰকাৰে কিছুমান কাম কৰিবলগীয়া হৈছে। আগৰ পৰিস্থিতিক থিক মতে জুকিয়াই লব নোৱাৰাৰ কাৰণেই এইটো হবলৈ পাইছে। মিউনিচিপেল দপ্তৰৰ মন্ত্ৰী প্ৰশান্ত সুতে কি কৈছে শুনক Strike by the Municipal emplayees of Calcutta and Howrah shall not be tolerated. কি পৰিস্থিতিৰ সম্মুখীন হৈ এইখিনি কব-লগীয়া হৈছে সেইটো আমি স্পষ্টভাৱে নেজানো। অসম ৰাজ্যত বনুৱা চাতাই সম্পৰ্কত চৰকাৰে পৰিস্থিতিটো অনুসন্ধান কৰিব পৰা নাই। সেইকাৰণেই আশু সমাধানৰ পথ

উলিয়াবপৰা নাই। আশাকৰো আমাৰ চৰকাৰে শ্ৰমিক বিৰোধী, কৃষক বিৰোধী নীতি নিশ্চয় গ্ৰহণ নকৰিব। অন্ততঃ শ্ৰমিক আৰু কৃষক সকলক লৈ জনতা চৰকাৰে নীতি নিৰ্দ্ধাৰণ কৰিব। বিশেষকৈ এইক্ষেত্ৰত বিৰুদ্ধী পক্ষৰ সদস্য সকলে সহায় সহযোগ আগবঢ়াব বুলি আমি আশা কৰিছোঁ। নীতিৰ সম্পৰ্কত আমাৰ মাননীয় বিত্তমন্ত্ৰী মহোদয়ে বাজেট বক্তৃতাৰ ছয় পৃষ্ঠাত কৈছে The basic objects of the new industrial policy enunciated by the Janata Government in the Centre are to widen the industrial base and utilitse he immenseman power resources of the country. 'মেন পাৱাৰ ৰিচৰ্ছেছ অব্ দি কাণ্ট্ৰি'ৰ ক্ষেত্ৰত অলপ বিশ্লেষণ দিব খুজিছোঁ। নতুন চৰকাৰে ব্যৱহাৰ কৰা দুটা শব্দৰ জৰিয়তে এই চৰকাৰৰ বৈশিষ্ট ফুটি উঠিছে। আগৰ ছয়বছৰৰ বাজেট বক্তৃতা পঢ়ি মই এই সিদ্ধান্তলৈকেই উপনীত হৈছোঁহি যে, এই চৰকাৰৰ বাজেটত বৈশিষ্ট আছে। অন্ততঃ প্ৰথমবাৰৰ কাৰণে জনতা চৰকাৰে শ্ৰমিক আৰু শ্ৰমিক কৌশলক সম্পদ হিচাবে লৈ কাম কৰিবলৈ আগবাঢ়িছে। এইক্ষেত্ৰত আমাৰ চৰকাৰে সহযোগিতা পাব বুলি আশা কৰিছোঁ। এই ক্ষেত্ৰত মই অসমৰ ক্ষেত্ৰত দুটা উদাহৰণ দিব খুজিছোঁ। অসমত 'অৰ্গেনাইজড্ লেবাৰাৰ'ৰ অভাব। কৃষি নিবনুৱা আছে। শিল্পী আছে। শিল্পী সকলৰ পৰম্পৰাগত কৌশল বিলাক অনুধাৱন কৰা হোৱা নাই। কিন্তু পুজিবাদীৰ সংক্ৰান্তত বহুতোবিলাক শিল্পী বিফলমনোৰথ হৈছে। নতুন চৰকাৰে এই সকল লোকৰ কাৰণে ৫০৪ টা উদ্যোগ একাশৰীয়া কৰিৰাখিব খুজিছে। এইটো সচাঁকৈয়ে বৰ গুৰুত্বপূৰ্ণ কথা। উদাহৰণ স্বৰূপে অসমৰ বিভিন্ন ঠাইত বহুতো স্বৰ্ণশিল্পীয়ে গহণা গাঠি আদি কৰি নিজৰ জীৱিকা উলিয়াই আছিল। সেই সকলৰ, সেই শিল্প বিলাকৰ কৌশলক সম্পদ হিচাবে লৈ আজিলৈকে কোনো উদ্যোগ অসমত গঢ়ি উঠা নাই। উদাহৰণ স্বৰূপে মই নগাঁও জিলাৰ ৰণথলি নামৰ এখন গাঁৱৰ কথাকেই কম বুলি ভাবিছোঁ। তাত থকা এশ পাঁচ ঘৰ মানুহৰ প্ৰত্যেকেই অসমীয়া নমুনাত গহণা তৈয়াৰ কৰে। সেইবিলাক কম দামত অসমৰ বিভিন্ন ঠাইত বিক্ৰী হয়। ঢোলবিড়ি কৰিবলৈ ১·৫ ৰতি সোণ লাগে, কানফুলিৰ কাৰণে এক ৰতি সোণৰ প্ৰয়োজন হয়। অন্যান্য সমাগ্ৰীৰ ভিতৰত লাগে লা আৰু ৰূপ। অসমত এই বিলাক চলি আছে। কিন্তু এই সকলক শিল্পীৰ ওপৰত বিভিন্ন ঠাইত পুলিচে জোৰ জোলোম আদি কৰিছে। শ্ৰীতোষেশ্বৰ বণিয়া নামৰ এজন লোকক শিৱসাগৰত পুলিচে ধৰে আৰু ধোলবিড়ি দুটা, মণি ১০ টা, জাপী ফুলি তিনিজোৰ, প্ৰায় চাৰিবছৰ আগতে এই বোৰ ৰাখি ৰূপ ১০ টকা দি ঘৰলৈ পঠিয়াই দিয়ে। সেইদৰে লক্ষীধৰ বণিয়াক গুৱাহাটীত ধৰে কেছ চলি আছে। শ্ৰীসবিন্দ বণিয়াক শিৱসাগৰত দুমাহ আগতে ধৰে।

মই সুখী হৈছোঁ যে আমাৰ নতুন চৰকাৰে এই বিলাক আঁচনি হাতত লৈছে আৰু সেইবিলাক আধুনিকিকৰণ কৰাৰ কাৰণে চেষ্টা কৰিছে। সেইদৰে আমাৰ হিৰা, পাল, কমাৰ, আৰু কহাৰ আৰু ঘৰিয়াসকলৰ কথা কব বিচাৰিছো। এই লোকসকলৰ মাজত বেছি ভাগেই বিভিন্ন ধৰণৰ মাটিৰ বাচন কাহৰ পিতল আৰু আন আন সা-সামগ্ৰী তৈয়াৰ কৰে। কিন্তু আজি কালি বিভিন্ন ধৰণৰ মিডিয়াম ওলাইছে সেইবিলাক হৈছে হেণ্ডালিয়াম, প্লাষ্টিক, ষ্টেইনলেচ ষ্টীল ইত্যাদি বস্তুৰে নানা ধৰণৰ বাচন ইত্যাদি তৈয়াৰ কৰা দেখা যায়। এই মানুহ বিলাক বিভিন্ন ধৰণৰ বাচন তৈয়াৰ কৰা আৰু তেওঁলোকে সেই বাচন বৰ্তন তৈয়াৰ কৰোতে তেওঁলোকৰ পৰম্পৰাগত কলা কৌশল নিয়োগ কৰে। এই কলা কৌশল নতুন পদ্ধতিৰে লগাব পাৰিলে নিশ্চয় এই ক্ষেত্ৰত বেছি আগবাঢ়ি যাব পৰা যাব। নতুন চৰকাৰে নিশ্চয় এইবিলাক পৰীক্ষা নিৰীক্ষা কৰি সেই শিল্পী সকলক সেই কাৰ্য্য আৰু কৌশলি বিদ্যা কামত লগাই এটা পৰিকল্পনা কৰিলে তেওঁলোকৰ সেই পৰম্পৰাগত কৌশলক সম্পূৰ্ণ ব্যৱহাৰ কৰি অসমৰ অৰ্থনৈতিক দিশত উন্নতি কৰাৰ লগতে এই কলা কৌশলি ৰক্ষা কৰিব পাৰিব আৰু নিবনুৱা সমস্যাও বহুখিনি দূৰ কৰিব পাৰিব। ঠিক সেইধৰণে মই আৰু আন কেইটা মান কথা কব বিচাৰিছো যে আমাৰ কিছুমান মানুহ

আছে মাছ পোহা, গৰু, গাই, ছাগলী পোহা ইত্যাদি বিষয়ে যথেষ্ঠ জ্ঞান আছে আৰু আনকি তেওঁলোকৰ গৰু, গাহৰি বেমাৰ আজাৰ হলেও গাঁৱলীয়া ঔষধ পাতি ব্যৱহাৰ কৰি ভাল কৰিব জানে। গতিকে এইধৰণৰ লোক সকলৰ পৰাম্পৰাগত কৌশল ব্যৱহাৰ কৰাৰ কাৰণে তেওঁ লোকক উৎসাহিত কৰাৰ লগতে নতুন পৰিকল্পনা লব পাৰিলে ভাল হব। কেৱল অনুসূচীত জাতি আৰু অন্যান্য জাতিৰ নামত মাটি দিয়া ব্যৱস্থা কৰিলে তাৰ পৰা বিশেষ উপকৃত হব বুলি ভাবিব নোৱাৰি। কিয়নো মাটিৰ পৰিমাণ সীমিত। সকলোকে দিব পৰাটো সম্ভবপৰ নহয়। মই এটা উদাহৰণ দিব খোজো। তিব্বেতিয়ান সকল ভাৰতলৈ আহোতে তেওঁলোকক কেম্পট ৰাখি তেওঁলোকৰ হতুৱাই বহুতো কাম কৰাই লোৱা হৈছিল। তেওঁলোকে কাপেৰ্ট, চয়েটাৰ আৰু অন্যান্য তেনে ধৰণৰ সা-সামগ্ৰী তৈয়াৰ কৰাত পাৰ্গতি আৰু অলংকাৰ ইত্যাদি তৈয়াৰ কৰাটো পাৰ্গতি। এইসকল লোকে কেম্পট থাকি এনেবিলাক বস্তু তৈয়াৰ কৰে। সেই বস্তুৰ চাহিদা অকল ভাৰতবৰ্ষতেই নহয় পৃথিবীৰ সকলো ঠাইতে ইয়াৰ আদৰ বৰ বেছি। আৰু সেইকাৰণে আজি তিব্বতিয়ান সকলে তৈয়াৰ কৰা সা-সামগ্ৰীৰ পৰা বিদেশী মূদ্ৰা অৰ্জন কৰিব পৰা হৈছে। নতুন চৰকাৰে ৰেচম আৰু বয়ন শিল্পৰ ওপৰত বেছি গুৰুত্ব দিয়াটো মই বৰ ভাল পাইছো। পৃথিবীৰ ভিতৰতে ভাৰতবৰ্ষৰ এই অঞ্চলত যিমান প্ৰকাৰৰ পখিলা বা পলু পোৱা যায় অইন ঠাইত পাবলৈ নাই। যাৰ পৰা সূতা উলিয়াবৰ কাৰণে যথেষ্ঠ সুবিধা আছে। এই অঞ্চলত মুগা, এৰি, পাট পোহা অভ্যাসটো সকলোৰে আছে আৰু জানে। যোৱা ৩০ বছৰে এই ক্ষেত্ৰত বহু চেষ্টা কৰা হল, বহুত টকা খৰচ কৰা হল কিন্তু এই ক্ষেত্ৰত তেনেধৰণৰ এটা ইকোনোমিক ইনফ্ৰাষ্ট্ৰাকচাৰ আমাৰ ইয়াত তৈয়াৰ কৰিব পৰা নগল, যেনেকৈ মহিশূৰত কৰিব পৰা হ'ল। মহীশূৰতকৈ আমাৰ ইয়াত কোনো গুণেই কম সুবিধা নাই। মই আশা কৰিছো আমাৰ ইয়াতো সম্ভাৰাপূৰ্ণ এই সম্পদ বিলাক কাৰ্য্যত ব্যৱহাৰ কৰি তেনেধৰণৰ এটা পৰিকল্পনা হাতত ললে নতুন চৰকাৰে মহীশূৰৰ নিচিনাকৈ এটা ইনফ্ৰাষ্ট্ৰাকচাৰ তৈয়াৰ কৰিবলৈ চেষ্টা কৰিব। আমাৰ তেনেধৰণৰ এটা ঘোষিত নীতি আছে যদিও বাজেট খন দেখাত আগৰ চৰকাৰৰ নিচিনাই হৈছে কিন্তু মই সন্তুষ্ট হৈছো যে বৰ্তমান চৰকাৰে শ্ৰমিকৰ স্বাৰ্থৰ হকে বহুখিনি চিন্তা চৰ্চ্চা কৰাৰ সুবিধা ৰাখিছে। এই পৰাম্পৰাগত কলা কৌশলি বিলাক নতুন চৰকাৰৰ সহযোগত অধ্যয়ন ভিত্তিত কাৰ্য্যকৰী কৰিব পাৰিলে ৰাজ্যখনৰ উন্নতিত যে বৰঙণি যোগাব তাত সন্দেহ নাই।

নতুন চৰকাৰে তেনে ধৰণৰ কিছমান নীতি হাতত লৈ সেই নীতি বোৰ কাৰ্যকৰী কৰি শ্ৰমিক আৰু জন শক্তিৰ কামত লগাই আৰু জনশক্তিক সম্পদ হিচাবে লৈ নতুন ধৰণৰ আঁচনি প্ৰস্তুত কৰি আমাৰ ৰাজ্যখনত উদ্যোগ গঢ়ি তুলিব বুলি আশা কৰিলো ।

*শ্ৰীআবদুল লটিফ ঃ— মাননীয় অধ্যক্ষ মহোদয়, আপোনালোক সকলোৱে জানে যে, আমাৰ অসম দেশখন এখন কৃষি প্ৰধান দেশ। ইয়াত শতকৰা প্ৰায় ৮০ ভাগ মানুহেই কৃষক আৰু তেওঁলোকৰ একমাত্ৰ জীবিকাৰ অবলম্বন হ'ল কৃষি। অসম দেশখন হল কৃষি মাত্ৰ দেশ। বিগত ৩১ বছৰে এই কৃষক সকলক চৰকাৰে যি অবমাননা কৰি আহিছে তাৰ ফলত বিশেষকৈ কৃষিৰ উৎপাদন হোৱা নাই। ইয়াৰ ফলত বজাৰত বিশেষকৈ খাদ্যবস্তুৰ দাম বাঢ়ি গৈছে। আমাৰ নতুন জনতা চৰকাৰে কৃষক সকলৰ সমস্যা সমাধান কৰিব বিছাৰিছে মই স্বাগতম জনাইছোঁ। আৰু মই কবলৈ বিছাৰিছো যে আমাৰ গ্ৰাম্য অঞ্চলটোত বিশেষকৈ গুৰুত্ব আৰোপ কৰিব লাগে। কাৰণ ইমান বছৰে গাঁও অঞ্চলৰ জনসাধাৰণে যথেষ্ট অসুবিধা ভোগ কৰি আহিছে। বৰপেটা অঞ্চলটো দ অঞ্চল। সেই অঞ্চলৰ মানুহ বিলাকে ধান মৰাপাত আদিৰ খেতি কৰে। প্ৰতি বছৰে আমি দেখি আহিছো সেই অঞ্চল বিলাকত ভাল খেতি হয় কিন্তু সেই শস্য বানপানীয়ে নষ্ট কৰে। আগৰ যি চৰকাৰ আছিল তেওঁলোকে এই বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত কোনো বিশেষ ব্যৱস্হা লোৱা নাছিল। ইয়াৰ ফলত যিবিলাক শস্য উৎপাদন হৈছিল বানপানীৰ কবলত নষ্ট হৈছিল। ইয়াৰ ফলত কৃষক সকল ক্ষতিগ্ৰস্ত হৈছিল। বৰ্ত্তমান আমাৰ জনতা চৰকাৰে কৈছে যে কৃষি ক্ষেত্ৰত যঠেষ্ট ব্যৱস্হা লোৱা হব

*Spech not corrected

আৰু এই কৃষি কাৰ্য্যত শতকৰা ৪০ ভাগ টকা খৰচ কৰা হব। মই এইটো ব্যক্তিগত ভাবে সমর্থন কৰো কাৰণ কৃষিৰ উন্নতি হোৱামানে বজাৰত বস্তু কম মূল্যত পোৱা। আৰু কৃষিৰ উন্নতি নহলে, বজাৰত কেচা মাল যথেষ্ট পৰিমানে পোৱা নগলে উদ্যোগ গঢ়া নেযায়। বিশেষকৈ আমাৰ চৰকাৰে কৃষিৰ ওপৰত বেছি নজৰ দিব লাগে। কাৰণ কৃষিৰ উন্নতি মানে দেশৰ উন্নতি। যদি কৃষিৰ উন্নতি নহয় তেনেহলে বজাৰত বস্তুৰ মূল্য কমাব চৰকাৰে নোৱাৰে। আৰু এটা কথা হৈছে কৃষিৰ উন্নতিৰ লগতে বিতৰণ ব্যস্থাও পৰিকল্পিত ভাবে হব লাগে। গতিকে মই ভাবো আমাৰ চৰকাৰে এই বিষয়ে বিশেষ ব্যৱস্থা লব লাগে। আমাৰ কিছুমান ঠাইত ধান মৰাপাটৰ বাহিৰেও গোমধান, সৰিয়হ, আদিৰ খেতি কৰে। এই বিলাকৰ ওপৰত গুৰুত্ব নিদিয়াৰ কাৰণেও কৃষিৰ উন্নতিৰ ক্ষেত্ৰত বহুত ক্ষতি হৈছে। কিছুমান বস্তু যেনে—মৰাপাট, বাহিৰৰ পৰা অনা হয়। যদি আমাৰ ইয়াতে মৰাপাটৰ খেতিৰ কাৰণে গুৰুত্ব আৰোপ কৰা হয় তেতিয়াহলে বাহিৰৰ পৰা আনিব লগীয়া নহব আৰু লাভবান হব। কৃষিৰ ক্ষেত্ৰত বিশেষকৈ বান নিয়ন্ত্ৰণ আৰু জলসিঞ্চন কথাটো গুৰুত্বপূৰ্ণ। বৰ্তমান জলসিঞ্চনৰ অভাবতে কৃষিৰ উন্নতি হোৱা নাই। ইমান বছৰে জলসিঞ্চনৰ কোনো সুব্যৱস্থা হোৱা নাছিল। নতুন চৰকাৰে নতুন জলসিঞ্চন ব্যৱস্থা কৰিব বুলি যি প্ৰতিশ্ৰুতি দিছে তাত আমি সুখী হৈছো। বাননিয়ন্ত্ৰণ আৰু জলসিঞ্চনৰ ব্যৱস্থা সুপৰিকল্পিত ভাবে কৰিব পাৰিলে আমাৰ কৃষক সকলৰ পক্ষে লাভজনক কথা। জলসিঞ্চনৰ ক্ষেত্ৰত লিষ্ট হাৰগেশন আৰু চেল ফিল্টাৰ আদিৰ ব্যৱস্থা কৰিলে গাঁৱলীয়া মানুহৰ কাৰণে সুবিধা হয়। এনে ধৰণৰ ব্যৱস্থা কৰিলে আমাৰ গাঁৱলীয়া লোক সকল বহুল ভাবে উপকৃত হব।

মাননীয় উপাধ্যক্ষ মহোদয়, মই বিদ্যুৎ শক্তিৰ কথা কবলৈ ওলাইছো। অসমত যিখিনি বিদ্যুৎ শক্তিৰ দৰকাৰ তাতকৈ বহুত কম বুলি ইয়াত দেখুৱা হৈছে। ইয়াত মাত্ৰ ১৪১ মেগাৱাট শক্তি আছে কিন্তু প্ৰকৃতৃতে আমাৰ ৬৬৬ মেগাৱাট বিদ্যুৎ শক্তিৰ উৎপাদন কৰাৰ আৱশ্যক বুলি কোৱা হৈছে। গতিকে আমাৰ বৰ্তমান থকা মেগাৱাটতকৈ ৫০০ মেগাৱাট বেছি শক্তি উৎপাদন কৰিব লাগিব। কাৰণ বহুতো ক্ষেত্ৰত এই বিদ্যুৎ শক্তিৰ অভাৱত কিছুমান কল-কাৰখানা বন্ধ ৰাখিব লগায়া হয়। বিশেষকৈ আমাৰ যিবোৰ 'চেল' ফিল্টাৰ ঠায়ে ঠায়ে বহুৱা কাম আৰম্ভ কৰিছে ইয়াৰ দ্বাৰা গাওঁ অঞ্চলত জলসিঞ্চনৰ ব্যৱস্থা কৰি খেতিৰ পানী যোগান ধৰিব পাৰে। ইয়াৰ উপৰিও অনতিপলমে আমাৰ জনতা চৰকাৰে বিদুৎ শক্তিৰ উৎপাদন পৰ্য্যাপ্ত কৰি অন্যান্য উদ্যোগিক প্ৰচেষ্টা খুলি ৰাজ্যৰ চাহিদা পুৰণ কৰিব লাগে বুলি মই আশা কৰো আমাৰ মানত প্ৰজেক্টৰ কাম অতি সোনকালে হাতত লব লাগে। ইয়াৰ পৰাও আমি বহুখিনি বিদ্যুৎ শক্তি উৎপাদন কৰিববলৈ সক্ষম হম। এই বিদ্যুৎ শক্তিৰ অভাৱতেই আমাৰ ৰাজ্যত বৃহৎ উদ্যোগ খুলিববলৈ চৰকাৰ সক্ষম হব পৰা নাই। ইয়াৰ পৰিবৰ্তে আমি ক্ষুদ্ৰ গাম্য শিল্পৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হৈছো। এই ক্ষুদ্ৰ শিল্পসমূহ টনকীয়াল কৰিবলগীয়া হৈছে। তাৰ দ্বাৰা গাঁৱলীয়া ৰাইজ উপকৃত হব। আৰু গাঁৱত যিবিলাক নিবনুৱা লোক আছে সেই সকলকো উৎপাদন বৃদ্ধিৰ কামত খটাব পাৰিম। এনে ৰকমে তাৰ পৰা আমাৰ কিছু নিবনুৱা সমস্যাৰ সমাধান হব বুলি মই ভাবো।

Mr. DEPUTY SPEAKER : The Hon'ble member will resume his Speach after lunch. The House stands adjourned till 2-30 P.m.

(After lunch)

*শ্ৰীআব্দুল লতিফ :— শিক্ষাৰ ক্ষেত্ৰত মই অনুভৱ কৰিছো যে বৰ্ত্তমান যি শিক্ষা পদ্ধতি প্ৰচলিত আছে সেই পদ্ধতিত নৈতিক আৰু ৰাজনৈতিক শিক্ষাৰ অভাৱ। তাৰ ফলত আমাৰ যি সকল চাকৰিয়ালে চাকৰি কৰে তেওঁলোকৰ মাজত নৈতিকতাৰ অভাৱৰ কাৰণে বহুতো খেলি-মেলিৰ সৃষ্টি হয়। এই চাকৰিয়াল সকলে নৈতিক আৰু ৰাজনৈতিক শিক্ষা যদি পালেহেতেন তেন্তে আমাৰ চৰকাৰী বা ৰাজহুৱা সম্পত্তি নিজৰ সম্পত্তি বুলি

* Spech not corrected.

ভবাত সহজ হলহেতেন। এই বিলাক নানা কাৰণত শাসন যন্ত্ৰত বহুতো দুৰ্নীতি সোমাই গৈছে। এনে শিক্ষা থাকিলে জনসাধাৰণক তেওঁলোকৰ নিজৰ পৰিয়াল বুলিয়েই ভাবিব পাৰিলেহেতেন। ইয়াৰ ফলত বহুতো ক্ষেত্ৰতদেখা যায় যে সাধাৰণ কৃষক সকল কিছুমান কামৰ কাৰণে যেতিয়া চৰকাৰী অফিচলৈ আহে তেতিয়া বহুতো ক্ষেত্ৰত তেওঁলোকৰ ওচৰত কিছুমান অন্যায় দাবী কৰে। আৰু বহু ক্ষেত্ৰত জনসাধাৰণে চাকৰিয়াল সকলৰ পৰা কাম নেপায়। গতিকে বৰ্ত্তমান শিক্ষা পদ্ধতিত শালসলনি ঘটাব লাগে। প্ৰত্যেকখন স্কুলতে বিশেষকৈ হাই মাদ্ৰছা, হাইস্কুল আদিত আৰবিক আৰু সংস্কৃতি শিক্ষাৰ মাধ্যমেৰে ধৰ্ম্ম সম্বন্ধীয় শিক্ষাৰ প্ৰৱৰ্ত্তন কৰিব লাগে। সেইটো কৰিলে ছাত্ৰ-ছাত্ৰী সকলৰ নৈতিক, মানসিক আদি সকলো শিক্ষাই হব আৰু এই সাঁচত মানসিক বৃদ্ধিও হব তেতিয়া এনে দুৰ্নীতি-মূলক কামৰ পৰা বিৰত থাকিব। আৰু মনতভয় ভাব সোমাই অন্যায় কাম কৰিবলৈ আগ নেবাঢ়িব। আজি আমি কি দেখিছো? গড়কাপ্তানী, জলসিঞ্চন আৰু প্ৰায় সকলো বিভাগতে আমি যিমান ধন ব্যয় কৰো তাৰ শতকৰা ২০ ভাগেহে জনকল্যাণৰ কামত খৰচ হয়। বাকী ৮০ ভাগ দুৰ্নীতিৰ কবলত পৰি অপব্যয় হয়। গতিকে বাজেটত ধৰা টকাৰ ৮০ ভাগেই দুৰ্নীতিৰ কবলত পৰে গতিকে মই চৰকাৰী চাকৰিয়াল সকলক কব বিচাৰো যে জনসাধাৰণৰ ৰাজহৰ দ্বাৰা তেওঁলোকৰ জীৱন নিৰ্ব্বাহ হৈছে আৰু যিহেতু জনসাধাৰণে টকা দি তেওঁলোকক সহায় কৰিছে তাৰ বিনিময়ত জনসাধাৰণকো তেওঁলোকে সহায় কৰিব বুলিয়েই মই অনুৰোধ কৰিলো।

আজি আমাৰ জনতা চৰকাৰে প্ৰত্যেক গাঁৱতে তন্ততঃ এখনকৈ প্ৰাইমেৰী স্কুল পতাৰ যত্ন কৰিছে। নতুনকৈ আৰু প্ৰাইমেৰী বিদ্যালয় হোৱাটো মই নিশ্চয় বাঞ্চা কৰো কিন্তু মোৰ বোধেৰে প্ৰথম আৰু প্ৰধান কথা হল—যিবিলাক পুৰণি প্ৰাইমেৰী স্কুল আছে সেই বিলাকৰ ঘৰ-দুৱাৰ, সাজ-সজুলি বহু ক্ষেত্ৰতে জৰাজীৰ্ণ অৱস্হাত পৰি আছে। সেই স্কুল বিলাকৰ অৱস্হা প্ৰথমতে টনকীয়াল নকৰি নতুনকৈ স্কুল পতাৰ পৰা গাঁৱলীয়া ৰাইজ প্ৰকৃততে উপকৃত হব নোৱাৰে। কাৰণ ভাল গৃহ নহলে ভাল শিক্ষাও হব নোৱাৰে। কাম কৰিবলৈ যেনেকৈ তপস্যাৰ দৰকাৰ আৰু তপস্যাৰ কাৰণে উপযুক্ত তপস্যাগাৰৰ দৰকাৰ ঠিক তেনেকৈ বিদ্যা শিক্ষাৰ কাৰণেও ভাল পাঠ্যাগাৰৰ দৰকাৰ। তাৰ দ্বাৰা মানসিক প্ৰস্তুতি হয় আৰু ছাত্ৰ বা তপসী সকলে মনটো কেন্দ্ৰভূত কৰিব পাৰে। গাঁৱলীয়া শিক্ষানুষ্ঠান বিলাকৰ যাতে সংস্কাৰ হয় তাৰ কাৰণে মই জনতা চৰকাৰক অনুৰোধ কৰো।

ইয়াৰ লগতে মই আৰু এটা কথা কবলৈ লৈছো গণতন্ত্ৰও শুদ্ধকৈ চলিব লাগিলে তিনিটা মুখ্য বিভাগ যেনে ৰেজিচলেটিভ, এক্‌জিকিউটিভ আৰু জুদিচিয়েৰীৰ ফালত সকলো ক্ষেত্ৰতে সহযোগিতা থাকিব লাগে। বৰ্ত্তমান চৰকাৰে এনে ধৰণৰ পলিচি গ্ৰহণ কৰি ইয়াৰ মাজত যোগসূত্ৰ স্হাপন কৰি শাসন যন্ত্ৰটো নিয়াৰিকৈ গঢ়িব লাগে মই ইয়াকে কৈ সামৰণি মাৰিলো।

Mr. DEPUTY SPEAKER : Now Dewan/Joynal Abedin will speak

Shri DEWAN JOYNAL ABEDIN : Sir, I shall speak tomorrow.

Mr. DBPUTY SPEAKER : Mr. Baneswar Saikia.

---

*Speech not corrected.

Shri BANESWAR SAIKIA : Mr. Deputy Speaker, Sir, while observing the budget speech delivered by the Hon'ble Finance Minister of the new Government I find here that it is a traditional budget. This traditional budget is a capitilist budget prepared in the frame of National Budget and the purpose of such a budget is to make the poor poores and the rich richer. I find here that the entire collection of revenue is coming from the masses, in the State: About 40 crores of the revenue is collected from the people of Assam through indirect taxes and also through, in certain heads, as non tax revenue and this tells upon the economy of the people of Assam ; of the common people—workers, peasants and middle class people And during all these years, since independence, I have noticed that the rate of fleecing the masses has gone annually so high that as if it is increasing at a meteoric/rate. I find that in 1948 there was about 95 lakhs of revenue collected from the people through indirect taxes—i. e, the commodity taxes. Now the total commodity taxes is about 70 crores and the entire burden is to be borne by the common people. There is also the other side. From Central Excise also we are getting certain revenue and there is no doubt about it that this has also gone up. Central taxes on the commodities also have gone so high that it adds to the rise of prices of essential and non-essential commodities by 50%. This is the result of imposition of indirect taxes or commodity taxes. No power on earth can now reduce the price if the Government goes on imposing taxes on commodities. And, taxes on commodities mean we are living on the blood of the common people but who derives the benefit ? Most of the benefit goes to the richer classes of the people. Construction of roads, buildings and bridges etc. of course gives some benefit to the common people but the main benefits are being drawn by the capitalist class of people and the exploitation is so crude and so rude that even the remotest village is not free from their grip and therefore the whole approach to our economic development is an approach of exploitations and enriching the rich and making the poor poorer. Sir, for maintenance and strengthening of the existing capitalist structure the Governmet have all been trying to strengthen its administration. I find that in 1948 for policing the state hardly Rs. 96 lakhs was necessary but now it costs over Rs. 20 crores. In the General Administration side it was hardly 96 lakhs but it has gone to Rs. 32 crores now. So, the entire mony that is coming from the masses is being spent for strengthening the states's structure of the capitalist system. Should the Government now continue to pursue the same policy ? That is my contention and from that point of view this budget requires recasting and reorientation and the expenditure incurred for the purpose of policing and strengthening this administration and strengthening the state's structure should be so recasted that it does not affect the masses. Further, from the point of view of economic development, this budget boasts of economic development but I find very little economic development there. If the statistics or data furnished by the Government and the Government publications are at all to be taken in to consideration they speak for themselves that since 1948 1949 there has been no agricultural development in this State of Assam worth the name. For instance, in the first Five Year Plan there was a production of cereal that is, food grains was 18 million tonnes and then there was a population of 9 million. Now, the population in the State is 18 million while food produced during the last 1976-77 was 2.21 lakhs tonnes. This

year's statistics is not available with us. So, in the meantime about 100 crores of rupees or so has been spent for the agricultural development This year also Governmen has earmarked a sum of rupees 8 crores for. the improvement of agriculture and for increasing the food production. It is surprising how without changing the basic structure of the ecconomy we can increase the production. It would only mean building up a castle in the air. The national production of food has gone high as we all know. It is surprising while the national production of food grains was 125 million tonnes during the year, we in this State could hardly cross 2 million tonnes. Where do we state then Assam is predominantly an agriculture State and yet our production is extremely low. What is the rate of agri cultural production ; If we look to the figures then we will find that the total area brought under cultivation during the first five year plan was about 8463000 hectares while during the Fourth five Year Plan it was 104 lakhs and 23 thousand hectares. We find that there was an increase in the area of operation of land which is to the tune of 25 percent. During the last 30 years the increase in agricultural productions was hardly 16 percent. Where we have invested the money we do not know. It seems that there was 16 percent increaseh in food production while area of opeoation was increased to about 20 percent. During all these years we have spent hundred of crores of rupees for the improvement of agriculture. But without any result. The money earmarked for the agriculture and allied aervices was about 40 to 50 crore . Do we want to throw this money to the water of the Mighty Brahmaputra. This is what I want to emphasise. In this year's budget also I do not find a feasible plan on this account. The plan is there, but it was chalked out without any appropriate measure as to how it could be implemented best. This plan has been placed before the House as addendum to the budget. Should this Government also pursue the policies adopted by the predecessors? Should this Government also allow the money to be drained out as their predecessors did? I do not want this. There should be a stop now to this. I appeal to the House to reconsider the whole budget and if necessary the plan expenditure will have to be revised and till the finalisation of the schemes no money should be sanctioned. Our past experience says that since the money is there let us spend it for drinking and travelling and so on. Everybody thinks that since the Government money is there it can be thrown to the drains. This cannot be allowed. Even in the capitalist countries we do not find such examples of wastage of public money I am just drawing the attention of the Government to certain important things. This budget has become a family budget. As in a family the money can be spent on the wishes of the family headman so also, somebody thinks that Government money can be spent on whims and wishes of a particular person. If we look to the revenue side, we can see a lot of things there. I am giving an example. Last year there was a collection of 25 lakhs of rupees from the supply milk products in Gauhati town. This year this 25 lakhs has totally been omitted. Where it has gone ? From the agricultural produce we have seen there was a collection of an amount of Rs. 10 lakhs last year while this year it has been reduced to Rs. 10 thousand. In the receipt side also we do not find the actual money to be realised as per Indian Motor Vehicles Act 1977-78 and in

the absence of that we are visulaising the collection of about 251 crores 54 lakhs of rupees. We do not know also what was amount collected during 1976-77. ? Without all these figures how can we know the differences that have taken place on diff rent years. Yet there is another point-the taxes paid by the Roads and Inland water transport Department for the year 1976-77 was Rs. 5 lakhs and 10 thousand while it was estimated to be collected during the year 1977-78 was a little over 9 lakhs and 75 thousand. The revised estimates of 1977-78 shows that it has come donwn to Rs. 7 lakhs. Therefore, I have said that the income of the State is left e posed to the whims or whises of persons who are handling it as is done in the case of a family budget. This sort of things cannot be allowed to continue as was done in the past. Now, we find here that receipt from the agticultural produce for the year 1972-78 was estimated to Rs. 10 lakhs whi e in the revised estimate it was calculated to Rs. 40 thou and. Where this 9 lakhs 60 thousand rupees has gone ? Whether the establishment is abolished we want to know. Sir, certain mystry is there, which should be unearthed. This year the Government is getting more revenue from the Centre-it has been increased by about 8 crores. What is the necessity of increasing the loan then ? We are to pay another 32 crores as interest for the loans capital. This year's borrowing stand at Rs. 15 crores. Whill we are required to pay 32 crores as interest or Rs. 20 to each citizens of the State of Assam, for which we will have to pay interest. So, why should go on for forther borrowing ?

So, this is a serious things and this should not be allowed to continue any more. Then from the operation of the loans and its investment for the last few years you will find that there is no dividend Sir, these loans and their investments are mainly made for the fulfilment of political ends and for the whims of the autho ities concerned. The investments which were made in the past were for political purposes of the ruling party. Now, my point is whether this kind of investment should also be continued by this Janata Government. This should be stopped I think the present Janata Government will stop this kind of investments. Sir, in the past the ruling party took loans amounting to Rs.490 crores from the Government of India. What was the dividend of theses loans ? These loans were invested in different spheres and in different industries. They have spent the money on public institutions and in other commercial ventures. But what was the dividend ? Sir, what the revenue collection from the State Transport Corporation ? The State Electricity Board has a big budget of over Rs.61·00 crores. But what was the dividend from the State Electricity Board. If any one goes and examines the various business activities of the State Electricity Board, then one will find that a colossal wastage of money is made by the State Electricity Board. Sir, it is a commercial concern and it is not an welfare organisation and these commercial concerns are supposed to earn profit. But, Sir, these commercial concerns are giving no dividend. So, Sir my submission is that these concerns which are not giving any dividend should be stopped and Government should not incur any further expenditure on these losing concerns. Sir we cannot allow the State Government to borrow money from the Centre. We have a permanent loan of about 600 crores and we are permanently indebted. Mr. Deputy Speaker, Sir, considering all these facts,

I would request the Government to recast its budget and place the same again for further examination of this House. In the meantime, I would request the Government to place an interim budget for one or two months. Sir, we cannot pass this budget. If this budget is passed, the poorer will be getting poorer and the rich will get richer. Then, Sir, we find that there is no provision of unemployment problem in the budget. There is no provision for maintaining the price level. These are not visualised. As you know, Sir, the prices of the essential commodities are rising and there is no provision in the budget as to how to curb the rising prices. That is not visualised. Simply it is prepared like a family budget. This is not a budget of the welfare society. Here the Hon'ble Finance Minister has stated that it has been recast according to the guidelines given by the Central Government. If this be so, then Sir, I should say that the central budget is also a capitalistic budget and it is not a budget of the socialistic pattern of society. If this is so, then what is the use of passing a resolution like one in yesterday ? It is a misnomer, hence this budget should be deferred and in the meantime an interim budget be placed With these words, Sir, I conclude my speech.

শ্ৰীদৈবশক্তি ডেকা ঃ—মাননীয় উপাধ্যক্ষ মহোদয়ে, অসমৰ বিত্তমন্ত্ৰী মহোদয়ে যি বাজেট দাঙি ধৰিছে সেই বাজেটৰ প্ৰতি মই সম্পূৰ্ণ সমৰ্থন জনাইছো। এই বাজেটত অসমৰ দুখীয়া জনসাধাৰণৰ উন্নতিকল্পে নানা ধৰণৰ দিশ দেখুৱাই দিছে। আজি ৩০ বছৰে কংগ্ৰেছ চৰকাৰে জনসাধাৰণৰ প্ৰতি যি কৰিব পৰা নাছিল আজি জনতা চৰকাৰে শাসনত অধিস্থিত হৈ ৰাইজৰ প্ৰতি বিশেষকাম কৰিবৰ কাৰণে আগ্ৰহান্বিত হোৱা দেখা গৈছে। জনতা চৰকাৰে শাসনত অধিস্থিত হৈ কৃষক ৰাইজৰ ১০ বিঘা পৰ্যন্ত মাটিৰ খাজনা ৰেহাই দিছে দশমমান শ্ৰেণীলৈ ছাত্ৰ-ছাত্ৰী সকলৰ মাছুল ৰেহাই দিছে চিকিৎসাৰ ক্ষেত্ৰত এডমিচন ফিচ ৪ অনা ৰেহাই দিছে। গতিকে অন্যান্য ক্ষেত্ৰত বাজেটত এটা আশাৰ ৰেঙনি দেখা গৈছে। বিধান সভাৰ বহুত সদস্যই এই বাজেটক সমালোচনা কৰিছে। আমাৰ মাননীয় সদস্য সকলে নিশ্চয় জানে যে এই বাজেট কংগ্ৰেছ চৰকাৰৰ দিনতেপ্ৰস্তুত কৰা বাজেট আৰু জনতা চৰকাৰে শাসনভাৰ লৈয়ে এই বাজেট উত্থাপন কৰিবলগীয়া হল। কম সময় হোৱা কাৰণে কংগ্ৰেছ চৰকাৰৰ দিনৰ যি কুকিৰ্ত্তী দুস্কৃতি সেই কথাবিলাক বাদ পৰি গৈছে। জৰুৰীকালীন অৱস্থাত অসমৰ ৰাইজক কংগ্ৰেছ চৰকাৰে যি অত্যাচাৰ অনাচাৰ কৰিছিল সেইবিলাকৰ বৰ্ণনা বাদ পৰি যোৱাটো স্বীকাৰ কৰো।

জনতা চৰকাৰে শাসন লাভ কৰিয়েই যে সকলোবিলাক উন্নয়ণমূলক কাম হাত দিব পাৰিব সেইটো মই আশা নকৰো। জনতা চৰকাৰ নতুন চৰকাৰ। আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ ভাষণত কৈ গৈছে যে কংগ্ৰেছ চৰকাৰে তেখেতসকলৰ শাসন কালতেই সমস্ত ৰাজ্যৰ ৰাজহ উদং কৰি গৈছে।

সিদিনা আমাৰ প্ৰাক্তন শিক্ষামন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই কৈছিল যে জনতা চৰকাৰৰ বাজেটত শিক্ষা সংক্ৰান্তত ১০ম মান শ্ৰেণীলৈকে শিক্ষাৰ মাছুল ৰেহাই দিছে—এইটোত তেখেতে সন্তুষ্টি প্ৰকাশ কৰিছে। গতিকে ইয়াৰ দ্বাৰাই প্ৰমাণ কৰিব পাৰি যে এইখন বাজেট কেৱল জনতা দলৰ সদস্য সকলেই সমৰ্থন কৰিছে এনে নহয়—কংগ্ৰেছ দলৰ মাননীয় সদস্য সকলেও ইয়াত সমৰ্থিত হৈছে। মই আশা ৰাখিছো এই বাজেটখনত আৰু কিছুমান উন্নয়ণমূলক কামৰ আঁচনি দিব পৰা গলহেঁতেন কিন্তু আগৰ চৰকাৰে যিবিলাক দুস্কাৰ্য্য কৰি থৈ গল তাৰ পৰিণতি স্বৰূপে অশেষ কষ্টভোগ কৰিব লগীয়া হৈছে আৰু কিছুমান কাম পিচ পেলাই থব লগীয়া হৈছে।

মই বন বিভাগৰ বিষয়ে কওঁ যে এই বন বিভাগৰ ঠিকা মহল আদিৰ ব্যৱসায় বাহিৰাগতৰ হাতত দিছে। স্থানীয় নিবনুৱা সকলে কোনো সুবিধা নাপায়। উজান অসমৰ প্লাইউড ফেক্টৰী, কাঠৰ ব্যৱসায় অনা অসমীয়াৰ হাতত। অসমীয়া ল'ৰাই কোনো চাকৰি নাপায়। সেই মিল বিলাকত হলং আদি মূল্যবান কাঠৰ ব্যৱসায় কৰা হয়। যাবতীয় বিক্ৰি কৰ অসম চৰকাৰে নাপায়। সীমান্তৱৰ্ত্তী অঞ্চলৰ পৰা এচাম ব্যৱসায়ীয়ে নগালেণ্ড, মেঘালয় আদিৰ নামত অসমৰ হাবিত থকা কাঠ আনে। সীমান্ত অঞ্চলৰ বাণ্টা-ঘাট উন্নত কৰি ৰক্ষণা-বেক্ষণ দিয়াৰ কাৰণে মই জনতা চৰকাৰক অনুৰোধ জনাওঁ। মই আশা ৰাখিছো জনতা চৰকাৰে অসমৰ বন-সম্পদ ৰক্ষা কৰাত সুদৃষ্ট ৰাখিব। গুৱাহাটীৰ আশেপাশে থকা শিল-বালি মহল বিলাকৰ মূল্য ৫০/৬০ লাখ টকা হব লাগে। অথচ চৰকাৰে বছৰি ১০/১৫ লাখ টকাৰহে ৰাজহ পায়। চৰকাৰে এই ক্ষেত্ৰত ৰাজহৰ সুবন্দবস্ত কৰিব লাগে। আগৰ চৰকাৰে উধাই-মুধাই পাৰমিট দি বনানি ধ্বংস কৰি গৈছে। মোৰ সমষ্টিত বহিৰাগত পাৰমিট দি চৰকাৰে ৰাজহ উদং কৰি গৈছে। ভৱিষ্যতে যাতে এনে হবলৈ নাপায় তাৰ বাবে জনতা চৰকাৰক অনুৰোধ জনাওঁ। দক্ষিণ কামৰূপৰ বন বিভাগে দুইলাখ টকাৰ মহল ৫০ হেজাৰ টকাত দিছে। এইবিলাকৰ বিচাৰ হব লাগে। তাৰ পাছত ৫ লাখ টকাৰ গড়ৰ খৰ্গ ২ লাখ টকাত বিক্ৰি হৈছে। ইয়াৰো বিচাৰ হব লাগে। আন এটা কোপ ২০ বছৰৰ লিজত দিছে এই বিলাকৰ বিচাৰ হবৰ কাৰণে প্ৰতিবেদন নোহোৱাকৈ নিদিয়ে। গতিকে চকাৰে ৰাজহৰ ক্ষতি কৰি পোন-পতীয়াভাবে কেনেকৈ দিব পাৰে? উদাহৰণ স্বৰূপে গুৱাহাটীৰ কালাপাহাৰৰ শিলৰ মহল, যোৰহাটৰ ভোগদৈ নৈৰ বালিৰ মহলত ২ লাখ টকা লোকচান কৰিছে।

উপাধ্যক্ষ মহোদয়, জনতা চৰকাৰৰ বিত্তমন্ত্ৰীয়ে যি বাজেট দাঙি ধৰিছে তাৰ সন্দৰ্ভত কওঁ যে আগতে কমলপুৰ সমষ্টিত প্ৰতিনিধি হিচাবে প্ৰাক্তন বনমন্ত্ৰী শ্ৰীগিৰীন্দ্ৰ চৌধুৰী আছিল। তেখেত কংগ্ৰেছ চৰকাৰৰ মন্ত্ৰী সভাতো আছিল। কিন্তু তেখেত মন্ত্ৰী হৈ থকা অৱস্থাতেই তেখেতৰ পৰা সেই ঠাইৰ ৰাইজে কোনো উন্নয়ণ মূলক কাম পোৱা নাছিল। সমষ্টিৰ ৰাইজ বহুতো জীয়াতু ভুগিব লগীয়া হল। ১৯৭৫ চনৰ ২৬ জানুৱাৰীত এখন ভঙা দলঙৰ কথা কওঁতে ছাত্ৰ দলক পুলিছৰ হতুৱাই এৰেষ্ট কৰিছিল আৰু এটা ৰাতি হাজুতত ৰাখিছিল। আন এজন শিক্ষকে এখন স্কুলৰ গ্ৰাণ্টৰ কথা কওঁতে সেই শিক্ষক জনক চাচ্‌পেণ্ড কৰি ৰাখিছিল। গতিকে মই আশা কৰিছো জনতা চৰকাৰে যেন সকলো কামত সদ্‌ ব্যৱহাৰৰ উদ্দেশ্যে কৰে আৰু উন্নয়ণমূলক কামত ৰাইজৰ কথা কাণপাতি শুনে আৰু ৰাইজৰ উন্নতিৰ কল্পে ৰাইজক উন্নতিৰ কামত আগ বঢ়াই নিয়ে। তাৰ পাছত মই চিকিৎসাৰ ক্ষেত্ৰত কব বিচাৰিছো যে বাইহাতা চাৰিআলিলৈ দিল্লীৰ পৰাও মানুহ আহে আৰু তেজপুৰৰ ফালৰ পৰাও মানুহ আহে—সেইকাৰণে এই বাইহাতা চাৰিআলি এটা দুৱাৰ মুখ। কিন্তু দুখৰ বিষয় যে আজি পৰ্য্যন্ত বহুতো লিখা লিখি কৰা স্বত্বেও তাত এখন চিকিৎসালয় নিদিলে। কংগ্ৰেছ চৰকাৰৰ দিনতেই বহুত যোগাযোগ কৰিলো অথচ আজি পৰ্য্যন্ত তাত চিকিৎসালয় স্থাপন কৰা নহল। মই আশা ৰাখিছো জনতাচৰকাৰে তাত পূৰ্ণ পৰ্য্যায়ৰ এটা পাব্লিক হেল্‌থ চেন্টাৰ দিয়াৰ ব্যৱস্থা কৰিব। নহলে কামৰূপৰ এইটো এটা পিচপৰা ঠাই হৈ ৰব।তাৰ পাছত বাইহাটা চাৰিআলিৰ পৰা শুক্ৰেশ্বৰলৈ যোৱা ৰাণ্টাটোৰ কথা সকলো মাননীয় সদস্যই জানে। এই ৰাষ্টাত বাৰিষা কালত এক আঠুলৈকে বোকা হয়। বৰষুণ দিলেই সেইফালে যোৱা টান হয় আৰু সকলো যান-বাহন বন্ধ হয়। আজি অত বছৰে কংগ্ৰেছ চৰকাৰৰ লগত যোগাযোগকৰিও সেই ৰাষ্টাটোৰ উন্নতি সাধন কৰিব নোৱাৰিলো। মই আশা ৰাখিছো জনতা চৰকাৰৰ দিনত এই ৰাণ্টাটোৰ উন্নতিকল্পে অনতি পলমে ব্যৱস্থা লব। কমলপুৰ থানাৰ কথা কলে বৰ দুখ লাগে। তাত কাম কৰা কৰ্ম্মচাৰী সকলে যি ধৰণে বসবাস কৰি আছে তাক বৰ্ণনা কৰিব নোৱাৰি। এজাক বৰষুণ আহিলেই বা অলপ বতাহ মাৰিলেই তেওঁলোকৰ সন্দেহ হয় কিজানি ঘৰ ভাঙি তেওঁলোকৰ মূৰত পৰি তেওঁলোকৰ মৃত্যু ঘটাব পাৰে সেইকাৰণে মই আশা ৰাখিছো জনতা চৰকাৰৰ আমো-

লত থানাখনৰ উন্নতি কৰে প্ৰাক্তন গৃহমন্ত্ৰী শ্ৰীহিতেস্বৰ শইকীয়াই ২ লাখ টকাৰ প্ৰতিশ্ৰুতি দি আহি আজি পৰ্য্যন্ত ২ পইচা নিদিয়াকৈ বহি আছে। সেইকাৰণে মই আশা ৰাখিছো জনতা চৰকাৰে এই বিষয়ে নিশ্চয় ব্যৱস্হা লব।

উপাধ্যক্ষ মহোদয়, মোৰ কমলপুৰ সমষ্টিৰ অধিকাংশ লোকেই চাকৰিতকৈ কৃষিৰ ওপৰত বেছি আগ্ৰহী। কিন্তু তাত লিফ্‌ট্‌ ইৰিগেচনেৰে যি পানী যোগান ধৰাৰ ব্যৱস্হা কৰা হৈছে সেইটো অতি পুৰতো আৰু পয়া লগা অৱস্হাত আছে। খেতিয়কসকলে পানী নাপায়, বিষয়া সকলে মনোযোগ নিদিয়ে। গতিকে মই আশা ৰাখিছো কংগ্ৰেছ চৰকাৰৰ দিনত যি ধৰণেৰে এই অনুষ্ঠাণ বা প্ৰকল্পটোৰ প্ৰতি যি ধৰণেৰে অবিচাৰ কৰা হৈছে সেই ধৰণেৰে যাতে নহয় সেই আশা আমি জনতা চৰকাৰৰ দিনত কৰিছো। জনতা চৰকাৰটো সৰ্বসাধাৰণৰ চৰকাৰ। কামৰূপৰ অধিকসংখ্যক লোকেই অৰ্থাৎ প্ৰাৰ্থীয়েই জনতাৰ আসন লাভ কৰি আহিছে। ৰাইজে বহুত আশা আৰু আকাংক্ষাৰে জনতা দলক চৰকাৰৰ গাদীত অধিষ্ঠিত কৰাইছে। এই চৰকাৰে ৰাইজৰ সেই আশা পূৰণ কৰিব বুলি আশা ৰাখিছো।

শিক্ষাৰ ক্ষেত্ৰত কবলৈ হলে আমাৰ কমলপুৰ সমষ্টিত এখন মাত্ৰ কলেজ আছে। এই কলেজ খনে আজি কোৰ্পতি চৰকাৰৰ পৰা মঞ্জুৰী পোৱা নাই। তাৰ প্ৰাথমিক শিক্ষাৰ ব্যৱস্হা অতি পুৰতো লগা। কোনো স্কুলত চাক আছে, চালি নাই, ঘৰ আছে দুৱাৰ নাই। এনে অৱস্হাৰ মাজেৰে ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব লগা হৈছে। মই জনতা চৰকাৰক অনুৰোধ জনাও যাতে যোৱা ২৭ মে'ৰ ধুমুহাত বহুত স্কুলৰ বিধ্বস্ত হৈ গৈছে, সেইবোৰ মেৰামতিৰ কাৰণে গ্ৰান্ট দিয়াৰ ব্যৱস্হা কৰিব লাগে। এই আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

*শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী :—মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী মহাশয় এই সদনে যে বাজেট পেশ করেছেন তাতে ১০ কোটি ৬০ লক্ষ টাকার ঘাটতি দেখা যাচ্ছে। ঘাটতি বাজেট একটা ঘাটতি রাজ্যে হওয়া স্বভাবিক। কিন্তু এই ঘাটতি পূরণের কোন ব্যবস্থার উল্লেখ এই বাজেট বক্তৃতায় নাই।

উপাধ্যক্ষ মহোদয়, বাজেট বক্তৃতায় দ্রব্যমূল্য বৃদ্ধি কথার উল্লেখ আছে। বলা হয়েছে যে সরকার দ্রব্যমূল্য বৃদ্ধির ব্যাপারে সজাগ আছেন। কিন্তু এটা কি ভাবে রোধ করা হবে এবং কিভাবে দ্রব্যমূল্যকে আগের পর্য্যায়ে আনা হবে তার কোন উল্লেখ এই বাজেটে নাই।

উপাধ্যক্ষ মহোদয়, বেকার সমস্যার কথায় বলা হয়েছে যে এই সমস্যা একটা ভয়াবহ আকার ধারণ করেছে. কিন্তু এই সমস্যা সমাধানের কোন পথ বা কোন বিধান আমার এই বাজেটে দেখতে পাইনা। মহোদয়, কেবল চাকুরি দিয়ে এই সমস্যা সমাধান করা যাবেনা। বেকার সমস্যা সমাধান করতে হলে অন্য উপায় অবলম্বন করতে হবে। প্রধানমন্ত্রী বলেছেন যে ১০ বছরের মধ্যে বেকার সমস্যার সমাধান তারা করবেন। কিন্তু ১০ বছরের জন্য এই জনতা সরকারকে জনসাধারণ গদীতে আসীন করে দেয় নাই। মাত্র ৫ বছরের জন্য দিয়েছে। কিন্তু আমি বলবো ১০ বছরে তো বেকার সমস্যার সমাধান হবেইনা বরং এই ১০ বছরে আরো নতুন বেকারের সৃষ্টি হবে এবং এইসব বেকারদের কোন সংস্থান হবেনা। কেবল বক্তৃতা দিয়ে মানুষের চোখে ধুলো দিয়ে বেকার সমস্যার সমাধান করা যাবেনা।

(ভয়েস হয়েছিল গত ৩১ বছর ?)

*Speech **not** corrected.

উপাধ্যক্ষ মহোদয়, বেকার সমস্যা সম্পর্কে বলতে গেলে এমপ্লয়মেণ্ট একস্‌চেন্জ্‌ সম্পর্কে কিছু বলতে হয়। এগুলোতে এখন অবস্থার সৃষ্টি হয়ে যে কিছু লোকের ১০/১২ বছর যাবৎ নাম থাকা সত্ত্বেও কল্‌ পায়না অবার কিছু লোক ১ বছরের মধ্যেই ৩/৪ বার কল্‌ পায়। সতুরাং আমার বক্তব্য হলো এই এপ্লয়মেণ্ট একস্‌চেঞ্জ গুলিকে যেন প্রত্যেক সম্প্রদায়ের জনসংখ্যার ভিত্তিতে নাম পাঠাতে নির্দ্দেশ দেওয়া হয়।

(ভয়েস ঃ—আপনাদের আমলে কি হয়েছিল ?)

সব আমলের কথাই বলছি। কারণ, সাধারণতঃ দেখা যায় যে কোন চাকুরির জন্য ১০/২০ টা নাম পাঠাতে হলে কোন বিশেষ শ্রেণীর নাম কেবল পাঠানো হয়ে থাকে এবং কোনো বিশেষ শ্রেণীর নাম পাঠানো হয়না। এ সম্বন্ধে আমি বলতে চাই যে গতবার বিধানসভায় একটা প্রস্তাব নেওয়া হয়েছিল যে নিয়োগের ক্ষেত্রে যেন প্রত্যেক সম্প্রদায়ের জনসংখ্যার প্যাটার্ণ প্রতিফলিত হয়। কিন্তু অত্যন্ত দুঃখের বিষয় যে এই প্রস্তাব প্রস্তাব আকারেই থাক্‌লো, আজ পর্য্যন্ত কিছুই হলোনা।

(ভয়েস ঃ— আ-হা-হা, এতদিন করলেনটা কি ?)

বিরোধী সদস্য হিসাবে তখন যারা এই প্রস্তাবকে সমর্থন করেছিলেন তাঁরা তো অনেকেই এখন শক্তিশালি মন্ত্রী হিসেবে আছেন, তাঁরা এখন এব্যপারে কি করেণ দেখা যাবে। তাঁদের কাছে আমরা অনুরোধ তাঁরা যেন এই প্রস্তাবটিকে কেবিনেটে পাশ করিয়ে ডিসি, এসডিও দেরে এই ব্যপারে প্রয়োজনীয় নির্দ্দেশ দেন। মহোদয়, বাইরের লোক এসে আমাদের এখানে এসে এমপ্লয়মেণ্ট একস্‌চেঞ্জে নাম লিখিয়ে চাকুরির সংস্থান করছে। অথচ আমাদের আসামের লোক বঞ্চিত হচ্ছে। যেমন বঙ্গাইগাঁও পেট্রক্যামিক্যালস্‌-এ এবং আরও অন্যান্য যায়গায় এসব ব্যপার ঘটছে। আমার কাছে এব্যপারে খবর আছে। আশাকরি বর্ত্তমান সরকার এই সব দিকে বিশেষ নজর দিবেন যাতে স্হানীয় লোক চাকুরি পায়।

(ভয়েস ঃ— কংগ্রেস আমলে তো পয়সা দিলে চাকুরি পাওয়া যেত !)

মহোদয়, নিয়োগের ব্যপারে অনুসূচিত জাতি এবং জনজাতির যে সংবিধান প্রদত্ত সংরক্ষণ আছে, আজ তারা এর থেকে বঞ্চিত হচ্ছে। ফলে ব্যাকলগ্‌ সৃষ্টি হচ্ছে। এর জন্য যারা দায়ী তাদের শাস্তি আমি দাবী করছি। এবং কি পরিমান ব্যাকলগ্‌ সৃষ্টি হয়েছে তা অনুসন্ধান করে দেখা প্রয়োজন। তাছাড়া সংখ্যালঘু সম্প্রদায়ের লোকেরা যাতে তাদের নায্য প্রাপ্য থেকে বঞ্চিত না হয় তার জন্য আমি সরকারকে অনুরোধ করছি। সংখ্যালঘু বলতে আমি কেবল মুসলমান সম্প্রদায়কেই ধরছিনা, সঙ্গে শিখ, বৌদ্ধ, খৃষ্টানদের কথাও বলছি। তাছাড়া, যেভাবে অনুসূচীত জাতি ও জনজাতিদের জন্য যেভাবে কর্পরেশন করা হয়েছে সেই ভাবে যেন মাইনরিটি কর্ম্মথান করা হয় তার জন্য আমি জনতা সরকারকে অনুরোধ করি। কর্ণাটকেও এইরকম এটা কর্পরেশন করা হয়েছে।

উপাধ্যক্ষ মহোদয়, আমাদের দেশ কৃষি প্রধান দেশ। আমাদের দেশের প্রায় শতকরা ৭০ ভাগ লোক কৃষিজীবি এবং কেবল মাত্র কৃষির উপর নির্ভর করে তারা তাদের জীবন নির্বাহ করে। কিন্তু অত্যন্ত দুঃখের বিষয় যে এই কৃষিকে এতদিন অবহেলা করা হয়েছে। কৃষির উপর আমাদের অত্যন্ত জোর দিতে হবে কারণ কৃষিই আমাদের অর্থনীতির মূল ভিত্তি। মহোদয়, চাল আমাদের প্রধান খাদ্য অথচ আমাদের রাজ্যে প্রতি হেক্টরে চাল উৎপন্ন মাত্র ১০১০ কেজি। অথচ, পাঞ্জাবে প্রতি হেক্টারে উৎপন্ন হয় ২২৮৯

কেজি, তামিলনাড়ুতে হয় ২০৩৫ কেজি, কর্ণটকে হয় ১৮১২ কেজি, পশ্চিম বঙ্গে হয় ১১২৫ কেজি। সুতরাং দেখা যায় যে আমাদের আসাম থেকে অন্যান্য প্রত্যেকটি রাজ্যে প্রায় দ্বিগুণ চাল উৎপন্ন হয়। অথচ কেবল মাত্র অরুণাচল ও ত্রিপুরা বাদে আসামে জনসংখ্যা বৃদ্ধি হার সবচেয়ে বেশী।

(ভয়েস ঃ— ফ্যামিল প্ল্যানিং করতে আবার সঞ্জয় গান্ধীকে নিয়ে আসুন)

আমি পরিবার পরিকল্পনা সম্পর্কে বলছিনা, কৃষি সম্পর্কে বলছি।

মহোদয়, কৃষির উন্নতি করতে হলে জলসিঞ্চনের ব্যবস্হা করতে হবে। হাই ইলডিং ভেরাইটির জন্য কৃষকরা যাতে বীজ পায় তার ব্যবস্হা করতে হবে এবং জলসিঞ্চনের জন্য ইনসেনটিভ হিসাবে অন্ততঃ ২/১ বৎসর ফ্রিইরিগেশনের ব্যবস্হা করতে হবে। এর ফলে আধুনিক জলসিঞ্চনের বৈজ্ঞানিক ব্যবস্হার প্রতি কৃষকদের আস্হা হবে এবং উৎপাদনও বৃদ্ধি পাবে। মহোদয়, আমাদের দেশের শতকরা ৫ জন কৃষক সার ব্যবহার করে। সুতারাং এই সার যাতে আরও কোন সংখ্যক কৃষক ব্যবহার করতে চায় তার ব্যবস্হা করতেহবে। সস্তা দামে যাতে কৃষকের কাছে সার পৌছে দেওয়া যায় তার দিকে দৃষ্টি দিতে হবে।

মহোদয়, বন বিভাগ সম্পর্কে ২/১ টি কথা বলা প্রয়োজন। আমাদের আসামের ভৌগলিক এরিয়ার প্রায় শতকরা ৩৬ ভাগ বনাঞ্চলে ঢাকা। অথচ অন্যান্য রাজ্যে মাত্র শতকরা ২০ ভাগ বনাঞ্চল। কিন্তু বনসম্পদের এত প্রাচুর্য থকা সত্বেও বনাঞ্চল থেকে আসামে রেভিনিউ আসছে মাত্র শতকরা ৪ ভাগ। আগে আরও কিছু কম ছিল। অথচ এই বনাঞ্চল থেকে আমরা আরো ১০ গুণ রেভিনিউ পেতে পারি। এই বনের দিকে অমাদের দৃষ্টি দেওয়া প্রয়োজন। তাছাড়া ইতিমধ্যে প্রতিটি বাঁশ-মহল ও পাথর-মহলকে শতকরা ২ টাকা অতিরিক্ত মাশুল আদায় করে একস্টেনশন দেওয়া হয়েছে। আমাদের দেশের আর কোথাও এই নিয়ম আছে বলে আমি জানিনা। এটা বেআইনী। কোন অবস্হাই এইসব একস্টেনশন হওয়া উচিত নয়। এটা বন্ধ করতে হবে। কারণ, বাঁশ-মহল হোক, ষ্টোন মহল হোক আর ফরেণ্ট ফিশারী মহলই হোক্ এই একস্টেনশনের ব্যাপারে উচুতলা থেকে নীচুতলা পর্যন্ত যে গুরুতর ব্যাপার চলছে তা অনুসন্ধান করলে বুঝা যাবে। তাছাড়া, এক একটি মহলকে ৪ বৎসর পর রেস্ট না দিলে সম্পদ নষ্ট হয়ে যায়। বনাঞ্চল গ্রো করতে পারেনা। তাছাড়া বেশীভাগ ক্ষেত্রে প্রপরশনেট ভ্যালু না নিয়ে মাত্র ৫/৭ শত টাকা নিয়ে একস্টেনশন দেওয়া হয়েছে। এটা পুরোপুরি বন্ধ করার দাবী আমি করছি।

উপাধ্যক্ষ মহোদয়, আমাদের রাজ্যে মাত্র ১৪১ মেগাওয়াট বিদ্যুৎ উৎপন্ন হয়। শিল্পের জন্য আমাদের আরও কোনো বিদ্যুতের প্রয়োজন এবং এই অবস্হায় কোন নুতন শিল্প স্হাপনের কল্পনাও করা যায়না। অন্ততঃ পক্ষে ৫০০ মেগাওয়াট বিদ্যুৎ আমাদের প্রয়োজন। এই ব্যাপারে অত্যন্ত দুঃখের সঙ্গে বলতে বাধ্য হচ্ছি যে ১২ বৎসর আগে যে বরাকড্যামের পরিকল্পনা নেওয়া হয়েছিল তা এখনো একই অবস্হায় পড়ে আছে। এই প্রকল্প সম্পূর্ণ হলে যে কেবল বন্যা নিয়ন্ত্রণই হবে তা নয়, সমগ্র রাজ্যের বিদ্যুতের চাহিদাও ঘেটাতে সক্ষম হবে। মণিপুর রাজ্যের কিছু অঞ্চল জলের নীচে চলে যাওয়ার আশংকায় মণিপুর সরকার আগে এই প্রকল্পের বিরোধিতা করেছিল কিন্তু গত বছর কেন্দ্রীয় সরকার মণিপুর সরকার ও আসাম সরকারের এক মিলিত বৈঠকে বিকল্প স্হান হিসাবে টিপাইমুখে এই বরাকড্যাম প্রজেক্ট করা সম্ভব কি না তা অনুসন্ধানের সিদ্ধান্ত নেওয়া হয়। কিন্তু এই অনুসন্ধান আজও চলছে এবং কতদিন আরও চলবে আমি জানিনা। আমি আশাকরি এই সরকার সত্বর এটা কার্যকরী করার ব্যবস্হা করবেন।

এখন আমি পিডাব্লুডির রাস্তা সম্পর্কে ২/১ টি কথা বলব। পুরনো রাস্তার মেরামত হচ্ছেনা বললেই চলে। কারণ টাকা যা আছে তা তো মাষ্টার-রোল লেবারদের পেমেন্ট করতেই শেষ হয়ে যায়। আমার দঃ করিমগঞ্জ সমষ্টিতে যে গুলো রাস্তা করা হয়েছিল, সেই রাস্তাগুলির একটাতেও গাড়ী চলেনা। তাই, আমাদের নতুন রাস্তা তৈরির চিন্তার সঙ্গে সঙ্গে পুরনো রাস্তার মেন্টিনেন্সের কথাও চিন্তা করতে হবে। তাছাড়া, আমার অনুরোধ যে নতুন রাস্তা তৈরির সিদ্ধান্তের আগে কোন সমষ্টিতে কত কিঃ মিঃ রাস্তা আছে তা দেখে পশ্চাদপদ এলাকায় যেন অধিক মনযোগ দেওয়া হয়। এক্ষেত্রে মহকুমা ভিত্তিক হিসাব নিলে চলবেনা। কারণ, উদাহরণ স্বরূপে বলা যেতে পারে যে উঃ করিমগঞ্জ সমষ্টিতে শতকরা ৬৩ ভাগ রাস্তা আছে এবং দঃ করিমগঞ্জ সমষ্টিতে মাত্র শতকরা ১২ ভাগ রাস্তা এবং পাথারকান্দি সমষ্টিতে শতকরা ১৪ ভাগ রাস্তা আছে। সুতরাং যে সব এলাকায় মানুষ চলাচলের, গাড়ী চলাচলের রাস্তা নাই সেইসব এলাকার প্রতি মনযোগ দেওয়া উচিত। যে সব এলাকায় তুলনামূলক ভাবে বেশী রাস্তা আছে সেই সব এলাকায় টাকা কম দিয়ে যেসব এলাকায় রাস্তা কম সেখানে রাস্তা তৈরি করার ব্যাপারে মনযোগ দিতে হবে। তাছাড়া বর্ষা আসার সঙ্গেসঙ্গে রাস্তার কাজ আরম্ভ করার যে রীতি তার পরিবর্ত্তন করতে হবে এবং বর্ষার আগে যাতে কাজ আরম্ভ করা যায় সে জন্য এডমিনিষ্ট্রেটিভ এপ্রোভেল্ দেওয়ার ব্যবস্থা করতে হবে। নতুবা বর্ত্তমান চলতে থাকলে কোন কাজ হবেনা এবং একটু বৃষ্টি হলেই সমস্ত কাজ ধুয়ে নিয়ে যাবে। এদিকে দৃষ্টি দিতে আমি সরকারকে আমি অনুরোধ করছি।

মহোদয়, এবারে আমি স্বাস্থ্য বিভাগ সম্পর্কে ২/১ টি কথা বলব। আগে প্রতিটি ব্লকে এক একটা পাব্লিক হেল্থ সেন্টার স্থাপন করার একটা নীতি গ্রহণ করা হয়েছিল। কারণ, কোন কোন ব্লকে দেখা যায় যে ২/৩ টি করে পাব্লিক হেল্থ সেন্টার আছে অথচ কোন কোন ব্লকে দেখা যায় একটাও নাই।

(ভয়েস এই তো আপনাদের নীতি।)

সুতরাং এসব দিকে যেন সরকার বিশেষ নজর দেন তার অনুরোধ আমি করছি। তাছাড়া অনেক সময় দেখা যায় যে কেবল মন্ত্রীদের সমষ্টিতেই কাজ হয় ————

(হাসি ঃ গোলমাল)

যা হয়েছে তা যে আবার হবেনা তার কোন গ্যারান্টি আছে কি? এজন্যই আমি সরকারকে সাবধান করে দিলাম।

(হাসি ঃ গোলমাল)

গ্রমাঞ্চলের ষ্টেট ডিসপেন্সারি গুলোতে ঔষধপত্র নাই বললেই চলে। তাছাড়া, হাসপাতালের ঔষধ বাজারে কিনতে পাওয়া যায়। আশাকরি সরকার এসব বন্ধ করার ব্যবস্থা করবেন। এ বিষয়ে একটি তদন্ত করা প্রয়োজন বলে আমি মনে করি। তাছাড়া, হাসপাতাল গুলিতে প্রায়ই এক্সরে প্লেট পাওয়া যায় না। কেন এগুলো থাকবে না? গ্রামের গরীব জনসাধারণকে কেবল ২৫ পয়সা মাশুল থেকে রেহাই দিলেই কি চিকিৎসার সুযোগ-সুবিধা দেওয়া হ'ল? আপনারা ২৫ পয়সা মাশুল নেন বা না নেন সেটা বড় কথা নয় কিন্তু গ্রামাঞ্চলের জনসাধারন যাতে রীতিমত ঔষধপত্র হাসপাতালে পায় তার ব্যবস্থা করুন। এমন কি অনুসন্ধান করলে দেখা যাবে যে ভেটেরিনারী ডিসপেন্সারী গুলোতে পর্য্যন্ত ঔষধপত্র পাওয়া যায় না।

(ভয়েস আগের মতই চলছে)

আগের সরকারের মত কাজ করতে অনেক দেরী আছে। স্বাস্থ্য বিভাগ সম্পর্কে আর একটি প্রশ্ন হলো যে পুরোনো যেগুলো ষ্টেট ডিসপেনসারী আছে সেগুলির বিল্ডিং স্বাস্থ্য বিভাগ মেরামত করে আর নতুন বিল্ডিং পি, ডব্লিও, ডি মেরামত করে। এই ব্যবস্থা কেন করা হলো আমি বুঝতে পারি না। এই ব্যপারে একটি ইউনিফরমিটি আনা প্রয়োজন। মহোদয়, স্বাস্থ্য বিভাগের কাছে হয়তো টাকা কম থাকে। মাত্র ১লক্ষ বা দেড় লক্ষ টাকা দিয়ে আসামের সমস্ত ষ্টেট ডিসপেন্সারী গুলোকে রিপিয়ার করা সম্ভব নয়। এই জন্য আমার বক্তব্য হলো এই বিভাগের নতুন পুরোনো সমস্ত বিল্ডিং গুলোকে মেরামতির জন্য পি, ডব্লিও, ডি'র আওতায় আনা প্রয়োজন। সাধারনতঃ পুরোনো বিল্ডিংগুলির ক্ষেত্রে বলা হয়ে থাকে যে এইগুলো — 'আপ টু দি পি, ডব্লিও ডি স্পেসিফিকেশন' নয় বলে স্বাস্থ্য বিভাগ এগুলো ম্যানটেন করে। এটা একটা কথা হলো নাকি? সরকার ম্যানটেইন করবে, স্বাস্থ্য বিভাগও সরকারের পি, ডব্লিও ডি ও সরকারের —একি বিভাগের সবগুলি ম্যানটেইন করা উচিত।

গোলমাল)

রাজ্যের ডাক্তারখানাগুলোতে ঔষধপত্র নাই, ঘর ভেঙ্গে পড়ছে এমতাবস্থায় ডাক্তার কি চিকিৎসা করবে? এইজন্যতো ডাক্তার লালপাণী দেওয়া ছাড়া আর কিছু করতে পারছে না। সাব চেণ্টার সম্পর্কে সেদিন আমাদের স্বাস্থ্যমন্ত্রী মহাশয় বলেছেন যে এগুলোর প্রত্যেকটি তে এক একজন করে এ এন এম থাকবে এবং চতুর্থশ্রেণীর কর্মচারী থাকবে। কিন্ত এ গুলোতে তো কম পক্ষে ১ জন করে ফার্মাসিষ্টদেওয়া উচিত। এ সম্পর্কে বলতে বাধ্য হচ্ছি যে আমাদের সারা আসাম রাজ্যের মধ্যে কেবলমাত্র ডিব্রুগড়ে ফার্মাসিণ্ট ট্রেনিং চেণ্টার আছে। তাও মাত্র ৫০ টি আসন আছে। সেজন্য অন্ততঃ গৌহাটী এবং শিলচর মেডিকেল কলেজেও ফার্মাসিণ্ট ট্রেনিং চেণ্টার খুলবেন বলে আমি আশা করি। অবশ্য তবুও এ তে আমাদের চাহিদা পুরণ হবে না। কারণ সরকারী হাসপাতাল ছাড়ও প্রত্যেকটি প্রাইভেট ফার্মাসিতে একজন করে ফার্মাসীষ্ট থাকার নিয়ম আছে।

উপাধ্যক্ষ মহোদয়, আমি আজ অত্যন্ত দুঃখের সঙ্গে বলতে বাধ্য হচ্ছি যে স্বাধীনতার ৩০ বৎসর পরও আমাদের রাজ্যের গ্রামাঞ্চলের মানুষ পাণীয় জল থেকে বঞ্চিত।

*শ্রীনুরুল হুদা :— মহোদয়, মাননীয় সদস্য কি স্বীকার করেণ যে গত ৩১ বছরের অপদার্থ কংগ্রেস সরকারের শাসনের ফলে এঅবস্থা হয়েছে?

*আঃ মোক্তাদির চৌধুরী :— সে যাই হউক কিন্ত সত্যি কথা হলো ৩০ বছর পরে আজও গ্রামাঞ্চলের মানুষ খাবার জল পাচ্ছে না।

গোলমাল)

মহোদয়, অত্যন্ত দুঃখের কথা যে ২য় পরিকল্পনা থেকে আরম্ভ করে কত পরিকল্পনা গেল, টিউব ওয়েল হলো, কত রিং টিউব ওয়েল হলো, আর আজ এই রিং টিউব ওয়েলের ভিতর আজ অজস্র ব্যাং'এর বাঞ্চয় ভর্ত্তি। অথচ একফোটা খাবার জল নেই। পাব্লিক হেল্থ ইঞ্জিনিয়ারিং বিভাগ এগুলি স্থাপন করেছিল কিন্ত এগুলি মেনটেইন করার কোন ব্যবস্থা কেউ কোন কালে দেখে নি। তদানীন্তন স্বাস্থ্যমন্ত্রীকে এই সদনে আগে আমি যখন প্রশ্ন করেছিলাম যে এগুলি মেনটেইন করার মালিক কে, উত্তরে তিনি বলে-

Spaech not Corrected

ছিলেন যে এগুলির মালিক নাই। যাইহউক, আমি সরকারকে অনুরোধ করবো যাতে এইসব পুরনো টিউব ওয়েল এবং রিং টিউব ওয়েল গুলোকে যেন মেরামতি করে ব্যবহারের উপযুক্ত করে তোলা হয়। এজন্য প্রয়োজন হলে টাকার ব্যবস্থা করতে হবে। তাছাড়া যেন প্রতি ১০ টি টিউব ওয়েলের দেখাশোনা করার জন্য একজন লোকের নিয়োগ হয় তার ব্যবস্থা সরকারকে করতে হবে।

মহোদয়, শিক্ষা বিভাগ সম্পর্কে আমি ২/১ টা কথা বলতে চাই। গত ৫।৯।৭৭ ইং'তে আমাদের রাজ্যের এল পি স্কুল গুলোকে প্রভিনসিয়েলাইজ করা হয়েছে, ফলে যারা ৫৫ বৎসরবয়সে রিটায়ার করেছে তাদের জন্য সরকার যেন পেনশনের ব্যবস্থা করেণ, গ্রেচুইটির ব্যবস্থা করেণ, কারণ ইতিমধ্যে সুপারানিয়েশন এজ ৫৮ বৎসর করা হয়েছে কিন্তু এইসব হতভাগ্য শিক্ষকগণ তার বেনিফিট পায়নি।

(ভয়েস ঃ— তখন কেন করা হলো না ?)

আমি তখনকার কথা বলছি না, আজ কি করতে হবে তা বলছি। তখনকার কোন কাজ যদি বাকী না থাকত তাহলে বর্ত্তমান সরকার আজ কি করবে ? এটা তো এখন বর্ত্তমান সরকারেরই দায়িত্ব।

(ভয়েস ঃ— আগের সরকারতো অপদার্থ ছিল, তাই সব রেখে গেছে।
দুনীতি পরায়ণও ছিল, কিছু দুর্নীতির কথা বলুন।)

তাছাড়া যে সব এল পি টিচার সিলেকশন গ্রেড্ পেয়েছে, তাদের সিলেকশন কি ভিত্তিতে করা হয়েছে সে কথা আমি জানি না, কারণ বহু পুরনো এফিসিয়েন্ট টিচার সিলেকশন থেকে বাদ পড়েছেন।

শ্রীনুরুল হুদা ঃ— মাননীয় সদস্য কি স্বীকার করবেন যে এসব কাজ জরুরী অবস্থার সময় হয়েছিল ? সেইভাবেই কি তিনি কথাগুলো বলবেন ?

* আঃ মোক্তাদির চৌধুরী ঃ— মহোদয়, যেগুলো ভ্যানচার স্কুল নেওয়া হয়েছিল তার মধ্যে অনেকগুলোই বাদ পড়েছে। এ ব্যাপারে করিমগঞ্জ মহকুমার কিছু লোক এজেন্সি সিসটেমে ডিপি আই অফিসে এসে ম্যানেজ করে স্বার্থ উদ্ধার করেছে। সতরাং যে সব স্কুল বাদ পড়েছে সেই সব স্কুলগুলি সরকারীকরণের যেন ব্যবস্থা করা হয়। আশা করি সরকার একটা তদন্ত এ বিষয়ে ব্যবস্থা গ্রহণ করবেন এবং এই কথা বলে আমি আমার বক্তব্য শেষ করছি।

শ্রীজগত চন্দ্র পাটগিৰি ঃ— উপাধ্যক্ষ মহোদয়, আজি আমাৰ মাননীয় সদস্য সকলে কংগ্ৰেছ চৰকাৰৰ দিনত যিবিলাক কাম কাজ হৈছিল সেইবিলাকৰ কথাকে পাকে প্ৰকাৰে স্বীকাৰ কৰিছে। কংগ্ৰেছৰ দিনত ৩০ বছৰেও ৰাইজক বিচৰা মতে সা-সুবিধা দিব পৰা নাই। তেখেতসকলে আজি নিজেই স্বীকাৰ কৰিছে। পানীৰ পাইপত বেঙে বাহা লৈছে। ৰাইজক বিচৰামতে পানী যোগান ধৰিব পৰা নাই। ৰাইজক কোনো ৰকমে সা-সুবিধা দিব পৰা নাই।সমাজ বাদী সমাজ প্ৰতিষ্ঠা কৰিব পৰা নাই। উপাধ্যক্ষ মহোদয়, মই বাজেট সম্পৰ্কত কেইটামান কথা কবলৈ বিচাৰিছো। আমাৰ জনতা চৰকাৰে ১৯৭৯ চনৰ কাৰণে যিটো বাজেট কৰিছে সেই বাজেটত বহুতো ষ্টেপ নৈ নানা ধৰণৰ আঁচনি কৰা হৈছে। কিন্তু এই আঁচনি বিলাক কাৰ্য্যকৰী হয়নে নহয় এবছৰৰ পিচত ৰাইজে দেখিবলৈ পাব। সকলো প্ৰকাৰৰ উন্নয়নৰ কাৰণে এই বাজেটত যি আঁচনি লোৱা হৈছে আৰু যি টকা

*Speech not corrected.

ধৰা হৈছে সেইটো ভাল হৈছে। আমাৰ বাজেটত যিবিলাক টকা ধৰি আঁচনি কৰা হৈছে সেইবিলাক কাৰ্য্যকৰী কৰিব নোৱাৰিলে বাজেট বাজেট হৈয়ে ৰব। ৰাইজৰ উপকাৰৰ কাৰণে, ৰাইজ খাই লৈ পিন্ধি জীয়াই থাকিবৰ কাৰণে আৰু অন্যান্য সকলো ৰকমৰ উন্নয়নৰ কাৰণে আমাৰ যিখিনি টকাৰ প্ৰয়োজন, যিখিনি উৎপাদনৰ প্ৰয়োজন, সেই সংক্ৰান্তত মই কেইটামান কথা আগবঢ়াব বিচাৰিছো। আমাৰ উৎপাদন বঢ়াব পাৰিলেহে আয় বাঢ়িব আৰু তেতিয়াহে আমাৰ অৰ্থনৈতিক উন্নয়ন হব।

উপাধ্যক্ষ মহোদয়, উদাহৰণ স্বৰূপে কৃষি উন্নয়নৰ ক্ষেত্ৰত মই কব বিচাৰো যে, আমাৰ অসম নদ নদীৰে পৰিপূৰ্ণ হৈ আছে আৰু আমাৰ অসমৰ ইবিগেচনৰ কাৰণে আমাৰ চৰকাৰৰ ওচৰত বহুতো বাৰ কোৱা হৈছে। আমাৰ খেতিৰ পথাৰলৈ পানী যোগান ধৰিবৰ কাৰণে নানা উপায় আছে। বিজ্ঞান সন্মত পদ্ধতিৰে নদীৰ পৰা পানী আনি বা দোং খান্দি পানী আনি জলসিঞ্চনৰ ব্যৱস্থা কৰি দিয়ে তেনেহলে মই আশাকৰো যে, আমাৰ উৎপাদন বৃদ্ধি হব। মোৰ সমষ্টিতে ৩ খন ডাঙৰ ডাঙৰ নদী আছে। দুধনৈ কৃষ্ণাই, দেওশীলা আদি নৈ গাৰো পাহাৰৰ পৰা ওলাই ব্ৰহ্মপুত্ৰত পৰিছে। এইবিলাক নদীত জলসিঞ্চনৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আনহাতে যিবিলাক নদীত খৰালি পানী শুকাই যায় সেই বিলাকত জলসিঞ্চন কৰিলে সিমান কামত নাহে। এই নদী বিলাকৰ পৰা যিবিলাক খাল, দোং আদি কৰা হৈছে সেইবিলাক বিজ্ঞান সন্মত নোহোৱা কাৰণে বিশেষ কাম হোৱা নাই। আজি কৃষিৰ শিতানত লাখ লাখ টকা খৰচ কৰা হৈছে কিন্তু কৃষক সকলে যদি খেতি কৰিবৰ কাৰণে উপযুক্ত সা-সুবিধা নাপায়, তেতিয়া হলে আমাৰ তথা আমাৰ ৰাজ্যৰ কোনো ৰকমৰ উন্নতি হব নোৱাৰে। ইয়াৰো পাছি বানপানীত ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰৰ অঞ্চল সমূহ ক্ষতিগ্ৰস্থ হয়, সেই অঞ্চল সমূহত বানপানী নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিব লাগে। এই অঞ্চল বিলাকত প্ৰতি বছৰে বহুতো মানুহ ক্ষতিগ্ৰস্ত হয়। কংগ্ৰেছ চৰকাৰৰ দিনত এই অঞ্চলৰ ৰাইজ উপকৃত নহল।

তাৰ পিছত আন এটা উপাৰ্জনৰ পথ থকা বিভাগ বন বিভাগৰ সম্পৰ্কত মাননীয় কেইবাজনো সদস্যই পৰামৰ্শ আদি আগবঢ়াই গৈছে। মোৰ সমষ্টিকে আদি কৰি গোৱালপাৰা জিলাত যি বিলাক ৰেঞ্জ আছে সেইবিলাকত সংশ্লিষ্ট বিভাগীয় বিষয়া সকলৰ লগ লাগি চোৰাং কাৰবাৰ কৰিব লাগিছে। যোৱা ১৭ মে তাৰিখে টিকৰ কিলাত এনে এটা কেছ ধৰোতে ফৰেষ্টাৰৰ মূৰত কোৱালে তাৰ সেইদিনত বিট অফিছ এটাও পুৰিলে একে তাৰিখে লেলাত ধৰা কাঠ কৃষ্ণাইৰ ৰেঞ্জাৰলৈ খবৰ দিলে কিন্তু নাহিল। এই ধৰণেৰেই কাঠ বিলাক বাহিৰলৈ গৈ আছে। চোৰাং কাৰবাৰ হোৱাৰ আৰু এটা কথা হৈছে যে, ১০ হেজাৰ টকাৰ কাঠ ৪০ হেজাৰত বিক্ৰী কৰে। ফলত সেইটো মেক আপ কৰিবৰ কাৰণেই চোৰাং কাৰবাৰ কৰিব লগীয়া হয়। গতিকে চৰকাৰে এই কথাটো বিবেচনা কৰি ইয়াৰ এটা সীমা বান্ধি দিব লাগে।

তাৰ পিছত জনস্বাস্থ্যৰ ক্ষেত্ৰত যোৱা ৩০ বছৰত জনসংখ্যা অনুপাতে যি ধৰণে পাব্লিক হেল্থ চেণ্টাৰ, চাব চেণ্টাৰ আদি হব লাগিছিল সেইদৰে হোৱা নাই। জনতা চৰকাৰৰ দিনত যাতে এইটো হয় তাৰ কাৰণে আমি আশা ৰাখিছোঁ। মোৰ সমষ্টিতে একলাখ দহ হাজাৰ মানুহৰ ভিতৰত সেই অনুপাতে চাব চেণ্টাৰ হোৱাৰ কথা আছিল কিন্তু সেইটো নোহোৱাৰ কাৰণে কৃষ্ণাইৰ পৰা ১০ মাইল আঁতৰলৈ খাৰদাচ ৰাইজে কৃষ্ণাইলৈ গৈ তাতো খোজ কাঢ়ি চিকিৎসা পাতিব ব্যৱস্থা কৰিব লগীয়া হোৱাত ভীষণ অসুবিধাই দেখা দিছে। অকল সিমানেই নহয়, পোষ্ট অফিচ আদিও নোহোৱাৰ ফলত ভীষণ অসুবিধাই দেখা দিছে। মেঘালয়ৰ, সীমা তবত্তী এই অঞ্চল বিলাকত ৰাস্তাঘাত, চিকিৎসা পাতি আদিৰ একেবাৰে সুবিধা নোহোৱাৰ কাৰণে তাৰ লোক সকলে বজাৰ সামৰ আদিলৈ যাবৰ হলেও ১০/১২ মাইল খোজ কাঢ়ি বজাৰত আলু, কচু, জলকীয়া শাক

বেঙেনা আদি লৈ বজাৰ কৰিবলগীয়া হয়। এইবিলাক কাৰণেই মেঘালয়ৰ সামান্তবৰ্ত্তী এই অঞ্চল বিলাকৰ গাড়ো ৰাভা কছাৰী আদি লোক সকলে মেঘালয়ৰ লগত চামিল হোৱাৰ কাৰণে দাবী জনাইছিল। কিয়নো এই বিলাক ঠাইৰ লোক সকলে যিবিলাক সুবিধা আদি ভোগ কৰি আছে মেঘালয়ে তাতকৈবহুত সুখ সুবিধা পাইছে। গাড়ো মেডিয়ামৰ স্কুল বিলাক পৰিদৰ্শন কৰিবৰ কাৰণে এছ, আই, সকল নেযায়। বিল্ডিং গ্ৰাণ্ট নেপায়। শিক্ষক সকলৰ দৰ্ম্মহা আদিৰ ক্ষেত্ৰত বৰ হৈৰেগদলাৰ। গতিকে এই গোটেই কথা বিলাক চাবৰ কাৰণে আৰু অসমৰ চকে কোনে যাতে উন্নয়নয়ন পোহৰ দেখা পায় তাৰ কাৰণে এই নতুন জনতা চৰকাৰ যত্নপৰ হব লাগিব। চিনিয়ৰ বেছিক, জুনিয়ৰ বেছিক আদি পৰ্য্যায় বিলাকৰ ক্ষেত্ৰতো ভীষণ ইৰেগুলাৰিটি পৰিলক্ষিত হৈছে। পোষ্ট বিলাক কনফাৰ্ম্ম নহয়। ৰিটায়াৰ্ হোৱাৰ পিছতো পেঞ্চন নেপায়। মোৰ সমষ্টিতে এজন লোক শ্ৰীখগেন দাস। ৰিটায়াৰ হোৱাৰ পিছতো পেঞ্চন আদি আজিলৈকে পোৱা নাই। প্ৰাইমেৰী স্কুল, এম, ই স্কুল, এম, ভি স্কুল আদিত থকা চকিদাৰ সকলে আজিলৈকে ৭০/৮০ টকাতে খাতি আছে। অথচ উচ্চ পদস্থ অফিছাৰ সকলে ১১০০ শ পৰ্য্যন্ত টকা পায়। বস্তুৰ দামৰ ক্ষেত্ৰতটো উচ্চ পদস্থ আৰু নিম্ন বেতনভোগী সেই সকলৰে ক্ষেত্ৰত একেই। ৭৯৩ জন চকিদাৰৰ এটা দাবী ১৯৭৪ চনৰ পৰা ফাইলতে ঘূৰা ঘূৰি কৰি আছে। তাৰ কোনো মীমাংসা কৰিব পৰা নাই। মন্ত্ৰী, এম, এল এৰ ঘৰে ঘৰে এই সকল লোক ঘূৰি ফুৰিছে। তাৰ পিছত ষ্টাইপেণ্ড দি ট্ৰেইনিং দি অনা বেছিকৰ ছাত্ৰ সকলকো চাকৰি বাকৰি আদিৰ কোনো সংস্থান দিব নোৱাৰি বেকাৰ কৰি ৰাখিছে। খাব-পিন্ধিবৰ কাৰণে আৰু থাকিবৰ কাৰণে জনতা দলে যি প্ৰতিশ্ৰুতি দিছিল সেই মতে যদি নতুন জনতা দলৰ চৰকাৰে ৰাইজৰ অন্নবস্ত্ৰৰ সমস্যা সমাধান কৰিব নোৱাৰে তেতিয়াহলে, ৰাইজে প্ৰতিশ্ৰুতি পালন নকৰাৰ কাৰণে এই দলৰ চৰকাৰকো ক্ষমা নকৰিব। কাৰণ ৰাইজ আজি ভীষণ সজাগ হৈ আছে। যোৱা ৩০ বছৰত কংগ্ৰেছী চৰকাৰে আমাৰ লোক, সকলক সকলো দিশৰ পৰাই চাপ দি ৰাখিছিল। কিন্তু ৰাইজ আজি মুক্ত। গণতন্ত্ৰ কি বস্তু ৰাইজে বুজি পাইছে। গতিকে জনতা দলৰ চৰকাৰ এইবিষয়ে সজাগ হৈ থাকিব লাগিব। ইয়াৰ ভিত্তিতেই ৰাইজৰ জনকল্যাণমূলক আঁচনি বিলাক ক্ষীপতাৰে কৃতকাৰ্য্য কৰি তুলিব লাগিব।

ইয়াৰ পিছত দুধলৈকে আদি কৰি গোৱালপাৰা জিলাৰ দক্ষিণ অংশৰ কাৰণে জিলাখনৰ হেডকোৱাৰ্টাৰ টো ধুবুৰীত হোৱাৰ কাৰণে ৰাইজৰ বিলাই বিপত্তি নোহোৱা হৈছে। ধুবুৰীলৈ যাবৰ হলে যোগীঘোপা-পঞ্চৰত্নৰ ইদি ভাল ভদ্ৰমানুহেও নদীৰিলে গাড়ীৰ ফেৰিত পাৰ হব নোৱাৰে। নহলে গাড়ী পোৱা ভীষণ টান। যি খিনি সময়ত গুৱাহাটীলৈ দুই তিনিবাৰ অহা যোৱা কৰিব পাৰি কিন্তু সেই খিনি সময়ত ধুবুৰীলৈ যাবলগীয়া হলে এবাৰেই গৈ আহিব নোৱাৰি। সেইকাৰণেই আমি আশাকৰো, গোৱালপাৰা মহকুমাক অনতিপলমেই জিলা বুলি ঘোষনা কৰিব লাগে। তেতিয়া ৰাইজৰ বহুতো সমস্যা সমাধান হোৱাৰ উপৰিও সেই বিলাক ঠাইৰ উন্নয়ন হব।

ৰেল লাইনৰ ক্ষেত্ৰটো আমি ভাবিছিলো যে, ব্ৰডগেজ লাইন দক্ষিণ পাৰলৈকে হব কিন্তু বাস্তৱত শেষত দেখা গল যে, উত্তৰ পাৰতহে সেইটো হল। যোগীঘোপা-পঞ্চৰত্নৰ দলঙো অন্য ঠাইতহে হল।

কিন্তু আমি সকলোৱে জানো যে যেতিয়ালৈকে আমাৰ এই ৰাজ্যখনত বিশেষকৈ এই দক্ষিণ পাৰত পৰিবহনৰ ব্যৱস্থা কটকটীয়া নহয় তেতিয়ালৈকে আমাৰ যিবিলাক উন্নয়নমুখী আঁচনি সমূহ আছে বা হাতত লৈছে সেইবিলাকত কাহানিয়ো আগবাঢ়ি যাব পৰা নহব। কিয়নো আজি এই দক্ষিণ পাৰত চাওক বিশেষকৈ গাৰো হিলচৰ কাষত বহুতো মূল্যবান কাঠ বাঁহ ইত্যাদি আছে তাৰোপৰি এই অঞ্চলৰ কাষে কাষে কমলা নেমু কল ইত্যাদি প্ৰচুৰ হয় কিন্তু এইবিলাক পৰিবহনৰ অসুবিধাৰ কাৰণে অনা নিয়াত অসুবিধা

হয় ফলত বেপাৰীয়ে বিহাৰ দিল্লীৰ পৰা এই কল কমলা বাহিৰৰ পৰা আনি কম দামত কিনি ইয়াকঅধিক দামত বিক্ৰী কৰে আৰু ইয়াৰ পৰাও নি বেঁচি দামত বিক্ৰী কৰি লাভবান হয়। কিন্তু আমি ইয়াৰ পৰা কোনো লাভবান হব পৰা নাই। পৰিবহনৰ অসুবিধাৰ কাৰণেই আমি যিমান খিনি বেনিফিট হব লাগিছিল সিমান খিনি হব পৰা নাই। আমাৰ সেই অঞ্চলত শাল কাঠ প্ৰচুৰ হয়, এই শালকাঠৰ পৰা আমাৰ ৰাজ্যিক চৰকাৰে বছৰি ১০/১৫ লাখ টকা ৰেভিনিউ পায় কিন্তু তেনে ধৰণৰ পৰিবহনৰ সুবিধা নথকাৰ কাৰণে আমি তাৰ পৰা বিশেষ উপকৃত হব পৰা নাই। সেই অঞ্চলত ৰাস্তা-ঘাটৰ অসুবিধা হোৱাৰ কাৰণে সেই অঞ্চলত বাস কৰা লোক সকলে যোৱা ৩০ বছৰে বিক্ষুব্ধ হৈ পৰিছে, গতিকে মই নতুন চৰকাৰক অনুৰোধ কৰিছোঁ যাতে আমাৰ সেই মানুহ বিলাকে আৰু পুনৰ বঞ্চিত হব লগীয়া নহয় আৰু তাত যাতে তেনেধৰণৰ বৈষম্য নাথাকে। তাৰ পাচত চাওক সেই অঞ্চললৈ আজি ইমান দিনে বিজুলী বাতি সৰবৰাহ কৰিব পৰা নগল ফলত তাত থকা যিবিলাক চিকিৎসাৰ কেন্দ্ৰ আছে প্ৰাইমাৰী হেল্থ চেণ্টাৰ আছে সেইবিলাকত সকলো থিক হৈ আছে কিন্তু বিজুলী বাতি নথকাৰ কাৰণে ডাক্তৰে তাত কাম-কাজ কৰাত অসুবিধা পাইছে। বিশেষকৈ ৰংজুলিত চাওক সকলো খিনি হৈ আছে কিন্তু বিজুলী যোগান নথকাৰ কাৰণে যথেষ্ট অসুবিধা হৈছে। আজি কেৱল টাউন বিলাকত হে বিজুলী বাতি হৈছে, গুৱাহাটী চহৰতে চাওক মকৰা জালৰ নিচিনা বিজুলী বাতি, ৰাস্তাই-ঘাটে পানী, ১০ তলাৰ ওপৰতো পানীৰ যোগান আছে কিন্তু গাৱঁবিলাকত পানীৰ অভাৱত গাৱঁৰ মানুহে বেঙে মুটা পানী খাবলগীয়া হৈ আছে পিতনিৰ পানী খাইছে। গুৱাহাটীৰ অলপ দূৰত থকা মালিগাঁৱত চালে দেখিব বাতি তাত সেইখন আকাশ নে মাটি ধৰিবই নোৱাৰিব, কেউফালে কেৱল তৰাৰ নিচিনা বিজুলী বাতি। গাৱঁ-বিলাকত বহুতো ঠাইত জলসিঞ্চনৰ প্ৰকল্প তৈয়াৰ হৈ আছে কিন্তু তাত বিজুলী যোগান নোহোৱাৰ কাৰণে তাত পানী যোগান ধৰিব পৰা নাই, বিজুলীৰ অভাৱৰ কাৰণেই পানী যোগান আঁচনি লোৱা হৈছে সেইবিলাক কাৰ্য্যকৰী কৰিবপৰা নাই আৰু গাৱঁৰ মানুহ বছৰ বছৰ ধৰি খোৱা পানী টোপাৰ পৰাও বঞ্চিত হৈ থাকিব লগীয়া হৈছে। ধনী মানুহবিলাক য'ত থাকে তাত চৰকাৰে গৈ পানী যোগান আঁচনিৰ পৰা আৰম্ভ কৰি বিজুলী যোগান ৰাস্তা-ঘাট সকলো তৈয়াৰ কৰি দিয়ে কিন্তু গাঁৱ বিলাকত দুখীয়া মানুহ বিলাক থকাৰ কাৰণে তাত চৰকাৰৰ কোনো দৃষ্টি নাই, তেওঁলোকে নিজৰ ৰাস্তা-ঘাট নিজে তৈয়াৰ কৰি লবলগীয়া হয়, খোৱা পানী টোপা নিজে কষ্ট কৰি নললে উপায় নাই।

এইদৰে আমাৰ ৰাজ্যখনত যিবিলাক উন্নয়নমূখী আঁচনি হাতত লোৱা হৈছে তাত যথেষ্ট বৈষম্য দেখা গৈছে, এই বৈষম্য কেৱল অৰ্থনৈতিকয়েই নহয় সামাজিক বৈষম্যও আছে। গাঁৱৰ মানুহবিলাকে নিজে স্কুল প্ৰতিষ্ঠা কৰিব লাগে, নিজে স্কুল ঘৰ অশেষ কষ্ট কৰি বান্ধি লব লাগে তাত সহায় কৰোতা কোনো নাই. তাৰ পাচত আকৌ দি, পি, আই, দি, আইৰ ওচৰলৈ অহা যোৱা কৰোতে হায়ৰাণ হব লগীয়া হয়। সেই মানুহ বিলাক দুখীয়া আৰু নিৰক্ষৰ হোৱাৰ কাৰণে সকলো সুবিধাৰ পৰা বঞ্চিত হব লগীয়া হয়। আজি আমি এয়াৰ-কন্দিশ্যনত সদনত বহি থাকি গাঁৱৰ মানুহ বিলাকৰ কথা বিলাক পাহৰি যাও যে আমাৰ গাঁৱৰ মানুহ বিলাকে এমুঠি খাবলৈ নাপাই, এটুপী পানীৰ অভাৱত মৃত্যু বৰণ কৰিব লগীয়া হয়, যোৱা ৩০ বছৰে এই সম্পৰ্কত এই মানুহ বিলাকৰ প্ৰতি একো কৰা নহ'ল। উপাধ্যক্ষ মহোদয়, আমাৰ গাঁও অঞ্চলত ৰাস্তা-ঘাটৰ কোনো সুবিধা কৰা নহ'ল মোৰ সমষ্টিৰ ওচৰত থকা যি খন নদী আছে সেই খন ৭০ ফুট দীঘল সেইখন সদায় মই চাইকেল কান্ধত লৈ পাৰ হবলগীয়া হও, তাত ৰাস্তা-ঘাট দলং নোহোৱাৰ কাৰণে সেই অঞ্চলৰ মানুহ বিলাকৰ অত্যন্ত অসুবিধা হৈছে। গতিকে আজি ইমান দিনে এই অঞ্চলবিলাকেই নহয় আমাৰ গাঁৱবিলাক যি ধৰণে অৱহেলিত হৈ আছে সেইটো যাতে নতুন চৰকাৰৰ দিনত নহয় তাৰ বাবে জনতা চৰকাৰে বিশেষ দৃষ্টি দিব আৰু বাজেটত যিবিলাক কথা কোৱা হৈছে সেই বিলাক যাতে থিক মতে কাৰ্য্যকৰী কৰাৰ কাৰণে চেষ্টা কৰে। এই খিনিকৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীভদ্ৰেশ্বৰ গগৈ :— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিত্তমন্ত্ৰী মহোদয়ে বিগত বছৰটোৰ বাবে যি খন বাজেট ডাঙি ধৰিছে সেই বাজেটৰ লগতে তেখেতে অহা বছৰটোৰ ভিতৰত বিভিন্ন শিতানত ধৰিব লগীয়া আঁচনিৰ কথাও উনৰকিয়াইছে। তেখেতে ১৯৭৮/৭৯ চনৰ হিচাবৰে আহি অহা বছৰটোৰ বাবে মুঠ ৰাজহআয় ২৮৪·৪৩ কোটি টকা আৰু মুঠ ৰাজহ ব্যয় ২৪৯·৬৩ কোটি টকা হব বুলি কৈছে। ইয়াৰ ফলত মুঠ ৩৪·৮০ কোটি টকাৰ ৰাজহ উদ্বৃত্ত হবগৈ বুলি অনুমান কৰা হৈছে। ৰাজহ হিচাপৰ বাহিৰত ৩৭৪'৩৫ কোটি টকা আয় আৰু ৪১৫'৭০ কোটি টকা ব্যয় হব বুলি ঠাৱৰ কৰা হৈছে। ইয়াৰ ফলত ৪১'৩৫ কোটি টকা ঘাটি পৰিবগৈ। এই ঘাটিৰ এক বৃহৎ অংশ ৰাজহ হিচাপৰ বাহিৰ (৩৪·৮০ কোটি টকাৰ) পৰা পূৰোৱা হব। অৱশেষত ৬·৫৪ কোটি টকা বছৰটোৰ বাবে ঘাটি ৰবগৈ। আৰম্ভণিৰ ঘাটি উদ্বৃত্ত ৪·০৬ কোটি টকাৰ লগত উপৰুক্ত ঘাটি লগ লগালে আগন্তুক বছৰটো ১০·৬০ কোটি টকাৰ ঘাটি উদ্বৃত্তৰে সামৰণি পৰিব। এই ঘাটি কেনেদৰে পূৰণ কৰিব পৰা হব সেই বিষয়ে মই কেইটামান পৰামৰ্শ দিব বিচাৰিছোঁ।

উপাধ্যক্ষ মহোদয়, এই ঘাটি পূৰণ কৰিবলৈ হলে আমি আমাৰ দেশৰ অৰ্থনৈতিক পৰিবৰ্ত্তন সমাধা কৰিব লাগিব। আমাৰ যিটো ৰাজনৈতিক পৰিকল্পনা, আমাৰ দেশৰ অৱস্থাৰ উন্নতি কৰিব কাৰণে দুখীয়া জনসাধাৰণক কেন্দ্ৰ কৰি গঢ়ি তোলা পৰিকল্পনা নহয়। আমাৰ অৰ্থনৈতিক পৰিকল্পনা হব লাগিব কৃষিক কেন্দ্ৰ কৰি কৰা পৰিকল্পনা। কিন্তু যোৱা ৩০ বছৰে কৃষিৰ ওপৰত কোনো মনোযোগ দিয়া হোৱা নাই। আমাৰ দেশৰ শতকৰা ৯১ জন গাঁৱত বাস কৰে। তাৰে শতকৰা ৮০ জন খেতিয়ক, খেতিৰ ওপৰত জীৱিকা নিৰ্ব্বাহ কৰে। এই কৃষক সকলৰ প্ৰতি একেবাৰেই অৱজ্ঞা কৰি অহা হৈছে। যোৱা ৩০ বছৰে আমি দেখিছো আমাৰ চৰকাৰে বিভিন্ন কৰ্ম্মচাৰী সকলক বহুত খিনি সা-সুবিধা দিছে আৰু সমস্যা সমাধান কৰিছে। যোৱা ৩০ বছৰে বহুত দৰমহা বৃদ্ধি হৈছে। বস্তুৰ চৰা দাম বুলি মৰগীয়া বানচ বৃদ্ধি হৈছে, অৱসৰ প্ৰাপ্ত সকলে পেঞ্চন পাই আছে। বেমাৰী সকলে বেমাৰ-আজাৰ হলে প্ৰভিডেণ্ট ফাণ্ডৰ ব্যৱস্থা আছে। কিন্তু খেতিয়ক সকলে কি দোষ কৰিলে যে তেওঁলোকৰ কাৰণে কোনো ব্যৱস্থাই কৰা নাই। কৃষক সকলক কেন্দ্ৰ কৰি আমাৰ চৰকাৰে পৰিকল্পনা নকৰিলে দেশৰ উন্নতি হব নোৱাৰে। অৱশে আমাৰ বিত্তমন্ত্ৰী মহোদয়ে এইটো আশা কৰিছে, তেখেতে কৈছে, কৃষিৰ প্ৰতি কৰা অৱহেলাই হল আমাৰ অৰ্থনৈতিক অনগ্ৰসতাৰ মূল কাৰণ।এই অৱস্থাৰ উন্নতি কৰিব হলে কৃষি উৎপাদন বৃদ্ধি, গ্ৰাম্য অঞ্চলৰ কৰ্ম্মহীনতা হ্ৰাস আৰু কৃষক সকলক কৃষি উৎপাদনৰ উচিত মূল্যৰ প্ৰতিশ্ৰুতি দি আঁচনি গ্ৰহণ কৰাটো প্ৰয়োজন হৈ পৰিছে। তেখেতে অনুভৱ কৰিছে কৃষিৰ উন্নতি হব লাগে। এই বছৰ এতিয়ালৈকে সমগ্ৰ অসমতে খৰাং বতৰ। যি খেতি হব লাগিছিল সেই খেতি বিলাক হোৱা নাই। যদি আমি কৃষিৰ ওপৰত মনোযোগ দিলোহেতেন তেনেহলে খৰাং বতৰে আমাক একো কৰিব নোৱাৰিলেহেতেন। যদি জলসিঞ্চনৰ ব্যৱস্থা থাকিলহেতেন তেনেহলে আমি এই অৱস্থাৰ পৰা হাত সাৰিব পাৰিলোহেতেন। জলসিঞ্চনৰ যি ব্যৱস্থাৰ কথা কোৱা হৈছে আজি ৩০ বছৰে কোৱাহে হৈছে কৰা হোৱা নাই। লিভণ্ট ইৰিগেচন আদি কৰবাত যদি ২—১ ঠাইত হৈছেও সেই বিলাক সম্পূৰ্ণ কৰোতে ১০/১৫ বছৰ লাগি যায়। গতিকে এই আঁচনি বিলাক দ্ৰুত গতিত নকৰিলে আঁচনি কৰাৰ কোনো লাভ নাই। গতিকে এইটো মই আশা ৰাখিছো আৰু কৃষি মন্ত্ৰীৰ ওচৰত অনুৰোধ কৰিছো যাতে এই সকলোবোৰ দ্ৰুত গতিত কৰা হয়। জলসিঞ্চনৰ প্ৰশ্ন উঠিলে লগতে বিজুলি শক্তিৰো প্ৰশ্ন উঠে। সেই কাৰণে বিজুলী শক্তিৰো যাতে বিহিত ব্যৱস্থা পৰিকল্পিত ভাবে হয় তাৰ আশা ৰাখিলো।

---

*Speech not corrected.

ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ বিলাকে বানপানীৰ সৃষ্টি কৰি যথেষ্ট ক্ষতিসাধন কৰি আহিছে প্ৰতি বছৰে। যিমান বিলাক খেতি বাতি কৰা হয় সকলো বিলাক নষ্ট কৰি পেলায়। গতিকে খেতিয়ক সকলে প্ৰতি বছৰে এই বিপদৰ সন্মুখীন হব লগীয়া হয়। যি বিলাক মথাউৰিৰ বান নিয়ন্ত্ৰণৰ বাবে বন্ধা হয় সেইবোৰ পৰিকল্পিত ভাবে বন্ধাৰ ব্যৱস্থা কৰিব লাগে।

এই খিনিতে মই এটা পৰামৰ্শ দিব বিচাৰিছো—এই মথাউৰি বিলাক বান্ধিছে গড়-কাপ্তানিৰ লগত যোগাযোগ কৰি মথাউৰিৰ লগতে শিলগুটি আদি দি ৰাস্তা এটাও বান্ধি দিব লাগে। এনে কৰিলে মোৰ বোধেৰে সেইবোৰ খহি যোৱাৰ সম্ভাৱনা নাথাকে।

ভূমি সংস্কাৰ বিষয়ত যি ব্যৱস্থা গ্ৰহণ কৰাৰ কথা কৈছে সেইটো বৰ সন্তোষজনক কথা। এই ভূমি সমস্যা সমাধা কৰিবলৈ যাওতে ইয়াত এটা কথা কব লগীয়া আছে। বিশেষকৈ আমাৰ উজনি অঞ্চলত বহুত এনেকুৱা ধৰণৰ মাটি আছে য'ত ১০/২০ বছৰে ঘৰ বাৰি কৰি আছে, মানুহো বুঢ়াহল আৰু বাৰিখনো বুঢ়া হৈ গল অথচ মাটিখিনি কোনো পট্টাৰ ব্যৱস্থা নাই। যোৱা বছৰ লেণ্ড চেটেলমেণ্ট হৈ গল অথচ সেইবিলাক মানুহে পট্টা নেপালে। গতিকে ভূমি সংস্কাৰ কৰিবলৈ যাওতে যাতে সেই বিষয়ে লক্ষ্য ৰাখে তাৰ বাবে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টিআকৰ্ষণ কৰিলো। এই খিনিতে আমাৰ যাতায়তৰ কথা আহে। যোৱা ৩০ বছৰে গাঁৱলীয়া অঞ্চলত যাতায়তৰ কোনো ব্যৱস্থা হোৱা নাই। এতিয়াও বহুত গাঁৱ আছে য'ত বাট-পথ নাই। আৰু এনেধৰণৰ কিছুমান বাট-পথ আছে য'ত বোকাপানী নগচকাকৈ যাব নোৱাৰি। গতিকে এনেকুৱা অঞ্চল বিলাকত যাতায়তৰ যি ব্যৱস্থা কৰিবৰ কাৰণে আঁচনি হাতত লৈছে মই ভাবো সেইবিলাক খৰটকীয়াকৈ কৰিব লাগে। এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ জনালো।

স্বাস্থ্য বিষয়ত আমাৰ মাননীয় সদস্য সকলে বহুতে বহু কথাই কৈছে, মই ভাবো স্বাস্থ্য ৰক্ষাৰ কাৰণে বিশেষকৈ গাঁৱলীয়া অঞ্চলত বিশেষ ভাবে মনোযোগ দিয়াটো প্ৰয়োজন। বিশেষ গাঁৱলীয়া অঞ্চলত সিমান সুবিধা আমাৰ নাই। ২০।৪০ হাজাৰ মানুহৰ ভিতৰত এখন মাত্ৰ ডাক্তৰ খানা তাকো বৃটিছৰ দিনৰে লোকেল বোৰ্ডৰ ঘৰ এটাকে মেৰামতি কৰি তাতে ডাক্তৰ খানা কৰিছে, তাকো ডাক্তৰ প্ৰায়েই নাথাকে। আৰু ডাক্তৰ থাকিলেও ঔষধ-পাতিৰ ব্যৱস্থা নাই। গতিকে গাঁৱলীয়া এলেকাত ডাক্তৰ আৰু ঔষধৰ অভাৱত বহুতো মানুহ মৃত্যু মুখত পৰিবলগীয়া হৈছে। আমাৰ ৰাজ্যখনত তিনিখনকৈ মেডিকেল কলেজ হল, কিন্তু যি জন মানুহে এবাৰ মেডিকেল কলেজলৈ গৈছে তেওঁক মেডিকেল কলেজৰ ভিতৰুৱা কথাটো নকলেও হব। মই ভাবো প্ৰত্যেকেই ইয়াৰ ভুক্তভোগী। এই মেডিকেল কলেজখন দুখীয়া মানুহৰ কাৰণে নহয়, ধনী মানুহৰ কাৰণেহে। দুখীয়া মানুহ মেডিকেল কলেজলৈ গলে চিট নাপায়, চিট পাবলৈ হলে আগতিয়াকৈ গৈ টকা দি দেখুৱালেহে চিট এটা পায়। চিট পালেও কোনো লাভ নাই। কাৰণ ইয়াত ঔষধ-পাতি যি দৰকাৰ হয় সকলো খিনি বাহিৰৰ পৰা কিনিব লাগে। কোনো ঔষধেই তেওঁলোকে নিদিয়ে, গতিকে গাঁৱৰ কোনোবা বেমাৰীয়ে এবাৰ হস্পিতাললৈ গলে দুবাৰ যাব নিবিচাৰে। লগতে আমাকো বাধা দিয়ে। তাৰ পাচত কয়, হস্পিতাললৈ গলে যি দোখৰ মাটি আছে তাকো বন্ধকত থব লাগিব। গতিকে এই বিষয়ে মই স্বাস্থ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰো যাতে ইয়াৰ বিহীত ব্যৱস্থা লয়।

উপাধ্যক্ষ মহোদয়, তাৰ পিচত মই পঞ্চায়ত সম্বন্ধে কব খুজিছো। এই পঞ্চায়ত ব্যৱস্থাৰ দ্বাৰা আমাৰ দেশৰ জনসাধাৰণক ৰাজনৈতিক ভাৱে সচেতন কৰিবলৈ হলে পঞ্চায়ত ব্যৱস্থা আছিল উত্তম ব্যৱস্থা। কিন্তু পঞ্চায়ত ব্যৱস্থা ইমান বেছিকৈ সলনি কৰিব ধৰিলে যে কোনো এটা ব্যৱস্থা বহুজ উঠাৰ উপক্ৰম হোৱাৰ লগে লগে ই আন এটা ব্যৱস্থা

জনসাধাৰণৰ ওপৰত আৰোপ কৰা হয় আৰু ফলত ৰাজনৈতিক ভাৱে জনসাধাৰণক আশাতীত ভাৱে সচেতন কৰিব পৰা হোৱা নাই। নিৰ্ব্বাচনৰ আগৰ প্ৰতিশ্ৰুতি হিচাবে ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ কথা কোৱা হৈছিল। সেই বিলাক এতিয়াও কাগজে কলমেহে হৈ আছে। তাৰ ফলত জনসাধাৰণৰ পঞ্চায়তৰ প্ৰতি আস্থা ক্ৰমান্বয়ে নাইকীয়া হৈ আহিছে। পঞ্চায়ত পদ্ধতিৰ গঠন কৰাৰ সম্পৰ্কত চাহ বাগান বিলাকত অন্তৰ্ভুক্ত কৰিব লাগে বা নালাগে লৈ মতান্তৰ সৃষ্টি হৈছে। কিন্তু মোৰ মতে পঞ্চায়ত ব্যৱস্থা চাহ বাগান বিলাক সাঙুৰিব নালাগে। কিয়নো পঞ্চায়তৰ যোগে দিয়া টকা পইচা আদি চাহ বাগানৰ কাৰণে দিয়াৰ দৰকাৰ নহয়। উদাহৰণ স্বৰূপে চাহ বাগানৰ কাৰণে ৰাস্তা-ঘাট, চিকিৎসা, শিক্ষা, ঘৰ দুৱাৰ বন্ধা আদি কামত পঞ্চায়তৰ পৰা টকা দিবলগীয়া নহয়। গতিকে চাহ বাগান বিলাক পঞ্চায়ত ব্যৱস্থাৰ মাজলৈ ননাটোৱেই ভাল বুলি মোৰ বিশ্বাস ।

সমবায়ৰ ক্ষেত্ৰত দেখা যায় যে যোৱা ত্ৰিশ বছৰে সমবায়ৰ নামত বহুত বিধৰ সমবায় সমিতি আমি দেখিবলৈ পালো। কিন্তু আচলতে কোনোটোৱেই জনসাধাৰণে স্বাৰ্থ ৰক্ষাৰ কাৰণে উপযুক্ত হৈ উঠিব পৰা নাই। এটা পদ্ধতিৰ সমবায় সমিতি জনসাধাৰণৰ মাজত প্ৰচাৰ কৰা কাৰণে জনসাধাৰণে কোনোটোকেই আকোৱালী লব পৰা নাই। তাৰ উপৰিও প্ৰায়ভাগ সমবায় সমিতিতেই দুৰ্নীতিহে বাহ লোৱা কাৰণে ৰাইজৰ আস্থা আদায় কৰিব পৰা নাই। সমবায়ৰ প্ৰতি ৰাইজক আগ্ৰহশীল কৰিবলৈ হলে কৃতিত্বৰ স্বাক্ষৰ বহন কৰিব লাগিব। এই ক্ষেত্ৰত মই সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো ।

শিক্ষাৰ ক্ষেত্ৰত কবলৈ বাধ্য হৈছো যে শিক্ষাৰ পৰিবৰ্ত্তন আৰু প্ৰসাৰৰ নামত যদিও আগৰ শ্ৰেণী বিলাকৰ নতুন নামেৰে নামাকৰণ কৰা হল বা কিতাপ পত্ৰ আদি সলাই দিয়া হল কিন্তু আচলতে শিক্ষাৰ ক্ষেত্ৰত কোনো পৰিবৰ্ত্তন হোৱা নাই। এবছৰৰ কিতাপ আন বছৰলৈ নচলে আৰু তাৰ পিচৰ বছৰলৈ আগৰ বছৰৰ কিতাপ নচলে, ইয়াৰ ফলত জনসাধাৰণক অসুবিধাত পেলোৱা হৈছে মাত্ৰ। শিক্ষাৰ কোনো উন্নতি হোৱা নাই। সপ্তম শ্ৰেণীৰ লৰা এজনৰ কাৰণে যিমান কিতাপ হৈছে শ্ৰেণীলৈ লৈ যাব নোৱাৰে। অথচ শতকৰা আশী ভাগ স্কুলৰেই ঘৰ-দুৱাৰ বেয়া। আমি প্ৰথম জোৰ দিব লাগিব প্ৰাইমাৰী শিক্ষাত। কিয়নো প্ৰথম আমি সকলোৱেই প্ৰাইমাৰী স্কুলত পঢ়িছিলো। অথচ প্ৰাইমাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও তামোল গছৰ ঢকুৱা লৈ মাটিত বহি পঢ়িব লাগে। স্কুল ঘৰৰ বেৰ নাই, চালত খেৰ নাই। বছৰে বছৰে স্কুল-কলেজৰ পৰা পাচ কৰি লৰা ওলাই আছে আৰু নিবনুৱাৰ সংখ্যা বঢ়াইছে মাথোন। কৰ্ম্ম ভিত্তিক শিক্ষা ব্যৱস্থাইহে নিবনুৱা সমস্যা সমাধান কৰাত সহায় কৰিব পাৰে। কিন্তু বৰ্ত্তমান ব্যৱস্থাৰ দ্বাৰা উঠি অহা যুৱক সকলক অনিশ্চয়তাৰ মাজত ৰাখি থোৱা হৈছে। বিশেষজ্ঞ সকল আছে যদিও কৰ্ম্মভিত্তিক শিক্ষাৰ ব্যৱস্থা এতিয়াও হৈ উঠা নাই ।

শ্ৰীবিপিন হাজৰিকা :— উপাধ্যক্ষ মহোদয়, সদসনত আলোচনা হোৱা বিষয়টোৰ বাবে থকা মন্ত্ৰীজনা আলোচনা কালত সদনত উপস্থিত থাকিব লাগে। কিন্তু এতিয়া বিভাগীয় মন্ত্ৰী শ্ৰীকেশৱ গগৈ ডাঙৰীয়া সদনত নাই।

Mr. DEPUTY SPEAKER : He took my Permission

শ্ৰীভদ্ৰেশ্বৰ গগৈ :— শিক্ষাৰ ক্ষেত্ৰত যাতে এটা আমূল পৰিবৰ্ত্তন আনিব পাৰে নতুন চৰকাৰলৈ এই আহবান ৰাখি মই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো ।

শ্ৰীশশকমল সন্দিকৈ :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী মহোদয়ে যি বাজেট দাঙি ধৰিছে সেই বাজেট সম্পৰ্কে জনতা দলৰ বিভিন্ন বক্তাই যি বক্তব্য দাঙি ধৰিছে

সি সম্পূৰ্ণ সংগতি পূৰ্ণ নহয়। উদাহৰণ স্বৰূপে পুলিচ হেডত ১৯৭৪-৭৭ চনত ব্যয় হৈছিল ১৭ কোটি ৬২ লাখ ৬৯ হাজাৰ ৯৪২ টকা আৰু ১৯৭৭-৭৮ চনত ১৮ কোটি ৪৩ লাখ ৪০০ টকা আৰু ১৯৭৮-৭৯ চনত ২০ কোটি ৪৫ লাখ ৮৬ হাজাৰ ৭০০ টকা অকল পুলিচ হিডত বৰাদ্দ ধৰিছে। জনতা চৰকাৰে শিল্প নীতি কৈছিল যে স্মল স্কেল ইণ্ডাষ্টিত আৰু গাঁওলীয়া শিল্পত বেছি গুৰুত্ব আৰোপ কৰিব কিন্তু বাস্তৱত আমি কি দেখিছো, এই শিতানত ১৯৭৭-৭৮ চনত বৰাদ্দ হৈছিল ১ কোটি ৮৫ হাজাৰ টকা আৰু বিপৰীতে ১৯৭৮-৭৯ চনত ১ কোটি ৫৪ হাজাৰ ধৰিছে। আনফালে পুলিচ হেডত বৰাদ্দ আৰু ব্যয় কিন্তু ক্ৰমে বাঢ়ি গৈ আছে। গ্ৰাম্য অৰ্থনীতি সবল কৰা নীতি কলৈ গল? যোৱাকালী দেশৰ সমাজবাদ আৰু গণতন্ত্ৰ প্ৰতিষ্ঠা কৰা কাৰণে যি বেচৰকাৰী প্ৰস্তাৱ আনিছিল তাত মোৰ বক্তব্য ৰাখিছিলো। শ্ৰম দপ্তৰৰ ক্ষেত্ৰত চাঁওক, বিগত জৰুৰীকালিন অৱস্থাত শাষনাধিষ্ঠ দলে যি কুৰিদফীয়া আঁচনি লৈছিল সেই আঁচনি সমগ্ৰভাৰতবৰ্ষই ঘৃণাৰে প্ৰত্যাখান কৰিছিল আৰু অসমৰ জনসাধাৰণেও সম্পূৰ্ণভাবে ইয়াক প্ৰত্যাখ্যান কৰিছে কিন্তু সেই কুৰিদফীয়া আঁচনি ৰূপাণৰ কাৰণে শ্ৰম দপ্তৰে আকৌ ৬ লাখ টকা মঞ্জুৰীৰ দাবী কৰিছে। গতিকে এই চৰকাৰৰ দেখিছো কথা আৰু কামৰ প্ৰাৰ্থক্য আছে। পুলিচৰ ক্ষেত্ৰত ব্যয় আৰু বৰাদ্দ কিন্তু বৃদ্ধি হৈছে কিন্তু পুলিচৰ যোগ্যতা সেই অনুপাতে বাঢ়িছে নে? এটা যোগ্যতা অৱশ্যে বাঢ়িছে সেইটো হৈছে বিগত কংগ্ৰেছৰ ৰাজত্বৰ নিচিনাকৈ পুলিচে শ্ৰমিক সকলৰ ওপৰত অত্যাচাৰ কৰাৰ কাৰণে আগতকৈ বেচি উঠি পৰি লাগিছে। আজি সমগ্ৰ দেশতে বাগানৰ মালিক সকলে শ্ৰমিক সকলক নানান অত্যাচাৰ কৰিছে তেওঁলোকৰ ওপৰত চি আৰ পিৰ জুলুম জাপি দিছে। নাহৰকটিয়াৰ দিল্লী চাহ বাগিছাত লাজান্দা ইউনিয়ন কৰা বাবেই বাগিছাৰ মালিকে শ্ৰমিকৰ ওপৰত যথেমধে অত্যাচাৰ কৰিছে আৰু তাত পুলিচে সহযোগ কৰিছে। একেজন বনুৱাৰ ওপৰত ২৫ টাকৈ ভূৱা কেচ জাপি দিছে। ইফালে আমাৰ চৰকাৰে কৈছে যে যি বিলাক দলে শ্ৰমিকৰ নেতৃত্ব দিছে তেওঁলোকৰ লগত আমি সহযোগ কৰিব বিছাৰিছো। কিন্তু শ্ৰম দপ্তৰে কি কৰিছে? মালিক পক্ষৰ সহায়ক হৈ বনুৱা সকলক শোষণ কৰিছে। আজি বিভিন্ন বনুৱা বিষয়া সকলক যেনে লেবাৰ কমিচনাৰ, লেবাৰ অফিছাৰক তেওঁ বাগানৰ বনুৱা সকলে লেবাৰ কমিচনাৰ জীৱন নিৰ্ব্বাহৰ অভিজ্ঞতাৰে লেবাৰ অফিছাৰ বুলি নকয় তেওঁলোকক প্ৰপাইটৰ অফিছাৰ প্ৰপাইটৰচ কমিচনাৰ বুলি কয়। এই বিষয়া সকলে বনুৱা সকলৰ গোচৰ অনুসন্ধান কৰিবলৈ যায় বাগানৰ মালিকৰ গাড়ীত উঠি আৰু আনফালে কাৰ্য্যালয়ত ভূৱা ভ্ৰমণ বানচ দাখিল কৰে। এই ধৰণেই শ্ৰম দপ্তৰে বিছাৰ চলাই আছে। বাগানৰ বনুৱাই মালিকৰ বিৰুদ্ধে কেচ দিলে সেই বিষয়াই আকৌ মালিকলৈ সেই কেচৰ গোচৰ পত্ৰ ৰেফাৰ কৰে, 'প্লিজ কমেণ্ট' বুলি মন্তব্য কৰি অৰ্থাত চোৰক শাস্তিদিবলৈ বিছাৰকে সোধে' চোৰ তুমি কোৱা তোমাক কি শাস্তি দিম?' গতিকে এই শ্ৰম বিভাগটো এটা অপদাৰ্থ বিভাগ। তেওঁলোকে বনুৱাৰ উন্নয়নৰ কাৰণে কোনো কাম নকৰে। বাজেতত চাঁওক বনুৱাৰ উন্নয়নৰ কাৰণে বৰাদ্দ আছে ৭ লাখ ৬৭ হাজাৰ ৬৭ টকা আৰু প্ৰশাসনৰ কাৰণে আছে ৭৭ লাখ ৪২ হাজাৰ ২০০ টকা। মালিকৰ পৰা বনুৱা সকলক ৰক্ষা কৰিবলৈ প্লেনটেচন লেবাৰ এক্ট প্ৰনয়ণ কৰা হৈছে কিন্তু বনুৱাই তাৰ আশ্ৰয় পাইছে নে? অথচ সেই চাহ বাগিছাৰ বনুৱা সকলৰ প্ৰভিদেণ্ট ফাণ্ডৰ টকা চৰকাৰে বিভিন্ন শিল্প শিতানত ভগাই দিছে আৰু তেওঁলোকক ভূৱা দিছে। যোৱা ৩১ বছৰে কংগ্ৰেছ চৰকাৰে এওঁলোকক ঠাগালে। কিন্তু কংগ্ৰেছৰ লগত জনতা চৰকাৰৰ প্ৰাৰ্থক্য ক'ত? ভাৰতবৰ্ষৰ সকলো বনুৱাকে ভৱিষ্যানীধিৰ একে আইনতে সাঙুৰি লোৱা হৈছে আৰু সকলোৱে ভৱিষ্যনিধিৰ ওপৰত সুদ শতকৰা ৯ ভাগ পায় কিন্তু অসমৰ চাহ বনুৱাক এই চেণ্ট্ৰেল এক্টৰ পৰা বাহিৰত ৰাখিছে। এই দুখীয়াৰ ভৱিষ্যনিধিৰ টকাৰ ওপৰত মাত্ৰ শতকৰা ৬ ভাগ সুদ দিয়া হয়। ভৱিষ্যনিধিৰ সেই টকা কলৈ যায়? সেই টকাৰে এ, আই, দি, চিক ব্যৱসায় কৰিবলৈ দিয়া হয়। আৰু সেই এ, আই, দি, চিয়ে শতকৰা ৯ ভাগ সুদ লৈ বিদ্যুত বোৰ্ড আদিক টকা দিয়ে। বিদ্যুত বোৰ্ড হৈছে অসমৰ ভিতৰতে

অন্যতম এটা অপদাৰ্থ বিভাগ। বোৰ্ডে উৎপাদনকৰে মাত্ৰ ১৪১ মেগাৱট কিন্তু তাত কৰ্ম্মচাৰী আছে ১৫ হাজাৰ। চিফ ইঞ্জিনিয়াৰ আৰু তেওঁৰ সমপৰ্য্যায়ৰ বিষয়া আছে ১০ জন মেনেজাৰ ৫ জন আৰু সচিব ২ গৰাকী। ভাৰতবৰ্ষৰ ভিতৰতে ই আচৰিত ব্যৱস্থা উত্তৰ প্ৰদেশতে বিদ্যুত উৎপাদন হয় প্ৰায় ২৫০০ মেগাৱট আৰু তাত শ্ৰমিক আছে প্ৰায় ৫৮ হাজাৰ কিন্তু চিফ ইঞ্জিনিয়াৰ এজনহে।

আমাৰ চৰকাৰে বিদ্যুত বোৰ্ডক বনুৱাৰ প্ৰভিদেন্টৰ বিনা সুতত টকা দিছে অথচ এই বিভাগটো কোনো ৱেলফেয়াৰ বিভাগ নহয় বুলি কালি কমৰেদ শ্ৰী বানেশ্বৰ শইকীয়াই কৈয়ে গৈছে ই এটা ব্যৱসায়ী সংস্থা। অথচ তেওঁলোকক যিখিনি টকা দিয়া হয় তাৰ কাৰণে আমি এটা পইছাও সুদ নলও। এই পইছাখিনি জঘন্য কিছুমান ঘোচখোৰ বিষয়াৰ হাতত তুলি দিয়া হৈছে। এই বনুৱা সকলৰ ফাণ্ডত ১৯৫৪ পৰা ১৯৭৮ চন পৰ্যন্ত ১০০ কোটি টকা আছে কিন্তু তাৰ এডিট কৰে কোনো এটা প্ৰাইভেট কোম্পানীয়েহে। এমপ্লয়ী সকলে Tea Plantation P F এই ব্যৱস্থাৰ বিৰুদ্ধে ৰিপ্ৰেজেনটেচন দিছিল যে চৰকাৰী এডিট হব লাগে বুলি দাবী কৰিছিল কিন্তু তেওঁলোকক জবাব দিয়া হ'ল তোমালোকৰ চিন্তাৰ কোনো কাৰণ নাই বা তোমালোকৰ চিন্তাৰ বিষয়ো নহয়। অসমত টি কৰপোৰেচন নিগম কৰা হৈছে। কোম্পানী এক্টত এটা প্ৰভিজন আছে যে কোম্পানীৰ ডিৰেক্টৰ সকলৰ অঙহী বঙহীয়ে ৫০০ টকাৰ ওপৰত কোনো চাকৰী কৰিব নোৱাৰে। কিন্তু মই সম্পূৰ্ণ তথ্য সহ এই সদনত দাঙি ধৰিব পাৰো এই Tea বোৰ্ডত ৫ জন আই এ এচ বিষয়া ডিৰেক্টৰ হিচাবে আছে চাহ খেতিয়কৰ তৰফৰ পৰা ৩ জন ডিৰেক্টৰ আছে আই এ এচ এজন আৰু চাহ খেতিয়কৰ দুজনৰ বৰ্ডত ৫০০ টকাৰ ওপৰত বিভিন্ন মেনেজাৰী কাম কৰি থকা লোক আছে এইটো এটা বে আইনী কাম নহয় নে? এ আই দি চিয়ে টি বোৰ্ডক ২·৩২ কোটি টকা দিছে। ১৯৭৬ চনত তেওঁলোকৰ উৎপাদন টাৰগেট আছিল শতকৰা ৫·৪ উৎপন্ন তাতকৈ বেচি হল। কিন্তু লাভ হ'ল মাত্ৰ ৫৫ হাজাৰ টকা।

১৯৭৬-৭৭ চনত টি' কৰ্পোৰেচনে ২০ লাখ টকা দান দিছিল: কিন্তু বৰ্ডৰ নিজস্ব ঘৰ নাই, ভাৰা ঘৰত অফিচ কৰে, অফিচ ঘৰৰ ভাৰা মাহে ৪ হেজাৰ। এই ঘৰ মেনেজিং ডিৰেক্টৰৰ এজন আত্মীয়ৰ ঘৰ। ইলেকট্ৰীচিটি বিভাগে লাভ কৰিব কেনেকৈ? ২৫।৫।৭৭ তাৰিখে নামৰূপ Maintenance Division Earthwork এটা টেণ্ডাৰ দিয়া হৈছিল, টেণ্ডাৰ ভেলো আছিল ৪ হেজাৰ টকা আৰু কণ্টেকটৰৰ ৰেট আছিল ৩হেজাৰ ৪ শ টকা: কিন্তু এগ্ৰিমেণ্ট চাইনড্ হল ১৮ হেজাৰ টকাত আৰু বিল পে'মেণ্ট হয় ১৯৪৬০·৯২ টকাত। এইদৰে ব্যৱসায় কৰিলে বা দুৰ্নীতি কৰিলে লাভ হব কৰ পৰা? পি, ডব্লিউ, ডি বিভাগতো একেই অৱস্থা। ডিব্ৰুগড় ছাব ডিভিজনৰ ২/৬ নং দলংৰ এখন বিল। ইয়াৰ টেণ্ডাৰ ভেলো আছিল ৭,৭৬৩·০০ টকা আৰু বিলৰ ভেলো হ'ল ,১৫ হেজাৰ টকা। তদন্তত ঠিকাদাৰক ব্লেক লিষ্টেট কৰিলে। অনুসন্ধান কৰি ইঞ্জিনিয়াৰ সকলে ঠিকাদাৰৰ পৰা ১০,৩২২·০০ টকা ৰিকভাৰীও কৰিলে কিন্তু ভুৱা বিলৰ কাৰণে কোনো বিষয়াৰ ওপৰত শাস্তিমূলক ব্যৱস্থা কৰা নহল। গতিকে এইদৰেই চলি থাকিব লগীয়া হয় তেতিয়া হলে আমাৰ দুখীয়া জনসাধাৰণৰ পৰা টেক্স সংগ্ৰহ কৰি যধে মধে অত্যাচাৰ কৰি, জুলুম কৰি গণতন্ত্ৰত সমাজবাদ আদি একো হব নোৱাৰে। এই বাৰৰ বাজেটক কিছু সদসই সমাজতন্ত্ৰ গণতন্ত্ৰৰ বাজেট বুলি আখ্যা দিব বিচাৰিছে— সেইটোত মই নিশ্চয় নিন্দা কৰিম। আমি আচৰিত হৈছো যে বাজেট বক্তৃতাৰ বাজেট ষ্টেটমেণ্টট মিল থাকিব লাগিছিল-কিন্তু বাজেট বক্তৃতাৰ লগত ইয়াৰ কোনো মিল নাই, কামতো কোনো মিল নাই আৰু তথ্য তথ্য পাতিবো কোনো মিল নাই। জনতাৰ মাননীয় সদস্যসকলে আজি স্বীকাৰ কৰিছে যে কংগ্ৰেছ চৰকাৰে প্ৰস্তুত কৰা বাজেটহে চৰকাৰে ইয়াত দাখিল কৰিছে। যদি কংগ্ৰেছ চৰকাৰৰ প্ৰস্তুত কৰা এইখন বাজেট হয়—তেতিয়াহলে জনতাদলে ইয়াত আনন্দ উপভোগ

কৰি গৌৰৱেৰে আকোৱালি লোৱাৰ কি যুক্তি আছে? ইয়াক প্ৰত্যাখান কৰক আৰু নতুনকৈ ইণ্টৰিয়াম বাজেট দাখিল কৰক—লাগিলে তিনি মাহৰ পাছত হলেও দাখিল কৰক, তাত যদি আমি শুদ্ধ তথ্য পাতি পাওঁ—তেতিয়াহলে তাক আমি সন্তোষেৰে সমৰ্থন কৰিম। কালি মাননীয় সদস্য কেইজন মানে বক্তৃতা প্ৰসঙ্গত কৈছিল যে— কৰ্ম্মচাৰী সকলক মৰগীয়া বানচৰ বাবে মূল্য বৃদ্ধি হৈছে। মাণী ইনফ্লোৱেচন হৈছে, মাণী চাৰ্কোলেচন হৈছে। মই নাজানো কোন ইকনমিষ্টে এই থিয়ৰি তেখেতক শিকালে। আমি জনাত মাণী চাৰ্কোলেচনৰ হোৱাৰ তথ্যপাতি ১৯৭২-৭৩ চনত আছিল শতকৰা ১৫·৯ টকা, ১৯৭৩-৭৪ চনত শতকৰা ১৫·৪ টকা ১৯৭৪-৭৫ চনত শতকৰা ৬.৯ টকা, ১৯৭৫-৭৬ চনত শতকৰা ১১·৩ টকা আৰু ১৯৭৬-৭৭ চনত শতকৰা ১৮·৮ টকা। ১৯৭৪-৭৫ চনত অসমৰ শ্ৰমিক কৰ্ম্মচাৰী সকলে মৰগীয়া বানচ দৰমহা বৃদ্ধি পাইছিল সচাঁ—কিন্তু মাণী চাৰ্কোলেচন। ১৯৭৪-৭৫ চনত মাত্ৰ শতকৰা ৬.৯৫ পাৰ্চেণ্টহে। আনফালে এই বছৰেই মুদ্ৰাস্ফীতি আটাইতকৈ বেছি হৈছে শতকৰা ১৮৪.৪ টকা। গতিকে এইটো কথা প্ৰমাণিত যে শ্ৰমিক কৰ্ম্মচাৰী সকলে দৰ্মহা পালেও মুদ্ৰামূল্যত কোনো ধৰণে এফেক্ট নকৰে। ১৯৭৫-৭৬, ৭৬-৭৭ চনত বৰঞ্চ তেওঁলোকৰ মৰগীয়া বানচ আৰু বোনাচ আদি বন্ধহে কৰিছিল। আগৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে সেই সকলো বানচ কাটি পিলাইছিল। ১৯৭৬ চনত মাণী চাৰ্কালেচন হৈছিল ১১.৩ পাৰ্চেণ্ট আৰু মুদ্ৰাস্ফীতি হৈছে প্ৰায় ১৮০.৮ পাৰ্চেণ্ট। এইটোৱেই বৃদ্ধি হোৱা মাণী চাৰ্কোলেচনৰ কাৰণ নেকি? সেই কাৰণে মই কব বিচাৰিছো যে মাণী চাৰ্কোলেচন কেতিয়া বৃদ্ধি হয়? যেতিয়া বস্তুৰ মূল্য বাঢ়ে। কিন্তু মূল্য বৃদ্ধি হোৱা অজুহাতত চৰকাৰে শ্ৰমিক কৰ্ম্মচাৰী সকলৰ বোনাচ বন্ধ কৰিলে, মজুৰি বন্ধ কৰিলে নানা অৰ্ডিনেনছ জাৰি কৰিলে। মাননীয় সদস্য সকলে যিটোৰ বক্তব্য ৰাখিছে তাৰ পৰা আমাৰ অনুমান হৈছে যে যি পদ্ধতিৰ যোগেদি গণতান্ত্ৰিক অধিকাৰৰ পৰা জনসাধাৰণক বঞ্চিত কৰা সেই ইন্দিৰা পাৰ্টিৰ নীতিৰ পৰা জনতা চৰকাৰে আতৰি আহিব পৰা নাই। ইন্দিৰাইও এতিয়ালৈকে মদমত্ত হৈ ঘূৰি ফুৰিছে শ্ৰমিক বিৰধী জনতাৰ কাৰ্য্য-কলাপত আৰু শ্ৰীমতী গান্ধীও শিৱনী পাটিত সুখ নিদ্ৰাহে মাৰিছে। জনতা চৰকাৰে যিখন বাজেট দাখিল কৰিছে—কৰক ঃ কিন্তু যাৰ কাৰণেমাণী চাৰ্কোলেচন বৃদ্ধি হৈ মুদ্ৰাস্ফীতি হৈছে আৰু যাৰ কাৰণে দেশত সংকট হৈছে—তাৰ মূল কাৰণ অনুসন্ধান কৰিবলৈ চৰকাৰক আহ্বান জনাম ভাৰতত কি কাৰণে প্ৰাইচ ৰাইজ হল? চৰকাৰে অসম হাৰ্ড বোৰ্ডক ২০ লাখ টকাৰ এটা গ্ৰাণ্ট দিছিল। আৰু এই হাৰ্ড বোৰ্ডেও ২০ লাখ টকাৰ এটা বিদ্যুত কৰ দিব-লগীয়া আছে। এই ব্যৱসাহিক কৰ দিব লগীয়া হোৱাৰ কাৰণেই বনোৱা সকলৰ প্ৰভিডেণ্ট ফান্ডৰ পৰা টকা চুৰি কৰি আনি মালিক পক্ষ্যক গ্ৰাণ্ট হিচাবে দিলে। কিন্তু প্ৰাইচ ৰাইজ কেতিয়া হয়? যেতিয়া চৰকাৰে কৃষি সমস্যা ভূমি সমস্যা সমাধান কৰিব নোৱাৰে—যেতিয়া ভূমি সংস্কাৰৰ আমোল পৰিবৰ্ত্তন কৰিব নোৱাৰে যেতিয়ালৈকে খেতিয়কে পৰ্য্যাপ্ত পৰি-মাণে মাটি নাপাব—যেতিয়ালৈকে মাটিহীনলোকে কোনো সংস্থাপন নাপাব—তেতিয়ালৈকে অসমৰ তথা ভাৰতবৰ্ষৰ জনসাধাৰণৰ প্ৰকৃত ক্ৰয়ক্ষমতা বৃদ্ধি নাপাব—ক্ৰয় ক্ষমতা বৃদ্ধি নাপালে ইন্ডাষ্ট্ৰি বন্ধ হব আৰু ইন্ডাষ্ট্ৰি বন্ধ হলেই উৎপাদন কমিব তেতিয়া এই পচা অৰ্থনীতিক ফল-শ্ৰুতি হিচাবে দেশত প্ৰাইচ ৰাইজ হবই। তাৰ কাৰণে শ্ৰমিক ৰাইজ দায়ী নহয়। ইয়াৰ এজন সদস্যাই আগতে পশ্চিমবঙ্গৰ ধৰ্ম্মঘটৰ কথা কৈছিল। পুলিচ মিলিটেৰীৰ দ্বাৰা মিউনিচিপালিটিৰ শ্ৰমিকৰ আন্দোলন বন্ধ কৰা বুলিও কৈছে ঃ কিন্তু মই বিতং তথ্য পাতি নজনাকৈ এটা কথা স্পষ্টভাৱে কব পাৰো যে পশ্চিম বঙ্গত বামপন্থী চৰকাৰে ধৰ্ম্মঘত ভাঙিবৰ কাৰণে কোনো মুহুৰ্ত্ততেই পুলিচ লগোৱা নাই। কিন্তু চৰকাৰে ক্ষমতা পোৱাৰ লগে লগে পুলিচ বাহিনীক আহবান কৰিছে—যাতে জনসাধাৰণৰ জীৱন জীবিকাৰ সংগ্ৰামৰ সহায়ক হব পাৰে। গতিকে পুলিচ লগাই ধৰ্ম্মঘত কেতিয়াও পশ্চিমবঙ্গ চৰকাৰে ভঙ্গ নকৰে কৰাও নাই। যোৱা ৩০ বছৰে পুলিচে শ্ৰমিক আন্দোলনত যি কৰিলে—ভৱিষ্যতে আৰু এই কাম কৰিবলৈ দিয়া নহয় বুলি সেই চৰকাৰৰ মূখ্য মন্ত্ৰীয়ে পুলিচ বাহিনীক স্পষ্টভাৱে নিৰ্দ্দেশ দিছে আৰু সদনৰ যোগেদি এই নীতি ঘোষণাও কৰিছে—

এইতো অৱশ্যে ঠিক পুলিচ বাহিনীৰ বহুতো বিষয়াই বৰ্ত্তমান জনতা চৰকাৰৰ লগত আপোচ কৰিব বিচৰা নাই। সেয়ে যধেমধে আন্দোলন বিলাকত পুলিচে গুলিয়াইছে। আহক জনতা পাৰ্টিৰ চৰকাৰেও পুলিচ বাহিনীক আহবান জনাওক আৰু পুলিচ বাহিনীয়ে যাতে জনসাধাৰণৰ জীৱন জীৱিকাৰ লগৰীয়া হয়। আমিও সমৰ্থন জনাম। আমি আনন্দ লাভ কৰিম যে যোৱা নিৰ্ব্বাচনত জনতা দলে যি বিলাক প্ৰতিশ্ৰুতি দিছিল—কিনচিত মান হলেও তাক কাৰ্য্যত পৰিণত কৰিব বিচাৰিছে, যোৱা এবছৰ কালত জনসাধাৰণৰ মৌলিক অধিকাৰ সমূহক সন্মান কৰিব বিচাৰিছে। গতিকে এই বাজেট খন কেতিয়াও আমাৰ ফালৰ পৰা সমৰ্থন কৰিব নোৱাৰো—এই বাজেটখনত কোনো কৰৰ প্ৰস্তাব নাই তথাপিও ইয়াত সমৰ্থন কৰিব লগীয়া একো নাই। আমাৰ দেশত সকলো সম্পদেই আছিল কিন্তু প্ৰয়োগ কৰিব নোৱাৰাত সকলো ধ্বংসৰ মুখত। চৰকাৰে স্বীকাৰ কৰক—এই বাজেটখন কৰিবলৈ সময় নাছিল। যদি সেইটোৱে হয় সংশোধন কৰি নতুন এখন বাজেট আনক। ঘৃণনীয় কুঁৰি দফাত বৰাদ্ধ কৰা টকা বিলাক বন্ধ কৰক ।

———

## ADJOURNMENT

Mr. Deputy Speaker : Order, order, the hon. member will resume his speech tomorrow.

The House stands adjourned till 10 a. m. tomorrow, the 1st June, 1978.

The House then rose at 5 p. m. and stood adjourned till 10 a. m. on Thursday, the 1st June, 1978.

Dated, Dispur
The 31st May 1978.

P. D. BARUA,
Secretary,
Assam Legislative Assembly

AGP. (L.A.) 620/80—1300—20 6-81.